# ডিব্ৰুয়ান

ডিব্ৰু মহাবিদ্যালয় - ডিব্ৰুগড়
স্থাপিত ১৯৬৩

২০০৭/০৮ বৰ্ষ



সম্পাদক ঃ বিতোপন সোণোৱাল



মহাবিদ্যালয়ৰ NCCৰ লগত আমাৰ শিক্ষকসকল



মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান




মিচ ডিব্ৰু ২০০৭-০৮ বৰ্ষ প্ৰতিমা সোণোৱাল




মি. পেশী মানৱ ২০০৭-০৮ বৰ্ষ
কমল দলে



মহাবিদ্যালয়ৰ ভৱন

DIBRU COLLEGE LIBRARY
ESTD 1933
DIBRUGARH

ডিব্ৰুয়ান



# Dibruyan




২৭ তম সংখ্যা
২০০৭-০৮ বৰ্ষ

সম্পাদক
শ্ৰী বিতোপন সোণোৱাল

# ডিব্ৰুয়ান

*Dibruyan*

The Annual Journal of Dibru College; Edited by **Bitupan Sonowal** & Published on behalf of Dibru College students Union 2007-08, Dibru College, Dibrugarh-786002, Assam, India



## সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | |
| ভাৰপ্ৰাপ্ত অধ্যক্ষ | ঃ | শ্ৰীযুত মীৰেণ বৰবৰা (সভাপতি) |
| অধ্যাপিকা | ঃ | শ্ৰীযুক্তা ৰুমা ফুকন |
| অধ্যাপক | ঃ | ড° অলখ নিৰঞ্জন সহায় |
| অধ্যাপক | ঃ | শ্ৰীযুত বীৰেণ বৰুৱা |
| সম্পাদক | ঃ | শ্ৰী বিতোপন সোণোৱাল |
| সদস্য | ঃ | শ্ৰী দীপমণি গগৈ |
| | | শ্ৰী জ্যোতিপ্ৰসাদ বড়া |
| | | শ্ৰী অঞ্জন প্ৰসাদ লোহাৰ |
| | | শ্ৰী পাৰ্থপ্ৰতিম চাংকাকতি |
| | | শ্ৰী নিতুল কুমাৰ গগৈ |
| অংগসজ্জা বেটুপাত | ঃ | শ্ৰীদেৱজীৎ বৰা |
| প্ৰকাশক | ঃ | ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৭-২০০৮ বৰ্ষৰ ছাত্ৰ একতা সভা |
| মুদ্ৰণ | ঃ | শঙ্কৰদেৱ প্ৰিন্টাৰ্ছ, বিশ্ববিদ্যালয় সংযোগী পথ, চিৰিং চাপৰি, ডিব্ৰুগড়, আসাম। ফোনঃ ৯৯৫৪৫৯১২৪৯ |

DIBRU COLLEGE CENTRAL LIBRARY
ESTD.-1963
DIBRUGARH

# অৰ্পণ

... সৰি পৰাৰ পাহতো পাত-গছবোৰে
নিজকে পাহৰিব
এই চৰাই এই পখিলা এই বতাহে
সোঁৱৰাব তোমাক চিৰকাল নিৰ্জনতাত.........

ওঁ অসতো মা সদগময়
তমসো মা জ্যোতি গৰ্ময়
মৃত্যু মা অমৃতং গময়
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

.....জ্ঞাত অজ্ঞাত যিসকল মহান ব্যক্তিয়ে ডিব্ৰু মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা বৰ্ত্তমানলৈকে
মহাবিদ্যালয়খনিৰ সৰ্ব্বাংগীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি গ'ল
সেইসকল পুণ্যত্মাৰ পৱিত্ৰ স্মৃতিত
২৭ তম 'ডিব্ৰুয়ান' খন
অৰ্পণ কৰা হ'ল।

—সম্পাদক, ডিব্ৰুয়ান
২০০৭-০৮



## কৃতজ্ঞতাৰ শৰাই

ড° এচ কে ৰালিয়া বাইদেউ
শ্ৰীযুক্তা ৰুমা ফুকন বাইদেউ
শ্ৰীযুত হেমন্ত শইকীয়া চাৰ
এই সকল শিক্ষাগুৰুৰ সহায় সহযোগ
অবিহনে হয়তু মই দুখ সাগৰত কক্‌বকাই থাকিবলগীয়া
হ'লহেঁতেন আৰু যন্ত্ৰণাত ভুগিবলগীয়া হ'লহেঁতেন।
এই মহান শিক্ষাগুৰুসকলৰ প্ৰতি মোৰ শতবাৰ প্ৰণাম।

ড° কন্দৰ্প কুমাৰ ডেকা
ড° কৰবী ডেকা হাজৰিকা
বৌউন্‌থন্ গগৈ, ডিব্ৰুগড়

এই সকল অতিথিয়ে আমাৰ অতি মৰমৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'ত এটি আশাৰ ৰেঙণিৰ সঞ্চাৰ কৰিলে তেওঁলোকৰ প্ৰতি মোৰ আন্তৰিক ধন্যবাদ থাকিল।

কেতিয়াবা এজন ভাল বন্ধুয়ে দুখ সাগৰ তথা জীৱন নৰকত পৰা বন্ধু জনক উদ্ধাৰ কৰি আনিব পাৰে। কঠিন কঠোৰ ঋতুৰ পৰিৱৰ্তন ঘটাই সহনীয় কৰি, ৰঙে-ৰসে-ৰূপে জাতিষ্কাৰ কৰি তুলিব পাৰে। কাৰোবাৰ বাবে হয়তু এনেকুৱা আশা, আশা হৈয়ে ৰৈ যায়। কিন্তু মই ভাগ্যৱান সেইয়া মোক বাস্তৱ হৈ ফুলালে মোৰ বন্ধু দীপমণি গগৈয়ে। দীপমণি গগৈলৈ মই আৰ্থিক সম্পদ দিব নোৱাৰিলেও তেওঁলৈ মোৰ সদায়ে হিয়া-ভৰা মৰম তথা ধন্যবাদ থাকিব। জ্যোতি প্ৰসাদ বড়ালৈ আন্তৰিক ধন্যবাদ থাকিল। শংকৰদেৱ প্ৰিণ্টাৰ্ছৰ সমূহ কৰ্মকৰ্তালৈও মোৰ আন্তৰিক ধন্যবাদ থাকিল।

বিতোপন সোনোৱাল
সম্পাদক



## শুভেচ্ছাবাণী

ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৭-০৮ চনৰ আলোচনীখন উলিয়াবৰ বাবে কৰা প্ৰচেষ্টাৰ শলাগ লৈছোঁ। প্ৰতিবছৰে ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰাটো ছাত্ৰ একতা সভাৰ এক পৰম্পৰা। সেয়েহে এনে প্ৰচেষ্টাত ছাত্ৰ একতা সভাৰ সভাপতিৰূপে আনন্দিত হৈছোঁ।

মহাবিদ্যালয়খনৰ আলোচনীখন মূলতঃ ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ ভাৱপ্ৰকাশৰ এটা মাধ্যম। এই ভাৱ সুন্দৰ সুন্দৰ কবিতাৰ ৰূপত অথবা গল্প, প্ৰৱন্ধ আকাৰত প্ৰকাশিত হয়। সুপ্ত মনত ভাৱি থকা, সপোনতো দেখি থকা বহুতো কথা আলোচনীখনত প্ৰকাশ কৰাৰ বহুতৰে যি সপোন থাকে সেয়া বাস্তৱত পৰিণত হয়। আমাৰ ছাত্ৰ-ছাত্ৰীসকলোৰে যথেষ্ট প্ৰতিভা আছে। এই প্ৰতিভাৰ তেওঁলোকে সৎ ব্যৱহাৰ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা মহাবিদ্যালয়ৰ আলোচনীত প্ৰতিফলিত হওঁক, এই আশা কৰিয়েই শুভেচ্ছা জনাইছোঁ। মই আলোচনীখন উত্তৰোত্তৰ কামনা কৰিছোঁ।

মীৰেন বৰবৰা
অধ্যক্ষ (ভাৰপ্ৰাপ্ত), ডিব্ৰু মহাবিদ্যালয়

NON TEACHING STAFF OF DIBRU COLLEGE



*Sitting (Left to Right) :*
*N. Sharma, R.Bedia, B. Malakar, M.Borbora (Principal I/C), N.Borkakati, S. Pal, B.Phukan*
*Standing (Left to Right ) :*
*P.Konwar, D.Das, R.Tanti, U.S. Sonowal, P.Phukan, S.Jamuar, M.R.Chetia, B.Sahu, B.Phukan, R.Ahmed, J. Sharma, M.Kakati*

## TEACHING STAFF OF DIBRU COLLEGE



*Sitting (Left to Right ) :*
H.P.Chetia (Antho), S.Hazarika (Antho) Dr. H.K.Walia (Eng.) A, Dutta (Bota), R.Phukan( Eng) M.Borbora (Principal, I/C), Dr. B.K. Baruah ( Vice Principal), Dr. S.Bora (Phil), P.Banerjee (Com.), A.C. Goswami (Chem), B.Baruah (Ass), P.K.Chetia (Math), K.Roy (Beng.)
*Standing 1st Row ( Left to Right) :*
Dr. B. Phukan Sonowal (Hist), M.Borthakur (Sans.), R.J.Bora (Bota.), N.Baishya (Eng.), Dr. J Bora, Dr. P Bora (Antho.), Dr. R. Singha (Pol.Sc.), N.Konwar (Soci), M.Baruah (Hist.), A.Baruah (Sans.) A.S. Baruah (Bota), L.Begum (Pol.Sc.), M.Dutta (Ass.), J.Chutia (Soci.), S.Sukla (Edu.) , J.Baruah (Sat), M.Sharma ( Ass.), Dr. K.Saikia (Eco), Dr.D. Kalita (Bot.), Dr. N.Ali Shah(Com.Sc.), C.G.Borah (Zoo.), Dr. A.N.Sahay (Hindi).
*Standing 2nd Row ( Left to Right) :*
Dr. S.Saikia (Com.), P.Paul (Bota.), P. Morng (Pol.Sc.), A.Ahmed (Chem.), H.Saikia (Ass.). Dr. B. Moran (Ass) ñ Dr. H. Nath (Math)

## EDITORIAL BOARD SESSION - 2007-2008



Sitting (left to Right)
A. N. Sahay, Ruma Phukan, Biren Baruah
Standing (left to Right)
Parthoprotim Changkakoti (Member), Deepmoni Gogoi (Member), Jyoti Prasad Baruah (Member), Nitul Kr. Gogoi (Social Welfare Secy.), Anjan Prasad Lahar (Member), Bitupan Sonowal (Magazine Secretary)

## STUDENT UNION BODY 2007-08



Sitting ( Left to Right) :
Madhab Bhuyan (G. Secretary)
Tiluttoma Sonowal (Music Secy.)
Miren Borbora
(President/Principal I/C
Monisha Saikia
(Girls Common Room)
Standing ( Left to Right) :
Debajit Kumar (Cultural Secy.)
Bitupan Sonowal
(Magazine Secretary)
Jugal Taya (Gymnasium Secy.)
Nitul Kr. Gogoi (Social Welfare)
Akash Kachari
(Gen. Sports Secretary)
Bitupan Chetia
(Assit Gen. Secretary)


Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**


No.DU/VC/073/09/196

Date: 18.01.2009

### শুভেচ্ছা বাণী

প্ৰতি

শ্ৰী বিতোপন সোনোৱাল
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা,
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়

প্ৰিয় শ্ৰী বিতোপন,

মই জানিবলৈ পাই অতি আনন্দিত হৈছো যে ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'ৰ ২৭ তম সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ ওপৰিও সমাজৰ বিভিন্ন দিশৰ ওপৰতো আলোকপাত কৰিব পাৰে।

মই আশা কৰিছো, ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনিয়ে ছাত্ৰ-ছাত্ৰীসকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব। আলোচনীখন সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে ——

কন্দৰ্প কুমাৰ ডেকা ১৮/১/০৯
(কন্দৰ্প কুমাৰ ডেকা )
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

# অ * নু * ক্র * ম * ণি * কা




০৯ ➤ সম্পাদকীয়



অতিথি কলম (অতিথি স্তম্ভ)

১৫ ➤ সেউজীয়া কবিতা ✍ কৰবী ডেকা হাজৰিকা
১৬ ➤ মহামানৱ বুদ্ধ ✍ বৌউন্‌থন্ গগৈ (অনুবাদ)
৪৩ ➤ দাপোনত গিৰিকান্তৰ মুখ ✍ মাধুৰীমা বৰুৱা (গল্প)

অসমীয়া বিভাগ

১৯ ➤ মোৰ সৌৰৱণি-কুকিত সজীৱিত 'জীৱনৰ আদি পাঠ' ✍ ড° বন্তি ফুকন সোণোৱাল
২২ ➤ খনিজ সম্পদ ✍ ড° দিলীপ কলিতা
২৫ ➤ পৰশুৰাম কুণ্ডলৈ গৈছিলো (ভ্ৰমণ কাহিনী) ✍ দুলু ফুকন
২৭ ➤ অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সংস্কৃতিৰ ৰূপৰেখা ✍ জ্যোতি প্ৰসাদ বড়া
৩১ ➤ অসমীয়া সংস্কৃতি বিহুৱে গ্ৰহণ কৰিছে আধুনিক কলাৰ কৃষ্টি ৰূপ ✍ অসীম গগৈ
৩৪ ➤ ৰজনীকান্ত বৰদলৈৰ ঃ ডালিমী ✍ হেমন্ত শইকীয়া



গল্প বিতান

৩৯ ➤ প্ৰেমৰ এটি খোচ.... ✍ বিটুল বাইলুং
৪৮ ➤ ক্ৰমশঃ ✍ নীৰজ সোনোৱাল



অন্যান্য

৫০ ➤ অকস্মাতে হোৱা কেইটামান উল্লেখনীয় আৱিস্কাৰৰ কথাৰে ✍ ধমেন্দ্ৰ গগৈ
৫২ ➤ অশান্তিৰ আঁৰে আঁৰে (নিৱন্ধৰ শিৰোণামা) ✍ অনুপম দেউৰী
৫৪ ➤ কলেজীয়া জীৱনৰ অভিজ্ঞতা ✍ দিপিকা বৰুৱা
৫৬ ➤ নতুন বছৰৰ বাবে কাৰ্ড আৰু এছ এম এছ ✍ মনোজ উৰাং
৫৭ ➤ সামুদ্ৰিক দুৰ্ঘটনা টাইটানিক ✍ লিপিকা গগৈ
৫৯ ➤ কাঠফুলা ✍ দুলু ফুকন
৬০ ➤ বিয়ানামত নাৰীমনৰ প্ৰকাশ ✍ তিলোত্তমা সোনোৱাল
৬২ ➤ বিদ্যাৰ্থীৰ শিক্ষা তত্ব ✍ বিতোপন সোনোৱাল
৬৩ ➤ মে-ডাম-মেফি ✍ সুষমা পাচোৱান
৬৫ ➤ শিৰোনামাঃ 'স্বপ্ন সমুদ্ৰ' সঁচাকৈয়ে তোমাৰ বাবে বৈ আছো মই (কথা শিল্প) ✍ ভৃগুৰাজ





কবিতা মঞ্জুৰী ৬৯ - ৮২

❑ অসমত বাংলাদেশৰ পতাকা আৰু কিছু চিন্তা ➤ কৃষ্ণকান্ত শিলপনীয়া ❑ উৰুখা পজাঁৰ সেউজীয়া সপোনবোৰ ➤ কৰণ দিহিঙীয়া ❑ আমাক শান্তিৰ জয়গান লাগে ➤ বৈদ্য বুঢ়াগোঁহাই ❑ তোমাৰ স্মৃতি ➤ অতুল পানিকা ❑ তুমি ➤ বিকি কুমাৰ মণ্ডল ❑ মানালি ➤ পৱিত্ৰ গগৈ ❑ এটি শুকান সপোন ➤ জাহ্নৱী গগৈ ❑ অভিমান ➤ মনিষা শইকীয়া ❑ পোহৰৰ পথিক ➤ তনুজা দিহিঙীয়া ❑ তোমাক হেৰুৱাই ➤ ইন্দ্ৰানী ফুকন ❑ জীৱন কি ➤ বিকি কুমাৰ মণ্ডল ❑ সপোন দিঠকৰ অনুভৱ ➤ জুলী গগৈ ❑ ভবাতো নাছিলো ➤ দুলু ফুকন ❑ আশা ➤ ফণীধৰ লস্কৰ ❑ ভগ্ন হৃদয়ৰ গান ➤ ধমেন্দ্ৰ গগৈ ❑ ধুনীয়া ➤ বিজয় ঘাটোৱাৰ ❑ ঋণী ➤ বিটুল কুমাৰ বাইলুং ❑ প্ৰেম ➤ ৰীতা শইকীয়া ❑ ভগ্ন হৃদয় ➤ ছত্ৰ গগৈ ❑ ভগ্ন হৃদয় ➤ দিপিকা বৰুৱা ❑ প্ৰেমৰ ঠিকনা ➤ নেকিবুদ্দিন আহমেদ ❑ জীৱন ➤ অসীম গগৈ ❑ তোমাৰ প্ৰেৰণাত ➤ দীপমণি গগৈ



বাংলা বিভাগ

৮৪ ➤ নতুন মাতৃভূমি — ক্ষিতীশ ৰায়

হিন্দী বিভাগ



৮৭ ➤ मानवता को समर्पित श्री श्री ठाकुर अनुकूल चन्द्र — डॉ॰ अलख निरंजन सहाय
৮৯ ➤ हिन्दी भाषा के प्रचार-प्रसार में आर्य समाज का योगदान — डॉ॰ समीर झा
৯০ ➤ ताजमहल — सुश्री हेमी सैकिया

English Section

93 ➤ After a While / Veronica A. Shoffstall
95 ➤ Water Resources in NER : Its uses and abuses / Mahesh Kr. Jain
99 ➤ Expressionism : A Perspective / Mousum Baruah
101 ➤ The Change Called Obama / Compiled by : Deepmoni Gogoi
106 ➤ The Direct Flight / Nang Kankham Gogoi
107 ➤ A Tribute To Anil Kumble / Anjan Prasad Lohar
109 ➤ Meaning Of True Love / Jiten Bhengra
111 ➤ The Nanoscience of Kajol / Diprekha Konwar
112 ➤ The Story Of Clove / Nayan Jyoti Gogoi
113 ➤ Terror attacks on Mumbai / Kangan Barua
115 ➤ Join N.C.C. / Parama Gogoi
118 ➤ The Eclectic Experience / Deepmoni Gogoi
121 ➤ An Avian Check List of Dibrugarh City And It's Vicinity / Alok Kar Dowerah

Poem Section

131 ➤ Young Man – Jiten Bhengra
132 ➤ My Department Flora– Nayan Jyoti Gogoi
133 ➤ War & Peace – Priyodeep Doley
133 ➤ What does a Watch say – Priyodeep Doley

প্ৰতিবেদন ঃ ১৩৪ - ১৪২

সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, সাংস্কৃতিক সম্পাদক, শৰীৰ চৰ্চা বিভাগ, সংগীত বিভাগৰ সম্পাদিকা, সমাজ কল্যাণ বিভাগৰ সম্পাদক, ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

# সম্পাদকীয়



### *শিক্ষাগুৰুসকলৰ প্ৰতি......*

আধুনিক উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষাগুৰুসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিৰ লগত খোজ মিলাই চলিবলৈ হ'লে প্ৰত্যেক ব্যক্তিয়ে নিজৰ নিজৰ দৃষ্টিভঙ্গীক সলনি আৰু সংস্কাৰ সাধন কৰিব লাগিব। শিক্ষকসকলেই নতুন দৃষ্টিভংগীৰ বিকাশ ঘটাব লাগিব নতুন পুৰুষৰ মাজত। অন্যথা আধুনিক বিজ্ঞানে পৃথিৱীত যি পৰিৱৰ্ত্তন আনিছে সেই পৰিৱৰ্ত্তনত বৈজ্ঞানিক সংস্কৃতিৰ লগত খাপ খাই চলিব নোৱাৰিলে দেশ বা জাতি সময়ৰ লগত নিঃশেষ হৈ যাব। নতুন শিক্ষানীতিয়ে উপযুক্ত দৃষ্টিভংগীৰ বিকাশৰ বাবে যথেষ্ট ইঙ্গিত দিছে। এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ। শিক্ষকসকলৰ ওপৰতেই নতুন প্ৰজন্মৰ দায়িত্ব ন্যস্ত হৈছে। এনে মহান দায়িত্বত থকা শিক্ষক সমাজে নতুন শিক্ষানীতিৰ আধাৰত শিক্ষা ব্যৱস্থাৰ মান উন্নত কৰাত আৰু ভৱিষ্যৎ প্ৰজন্মৰ সৃষ্টিত এক অভিনৱ প্ৰচেষ্টা চলাব বুলি আজিৰ নৱ প্ৰজন্মই আশা কৰে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত শিক্ষাগুৰুসকলে নিজৰ পাঠ্যপুথিসমূহ নিয়াৰিকৈ পঢ়োৱাৰ উপৰিও সেই পাঠটিৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি বৰ্তমান পৰিস্থিতি সমূহৰ বিষয়েও যদি আলোচনা কৰে তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীসমূহে প্ৰতিযোগিতামূলক পৰীক্ষা সমূহতো সুফল লাভ কৰিব পাৰিব বুলি আশা কৰিব পাৰি। কাৰণ বৰ্ত্তমান যুগ প্ৰতিযোগিতাৰ যুগ, সূচনাৰ যুগ গতিকে এইবাৰো যদি পাঠ্যপুথিৰ লগত সংগতি ৰাখি আলোচনা কৰে তেন্তে নিশ্চয় ছাত্ৰ-ছাত্ৰীয়ে আধুনিক ক্ষেত্ৰখনত বহুতো সহায় হ'ব। আমাৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশ তথা ভাল অভিভাৱক নোপোৱাৰ ফলত বহুতো কথাই নজনাকৈ থাকি যায়। গতিকে শিক্ষাগুৰুসকলে এইক্ষেত্ৰত অভিভাৱক হিচাপেও থাকিব লাগিব আৰু শিকাবও লাগিব।

### *কৰ্মচাৰীসকলৰ প্ৰতি ঃ*

আধুনিক উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ভূমিকা যেনেকৈ গুৰুত্বপূৰ্ণ তেনেকৈ শিক্ষানুষ্ঠানৰ প্ৰশাসন যন্ত্ৰটোক সঠিকভাৱে পৰিচালনা কৰাটো কৰ্মচাৰীসকলৰ প্ৰধান দায়িত্ব। কৰ্মচাৰীসকলৰ অকণমান ভুলে শিক্ষানুষ্ঠানৰ মান নিম্নগামী কৰাৰ লগতে সমাজৰ আস্থা কমায় আনে। কৰ্মচাৰীসকল হ'ব লাগিব কৰ্মনিষ্ঠ, একাগ্ৰ আৰু সত গুণ সম্পন্ন। শিক্ষানুষ্ঠানৰ প্ৰশাসন যন্ত্ৰটোক সজীৱ কৰি ৰখাৰ লগতে জনসাধাৰণৰ ওচৰত দায়বদ্ধ শৈক্ষিক অনুষ্ঠান হিচাপে পৰিচয় দিব পাৰিব লাগিব।







সম্পাদকীয়



শিক্ষানুষ্ঠানৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশত কৰিব লগা যাৱতীয় সকলো কাম-কাজ যাতে সময় মতে আৰু সঠিক ৰূপে হয় তাৰ বাবে কৰ্মচাৰীসকল সদায় সচেতন হোৱা দৰকাৰ। 'তৰুৰ মূল হ'ল শিপা, ডাল-পাত নহয়' গতিকে এই ক্ষেত্ৰত শিক্ষানুষ্ঠানৰ মুৰব্বীজন হ'ব লাগিব দক্ষ প্ৰশাসক, সঠিক চিন্তাধাৰাৰ বাহক, কৰ্মনিষ্ঠ, একাগ্ৰ আৰু সত।

সোঁৰৱাই দিব খোজো যে, ২০০৭-২০০৮ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ ধন নহাৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষই পুনৰ নৱীকৰণ নকৰাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ ধন আবণ্টন নহ'ল। কিন্তু অন্য মহাবিদ্যালয়ত এই বৃত্তিৰ ধন আৱণ্টন হ'ল। এনে গুৰুত্বপূৰ্ণ কামৰ কাৰণে প্ৰশাসনৰ আৰু কৰ্মকৰ্তাসকল দায়বদ্ধ হোৱা প্ৰয়োজন। আমি ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আশা কৰিছোঁ যে এনে ভুল পুনৰ নকৰে যেন। আমি আটায়ে এখন সুস্থ প্ৰশাসন বিচাৰোঁ। গতিকে ডিব্ৰু মহাবিদ্যালয়ে সুস্থ প্ৰশাসন গঢ় লৈ উঠাতো সকলোৱে কামনা কৰো।

### *আহক আমি স্বাৱলম্বনমুখী হওঁ —*

আমাৰ মানুহৰ মাজত প্ৰচলিত "আত্ম বলম, পৰম বলম", "আপোন হাত জগন্নাথ"। "সাঁতোৰ সাঁতোৰ নিজ বাহুবলে, সাঁতুৰিব নোৱাৰ যদি যা ৰসাতলে", ইমানবোৰ খণ্ডবাক্যই এই স্বাৱলম্বনকে সূচায়। আমাৰ হাত-ভৰি, চকু-কাণ আদি ইন্দ্ৰিয়সমূহৰ লগতে এইবোৰ পৰিচালনা কৰিবৰ কাৰণে উন্নত চিন্তা, উন্নত মগজু, বুদ্ধি-বৃত্তি আৰু বিৱেক আছে। গতিকে এই শক্তিসমূহ থাকিও পৰনিৰ্ভৰশীল হোৱাটো আমাৰ বাবে লজ্জাজনক। আমাৰ মনত থাকিব লাগিব আত্ম-মৰ্যাদাবোধ। আত্ম-মৰ্যাদাবোধ থাকিলেহে আমি আনৰ ওচৰত হাত পাতিবলৈ লজ্জাবোধ অনুভৱ কৰিম আৰু যিমান কঠিন কামেই নহওঁক আমি নিশ্চয় কৰিব পাৰিম। আমাৰ থাকিব লাগিব অধ্যৱসায় আৰু আত্মবিশ্বাস। আমাৰ আত্ম শক্তি বৃদ্ধি পালে সংসাৰৰ সকলো ক্ষেত্ৰতে কৃতকাৰ্যতা লাভ কৰিব পাৰিম। আমাৰ শৰীৰত থাকিব লাগিব সৎ সাহস আৰু নৈতিক বল। তেতিয়া আমাক প্ৰলোভনেও টলাব নোৱাৰিব আৰু অন্যায়ৰ বিৰুদ্ধেও আমাক পিচ হুহুঁকাব নোৱাৰিব। আমাৰ জীৱনৰ যাত্ৰাপথত ঘাত-প্ৰতিঘাতৰে আৰম্ভ কৰি সুগম কৰিব পাৰিব লাগিব। এই ঘাত-প্ৰতিঘাতবোৰ জয় কৰি আগবাঢ়ি যাব লাগিব আমি স্বাৱলম্বনমুখী হৈ। আমি স্বাৱলম্বনমুখী হ'লে বিপদৰ সন্মুখীন হ'ব লগা নহ'ব।

উদাহৰণস্বৰূপে, আমেৰিকা আদি দেশৰ ধনীৰ ঘৰৰ ছাত্ৰয়ো হেনো আজৰি পৰত কিবা নহয় কিবা এটা অৰ্থকাৰী কামৰ দ্বাৰাই



# সম্পাদকীয়



নিজৰ পঢ়া-খৰচ নিজে উলিয়ায় লয়। তেওঁলোকে হেনো হোটেল-ৰেঁস্তোৰা আদিৰ চকী, খোৱা-মেজ আদি চাফা কৰা কাম কৰিবলৈও অপমানবোধ নকৰে। তাতোকৈ বৰং তেওঁলোকে অভিভাৱকৰ হাৰমাল হোৱাটোকহে অপমানজনক বুলি ভাৱে।

'Earning while learning'— এই কথাষাৰ তেওঁলোকে সাৰ্থকভাৱে প্ৰয়োগ কৰে। 'God helps those who help themselves'— স্বাৱলম্বী মানুহক বোলে ভগৱানে সহায় কৰে। তেতিয়াহ'লে আমি আটায়ে স্বাৱলম্বীমুখী হওঁ। নিশ্চয় আমাক ভগৱানে সহায় কৰিব।

*সম্পাদক হিচাবে ........*

আলোচনী সম্পাদক হ'বলৈ পাই ডিব্ৰু মহাবিদ্যালয়ৰ সকলো বন্ধুবৰ্গ তথা ভাইটি-ভন্টীলৈ থাকিল মোৰ আন্তৰিক ধন্যবাদ থাকিল। আমাৰ অতি মৰমৰ বাৰ্ষিক আলোচনী 'ডিব্ৰুয়ান'খন উৎকৃষ্টমানত দাঙি ধৰিব পাৰিলো নে নোৱাৰিলো এয়া ডিব্ৰুয়ানসকলৰ বিচাৰ্য্য। ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা লেখনি পাবলৈ মই পাৰ্য্যমানে চেষ্টা কৰিছিলো। কিন্তু যিমান লেখনি পাম বুলি মই আশা কৰিছিলো সিমানখিনি লেখনি পাবলৈ মই সমৰ্থ নহ'লো। তথাপিও যিখিনি লেখনি পোৱা হ'ল সেই লেখনিসমূহৰ ভিতৰত উপযুক্ত লেখনিসমূহ মই 'ডিব্ৰুয়ান'ত প্ৰকাশ কৰিলো। ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কম সংখ্যক লেখনি পোৱাৰ বাবে নিশ্চয় আমাৰ মাজত সাহিত্য চৰ্চা কমি আহিছে। গতিকে আমি সকলোৱেই মিলি সাহিত্য চৰ্চা কৰিম বুলি প্ৰতিজ্ঞাবদ্ধ হওঁ তেতিয়াহে আমি এখন উন্নত মানদণ্ডৰ আলোচনী সমাজৰ আগত দাঙি ধৰিব পাৰিম।

ধন্যবাদ

**বিতোপন সোনোৱাল**
*আলোচনী সম্পাদক*



*বিঃ দ্ৰঃ- অদূৰদৰ্শিতা অথবা অজ্ঞাত কাৰণবশতঃ ডিব্ৰুয়ানৰ কোনোবা লেখাত অন্য কোনো লেখকৰ ছাঁ পৰিলে সম্পাদক দায়ী নহয়।*



## 'নিষ্ঠাৱান কৰ্মী' বঁটা প্ৰাপ্ত দুজন কৰ্মচাৰীলৈ আলোচনী সম্পাদকৰ অভিনন্দন ঃ আপোনালোক প্ৰেৰণাৰ উৎস হওক

২০০৮-০৯ বৰ্ষৰ অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰু মহাবিদ্যালয় গোটে পোন প্ৰথমবাৰৰ বাবে এক প্ৰশংসনীয় কাৰ্যপন্থা লোৱাত আমি বিশেষভাৱে আনন্দিত হৈছোঁ। সেয়া হৈছে 'নিষ্ঠাৱান কৰ্মী' বটাঁ প্ৰদান। এই বঁটাৰ বাবে মহাবিদ্যালয়ৰ দুজন কৰ্মী ক্ৰমে শ্ৰীযুত নিৰ্মল বৰকাকতী (কোষাধ্যক্ষ), শ্ৰীযুত নগেন শৰ্মা (চতুৰ্থ শ্ৰেণীৰ কৰ্মী) দেৱক মনোনীত কৰি পুৰস্কৃত কৰে। লগতে ১০ জানুৱাৰী, ২০০৯ তাৰিখে শিক্ষক গোটৰ বৰ্ণাঢ্য সামৰণি অনুষ্ঠানত (বাৰ্ষিক সাধাৰণ সভা) দুয়োজন কৰ্মচাৰীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে।



শ্ৰীযুত নিৰ্মল বৰকাকতী (কোষাধ্যক্ষ) আৰু শ্ৰীযুত নগেন শৰ্মা (চতুৰ্থ শ্ৰেণীৰ কৰ্মী)

ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৮ - ০৯ বৰ্ষৰ
'নিষ্ঠাৱানকৰ্মী'হিচাপে মনোনীতশ্ৰীযুতনিৰ্মল বৰকাকতিদেৱলৈ

### সম্বৰ্দ্ধনা-পত্ৰ

ডিব্ৰু মহাবিদ্যালয়ৰ কোষাধ্যক্ষ হিচাপে আপুনি আপোনাৰ কাৰ্যকালৰ সুদীৰ্ঘ সময়ছোৱাত মহাবিদ্যালয় খনিত নিষ্ঠা সহকাৰে যি সেৱা আগবঢ়াই আহিছে, সেয়া মহাবিদ্যালয়খনৰ প্ৰতিজন কৰ্মচাৰীৰ বাবে আৰ্দশ আৰু অনুপ্ৰেৰণাৰ উৎস। স্মৰ্তব্য যে, আপুনি প্ৰতিনিয়ত নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাৰ মাজেৰে কৰ্মক্ষেত্ৰত নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক- কৰ্মচাৰীৰ অন্তৰত এক উচ্চ স্থান দখল কৰিবলৈ সক্ষম হৈছে, সেয়া অত্যন্ত শলাগিবলগীয়া।

আপোনাৰ দায়িত্ববোধৰ প্ৰতি সন্মান জনাই আমি ২০০৮ বৰ্ষৰ শিক্ষকগোটে প্ৰথম পদক্ষেপত আপোনাক 'নিষ্ঠাৱান কৰ্মী' বটাঁৰ বাবে মনোনীত কৰি এই সম্বৰ্দ্ধনা পত্ৰ প্ৰদান কৰিলো। এই পত্ৰৰ দ্বাৰাই আপোনাৰ সুস্বাস্থ্য, দীৰ্ঘায়ু আৰু সুখময় ভৱিষ্যতৰ বাবে শুভকামনা যাচিছোঁ।

(অমূল্য চন্দ্ৰ গোস্বামী)
*সভাপতি*

(ড° বন্তি ফুকন সোণোৱাল)
*সম্পাদিকা*

।। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰু মহাবিদ্যালয় গোট।।

## ডিব্ৰু মহাবিদ্যালয়ৰ ২০০৮-০৯ বৰ্ষৰ

'নিষ্ঠাৱান কৰ্মী' হিচাপে মনোনীত শ্ৰীযুত নগেন শৰ্মাদেৱলৈ

### সম্বৰ্দ্ধনা-পত্ৰ

ডিব্ৰু মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে আপুনি চাকৰিৰ সুদীৰ্ঘ সময়চোৱাত মহাবিদ্যালয়খনিত নিষ্ঠা সহকাৰে যি সেৱা আগবঢ়াই আহিছে, সেয়া মহাবিদ্যালয়খনৰ প্ৰতিজন কৰ্মচাৰীৰ বাবে আদৰ্শ আৰু অনুপ্ৰেৰণাৰ উৎস। স্মৰ্তব্য যে, প্ৰতিদিনে মহাবিদ্যালয়খনৰ ভিতৰে-বাহিৰে টাকুৰি ঘূৰাদি ঘূৰি ফুৰা, মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতে সকলোকে হাঁহিমুখে আপ্যায়ন কৰি ভালপোৱা সকলোৰে 'শৰ্মা'ৰ দায়িত্ববোধৰ যি উৎকৃষ্টতম দৃষ্টান্ত সেয়া মহাবিদ্যালয়ৰ প্ৰতিজন কৰ্মীৰ বাবে পাথেয় হওক।

আপোনাৰ দায়িত্ববোধৰ প্ৰতি সন্মান জনাই আমি ২০০৮-০৯ বৰ্ষ শিক্ষক গোটে প্ৰথম পদক্ষেপত আপোনাক 'নিষ্ঠাৱান কৰ্মী' বঁটাৰ বাবে মনোনীত কৰি এই সম্বৰ্দ্ধনা-পত্ৰ প্ৰদান কৰিলোঁ। এই পত্ৰদ্বাৰাই আপোনাৰ সুস্বাস্থ্য, দীৰ্ঘায়ু আৰু সুখময় ভবিষ্যতৰ বাবে শুভকামনা যাচিছোঁ।

(অমূল্য চন্দ্ৰ গোস্বামী)
সভাপতি

(ড° বন্তি কুকিন সোণোৱাল)
সম্পাদিকা

।। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰু মহাবিদ্যালয় গোট।।

সেইবাবে আমি ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৭-২০০৮ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে তেখেত দুজনলৈ হিয়াভৰা আন্তৰিক অভিনন্দন জনাইছোঁ। পৰিশেষত তেখেতসকলৰ সুস্বাস্থ্য, সুখ আৰু দীৰ্ঘায়ু কামনা কৰিলো।

বিতোপন সোণোৱাল
আলোচনী সম্পাদক

# অসমীয়া বিভাগ



চৰিত্ৰ গঠনত আদৰ্শৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। মহাশূন্যৰ ভ্ৰাম্যমান গ্ৰহ, নক্ষত্ৰ, সূৰ্য, হাতীপতি সকলো জ্যোতিষ্কৰ স্থিতিৰ অন্তৰালত কিবা নিয়ম আছে। সেই নিয়মৰ বশৱৰ্তী সকলো। নিয়ম আছে বাবে প্ৰকৃতি জগতৰ কোনো একো বিশৃংখল নাই। সকলোতে শৃংখলাৰ ৰাজত্ব। সেই নিয়ম অনুসৰি আকাশৰ ৰং চিৰদিনেই নীলা, সমুদ্ৰও নীলা। পৰিৱৰ্তনৰ অলেখ ইতিহাস লৈ পৰ্বত-পাহাৰবোৰ চিৰকাল স্থিত। পৃথিৱী ঘূৰ্ণীয়মান আৰু জগত পৰিৱৰ্তনশীল। সেই পৰিৱৰ্তনো নিৰ্দিষ্ট নিয়ম-নীতিৰ মাজেৰে সংঘটিত হয়। প্ৰকৃতিয়ে কোনো কাৰণত নিজৰ নীতি-নিয়ম উলংঘা নকৰে। মানুহে সত্য বুলি ঘোষণা কৰা বেছিভাগ কথাই অনুমান মাত্ৰ। সেই কাৰণে কোনো কথাতেই মানুহে চূড়ান্ত ৰায় দিব নাপায়। প্ৰকৃতি আৰু জীৱনেই হ'ল মানুহৰ আচল শিক্ষক। হাজাৰখন কিতাপতকৈ প্ৰকৃতিৰ পৰা পোৱা শিক্ষা বেছি কাৰ্যকৰী। শিক্ষাৰ উদ্দেশ্য হোৱা উচিত জীৱন আৰু প্ৰকৃতিক তাৰ প্ৰকৃত ৰূপত বুজিবলৈ আৰু সেই অনুসাৰে এটা ভাৱসাম্যযুক্ত জীৱন যাপন কৰিবলৈ মানুহক সহায় কৰা। কঠোৰ সংযম আৰু কষ্ট সাধন প্ৰকৃত সুখৰ পৰিপন্থী, মানুহ প্ৰকৃতিৰ সন্তান আৰু সন্তানৰ কিহত বেছি কল্যাণ হ'ব সেই কথা প্ৰকৃতিয়েই বেছি ভালকৈ জানে। গতিকে মানুহে প্ৰকৃতিৰ নিৰ্দেশ মানি জীৱনটো যাপন কৰিব লাগে। সকলো কথাতে মধ্যম পন্থাই সৰ্বোত্তম পন্থা।

— সংগ্ৰহ



অতিথি চৰা

# সেউজীয়া কবিতা

ড° কৰবী ডেকা হাজৰিকা

১

আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত
ৰুনজুন স্বপ্নৰ খোজ

২

চকুত আকাশ
বুকুত মৰু
পানীৰ মাজত
বুৰো বুৰো হৈ
মই তৃষ্ণাত মৰো।

৩

পাহাৰী নদীয়ে
শিলৰ বুকুত ভৰি থলে
পানীয়ে পিন্ধাই দিয়ে গানৰ জুনুকা



৪

কোনেও নেদেখা বৰষুণত
নিমাতে তিতিছিল
হাবিৰ মাজৰ ফুলবোৰ

৫

আকাশত মেঘ নাছিল
অথচ আমাৰ চুলি আৰু
চকু সেমেকি পৰিছিল
সেউজীয়া বৰষুণত। ❖

অ তি থি চৰা

# মহামানৱ বুদ্ধ

মূল বঙালীঃ ৰেজাউল কৰিম
অনুবাদঃ বৌউন্থন্ গগৈ,
ডিব্ৰুগড়

মানৱ সভ্যতাৰ বুৰঞ্জীৰ ফালে দৃষ্টিপাত কৰিলে চকুৰ আগত ভাহি উঠে মহামানৱ বুদ্ধৰ দিব্য মূৰ্তিজনা। তেওঁৰ মুখমণ্ডলত সৰগৰ আভা। কণ্ঠত তেওঁৰ শান্তিৰ বাণী। অন্তৰত তেওঁৰ সমস্ত জীৱৰ প্ৰতি অনুপম দয়া। বুৰঞ্জীৰ অগণন নৰ-নাৰীৰ মাজত এই উদাৰ, মহান আৰু বিৰাট মানুহজনক অনায়াসে চিনা যায়। তেওঁ গোটেই জীৱন জুৰি মানৱৰ মুক্তি আৰু নিৰ্বানৰ আমোঘবাণী প্ৰচাৰ কৰি ফুৰিছিল। বুদ্ধ মানৱ-বুৰঞ্জীত এক অতুলন দান। পাপে ভৰা ধৰাত তেওঁ আছিল শান্তি, প্ৰীতি আৰু আনন্দৰ অফুৰন্ত প্ৰসৱন। এই অনন্ত শান্তিৰ উৎসৰ পৰাই মানৱ কল্যাণৰ অমৃত-ধাৰা দিশে দিশে প্ৰৱাহিত হৈছে। বুদ্ধ কোনো দেশ বা জাতিৰ গণ্ডীত আৱদ্ধ নহয়; তেওঁ সমগ্ৰ মানৱজাতিৰ কল্যাণৰ আধাৰ।



বুৰঞ্জীত আৰু বহু মহামানৱৰ অমৰ অৱদানৰ কথা লিখা আছে; কিন্তু বুদ্ধই বহু দিশত সেইসকলৰ মাজত বিশিষ্টতা অৰ্জ্জন কৰিছে। বহু মহামানৱৰ শৈশৱ কঠোৰ দৰিদ্ৰতাৰ সৈতে সংগ্ৰাম কৰি অতিবাহিত হৈছে; কিন্তু বুদ্ধ আছিল ৰজাৰ নন্দন অধিৰাজকুমাৰ। ৰাজ্যৰ ভাৱী উত্তৰাধিকাৰী বুলি তেওঁ পৰম যত্ন আৰু আদৰত প্ৰতিপালিত হৈছিল; কিন্তু তেওঁ সেইবোৰ দুইহাতে আঁতৰাই ঠেলি দি ৰাজকাৰেঙৰ বাহিৰলৈ ওলাই গৈছিল- নিজৰ মুক্তিৰ বাবে নহয়, সমগ্ৰ মানৱজাতিৰ কল্যাণৰ বাবে ৰাজসম্পদ ত্যাগ কৰি ওলাই গৈছিল। আন মহামানৱসকলে বিচাৰিছিল পৃথিৱীত ঈশ্বৰৰ ৰাজত্ব প্ৰতিষ্ঠা কৰিবলৈ। তেওঁলোকে দেখিছিল যে, মানুহে ঈশ্বৰক ভুলভাৱে অধিষ্ঠিত কৰিছে। সেই ঈশ্বৰৰ সৈতে মানুহৰ সম্পৰ্ক স্থাপন কৰাতোৱেই আছিল তেওঁলোকৰ প্ৰধান ব্ৰত! কিন্তু বুদ্ধ আহিছিল সকলো জীৱৰ মঙ্গলৰ বাবে। ঈশ্বৰৰ বাণী মানুহৰ মাজত প্ৰচাৰ কৰিবলৈ নহয়; বৰং মানুহৰ মাজত মানৱ ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈহে মৰ্ত্যভূমিত বুদ্ধৰ শুভাগমন হৈছিল। "মই ঈশ্বৰৰ প্ৰেৰিত পুৰুষ" এই বুলি তেওঁ দাবী কৰা নাছিল। তেওঁ বিচাৰিছিল, মানৱ সমাজক সকলো প্ৰকাৰৰ দুখৰ পৰা উদ্ধাৰ কৰিবলৈ। তেওঁ সঁচাকৈয়েই মানৱ-ধৰ্ম প্ৰচাৰ আৰু প্ৰতিষ্ঠিত কৰিছে। তেওঁৰ নিচিনা মানৱদৰদী জগতত বেছি জন্ম গ্ৰহণ কৰা নাই। মানৱ মঙ্গল সাধন, এয়েই আছিল তেওঁৰ জীৱনৰ প্ৰধান ব্ৰত। তেওঁৰ ধৰ্ম সঁচাকৈয়ে মানৱ ধৰ্ম।

ধৰ্ম প্ৰচাৰ কৰিবলৈ বুদ্ধৰ কোনোদিন হেঙ্দাঙ্ ধাৰণ কৰিব লগা হোৱা নাছিল। তেওঁৰ বাণী " অহিংসা পৰম ধৰ্ম"। এই মহাবাণী যাৰ জীৱনৰ সাৰ-শিক্ষা, তেওঁৰ ওচৰত হেঙ্দাঙৰ শক্তি অকিঞ্চিৎকৰ। গতিকেই তেওঁ কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰিবলৈ বোধ কৰা নাছিল। অহিংসাৰ আদৰ্শক কোনোৱেও এইভাৱে দৈনন্দিন জীৱনত প্ৰয়োগ কৰা নাই। তেওঁৰ অৱলম্বিত পন্থাই যে, বিশ্বশান্তিৰ সপক্ষে উৎকৃষ্ট পন্থা তাক আজিৰ জগতে মৰ্মে-মৰ্মে উপলব্ধি কৰিছে। যীশুখ্ৰীষ্টৰ কেইবাশ বছৰৰ পূৰ্বত বুদ্ধই প্ৰথম বাস্তৱ জীৱনত অহিংসা আৰু প্ৰেমৰ আদৰ্শ প্ৰতিষ্ঠা কৰে। তেওঁৰ ভক্ত-অনুৰক্ত সকলে দিশে দিশে তেওঁৰ এই মহান বাণী প্ৰচাৰ কৰি জগতত শান্তি প্ৰতিষ্ঠাৰ পথক সহজ আৰু স্বচ্ছন্দ কৰি তোলে। যীশুখ্ৰীষ্টই যেতিয়া প্ৰেমৰ বাণী প্ৰচাৰ কৰে, তেতিয়া পেলেস্তাইন দেশত বুদ্ধৰ আদৰ্শৰ প্ৰভাৱ অসীম। গতিকে "Sermon on the Mount" বাণীত যে বুদ্ধৰ প্ৰভাৱ আছে, এই কথা অস্বীকাৰ কৰা নেযায়। পৰৱৰ্তী যুগত শ্ৰীচৈতন্য আৰু গান্ধীজী প্ৰমুখ মহামানৱসকলে যে, অহিংসা আৰু প্ৰেমৰ বাণী প্ৰচাৰ কৰিছে, তাৰো উৎস হৈছে বুদ্ধৰ বাণী। ইছলাম ধৰ্মৰ চুফীবাদীসকলৰ বহুলাংশই বুদ্ধৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈছিল, তাৰ প্ৰমাণ আছে। বৰ্তমান যুগত প্ৰচলিত বহু ধৰ্মৰ ওপৰত বুদ্ধৰ প্ৰভাৱ আছে। আজি জগতত যে বিশ্ব শান্তিৰ কথা উঠিছে তাৰ মূলতে আছে বৌদ্ধ প্ৰভাৱ। হত্যা কৰি নহয়, ধ্বংসৰ পথেৰে নহয়- প্ৰেম, প্ৰীতি আৰু অহিংসাৰ পথেৰেহে মানুহৰ মুক্তি বা নিৰ্বান, এই কথা বুদ্ধৰ ওচৰত বিশ্বমানৱে আকৌ নতুনকৈ শিকিব লাগিব।

বুদ্ধৰ দূৰদৃষ্টিলৈ ধন্যবাদ। আঢ়ৈ হেজাৰ বছৰৰ আগতে তেওঁ বিশ্বমানৱৰতথা সমগ্ৰ জীৱৰ কথা গভীৰভাৱে চিন্তা কৰিছিল। পৃথিৱীত বোধহয়, তেওঁৱেই প্ৰথম আন্তৰ্জাতিক মানুহ যিজনে দেশ আৰু জাতিৰ গণ্ডীৰ অতিক্ৰম কৰি সদৌ জগতৰ কথা ভাৱিছিল, ভাৰত দেশৰ সৈতে সদৌ বিশ্বৰ সংযোগ স্থাপনৰ কথা তেওঁৱেই প্ৰথম ভাৱিছিল। তেওঁ ভাৰত দেশৰ "নাদৰ ভেকুলী"ৰ সংকীৰ্ণতা ভাঙি পেলাইছিল আৰু ভাৰত দেশখনক বিশ্বৰ আগত দাঙি ধৰিছিল। কবিয়ে (ৰবীন্দ্ৰ নাথ ঠাকুৰ) কৈছেঃ " সন্তান যাৰ টিবত, চীন, জাপানেই গঢ়িল উপনিবেশ। " মাত্ৰ টিবত, চীন, জাপানেই নহয়, তৎকালীন জ্ঞাত সমগ্ৰ বিশ্বত বুদ্ধৰ প্ৰভাৱ বিস্তৃত হৈছিল। মিছৰ গ্ৰীচ, ৰোম, পাৰস্য, ৰাছিয়া প্ৰভৃতি দেশতো তেওঁৰ প্ৰভাৱ পৰিলক্ষিত হয়।

কি যে আছিল বুদ্ধৰ শিক্ষা, যি ইমান সহজে বিশ্বমানৱক আকৰ্ষণ কৰিছিল। তেওঁৰ শিক্ষাৰ মূল নীতি আছিল উদাৰতা। প্ৰথম জীৱনত তেওঁ নানা পথ লৈ সাধনা কৰিছিল; কিন্তু নিজৰ অভিজ্ঞতাৰ পৰাই বুজিলে যে, বাহ্যিক ক্ৰিয়া-কাণ্ড, আচাৰ-বিচাৰৰ মাত্ৰাধিক্যই সমস্ত পথকে পঙ্কিল কৰি তুলিছে। কেৱল বাদানুবাদ, তৰ্ক আৰু বিশৃঙ্খলতাই সাৰ(বস্তু) হৈছে। একদল লোকে "Abstract" চিন্তাতেই সমস্ত শক্তি নিয়োগ কৰিছে; বাস্তৱতাৰ দিশলৈ ক'তো কাৰোৱেই দৃষ্টি নাই। সন্মুখত গণ-মানৱ পৰি আছে, তেওঁলোকেই দেখোন জাগ্ৰত জীৱন্ত ভগৱান।



কিন্তু সেইফালে লক্ষ্য নাই- লক্ষ্য আছে কোনো এক অচিন্তনীয় অদৃশ্য অনাদি শক্তিৰ ওপৰত, ইয়াত কিন্তু বিশ্বৰ

কল্যাণ নাই। সন্মুখত এটা সুনিৰ্দিষ্ট বাস্তৱ বস্তু বিদ্যমান বিৰাটমান মানৱ। এওঁলোকৰেই কল্যাণ সকলোতকৈ আগধৰি কৰিব লাগিব। বুদ্ধই দেখিলে যে, প্ৰচলিত পন্থাত এওঁলোকৰ বাবে একোকে কৰিব পৰা নহ'ব। বহু চিন্তা আৰু ধ্যানৰ পাছত তেওঁ আৱিষ্কাৰ কৰিলে যে, সমগ্ৰ বিশ্ব এটা সুনিৰ্দিষ্ট আইন বা বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত। নানা পৰিৱৰ্তন আৰু বিৱৰ্তনৰ মাজত বিশ্বচক্ৰ অহৰহঃ ঘূৰি-মেলি আছে। ধীৰে ধীৰে বুদ্ধৰ মনৰ বিমূঢ়-বিবুদ্ধি কাটি গ'ল; আন্ধাৰ আঁতৰিল; তেওঁ বোধি বা জ্ঞান লাভ কৰিল। কপিলাবস্তুক সিদ্ধাৰ্থই "বুদ্ধ" বা আলোকিত মহামনৱৰূপে আত্মপ্ৰকাশ কৰিল।

তাৰ পিছত বুদ্ধই প্ৰচাৰ কাৰ্য্যত লাগিল। সমস্ত প্ৰকাৰৰ দ্বন্দ্ব, দ্বেষ, কলুষ, কালিমা দূৰ কৰি জীৱনকেই পৱিত্ৰ, মহান আৰু সুন্দৰ কৰি যে তুলিব লাগিব-এইটোৱেই হ'ল তেওঁৰ প্ৰধান কথা। তেওঁ শিষ্যসকলক উপদেশ দিলে ঃ নিজৰ মুক্তিৰ কথা চিন্তা কৰাৰ আগতে সকলো মানুহৰ কল্যাণৰ বাবে জীৱন উৎসৰ্গ কৰিব লাগিব। তেওঁ মানুহক কোনো "Creed" শিক্ষা দিয়া নাছিল। তেওঁ সকলো সময়ত যুক্তিৰ আশ্ৰয় ল'বলৈ উপদেশ দিছিল। বুদ্ধৰ সমস্ত দৃষ্টিভঙ্গী আছিল যুক্তিপূৰ্ণ। আৰু এই যুক্তিৰ বলতেই তেওঁ মানুহক আকৃষ্ট কৰিছে। তেওঁ কয় যে, ভক্তিৰ ভক্তি হ'ব লাগে সত্য, আৰু যুক্তিৰ বাহিৰে সত্যৰ প্ৰতিষ্ঠা নহয়। বুদ্ধৰ মতে, "ব্ৰহ্ম বিহাৰ"ৰ অৰ্থ এই নহয় যে, সাধক মানৱ-সমাজৰ পৰাই বিছিন্ন হৈ থাকিব লাগিব। বৰং "ব্ৰহ্ম বিহাৰ"ৰ অৰ্থ এইয়ে যে, সাধক এনেকুৱা এটা মহৎ চিন্তাৰ মাজত নিমজ্জিত থাকিব লাগিব, যাৰ ফলত সমগ্ৰ হৃদয়ৰ পৰাই হিংসা দূৰ হৈ যায় আৰু প্ৰেমৰ দ্বাৰা পূৰ্ণ হয়। বুদ্ধই তেওঁৰ শিষ্য সকললৈ কৈছিলঃ বিনা প্ৰমাণে একোকেই গ্ৰহণ নকৰিবা, শাস্ত্ৰীয় পুথি নহয়, ঐতিহ্যও নহয়,আনকি তেওঁৰ (বুদ্ধৰ) নিজৰ নামৰ দোহাই দিও তেওঁলোকে যাতে পৰিচালিত নহয়। গোপন সত্য বুলি তেওঁ কোনো বস্তুৰ অস্তিত্ব স্বীকাৰ নকৰে। তেওঁ কয় যে, আমাৰ মনৰ মাজত যে বিবেক আছে, সেইটোৱেই হৈছে চৰম পথ-প্ৰদৰ্শক। তেওঁ ধৰ্ম বিষয়েও স্বাধীন চিন্তাক সমৰ্থন কৰে। এই দিশত বুদ্ধ আধুনিক যুগৰ পূৰ্বগামী। অনুদাৰতা বা উদাৰতাহীনতাক তেওঁ ধৰ্মৰ প্ৰধান শত্ৰু বুলি ভাৱে। ধৰ্ম বিষয়ত ব্যক্তিগত মতৰ স্বাধীনতা পাশ্চাত্য জগতত বহুদিন ধৰি স্বীকাৰ কৰা নাই। ধৰ্মৰ নামত তাত যে ক'ত উৎপীড়ন! বুদ্ধই আঢ়ৈ হেজাৰ বছৰৰ আগতেই ধৰ্ম বিষয়ত পৰিপূৰ্ণ স্বাধীনতাৰ অধিকাৰ ঘোষণা কৰি গৈছে। গতিকে এইটো কোৱা যাব পাৰে যে, আঢ়ৈ হেজাৰ বছৰৰ আগতে জন্ম হ'লেও বুদ্ধ মনে-প্ৰাণে একেবাৰেই আধুনিক আছিল। তেওঁ সমস্ত মতবাদক ধৈৰ্য্য সহকাৰে বিবেচনা কৰিবলৈ উপদেশ দিছে। তেওঁৰ সন্মুখত কোনোৱে আনৰ ধৰ্ম নিন্দা অথবা অযৌক্তিক সমালোচনা কৰিলে সেইজনক থমকাই দিয়ে। তেওঁ পৰম উদাৰতাৰে সকলো মতবাদৰ প্ৰতি সহৃদয়তাপূৰ্ণ ব্যৱহাৰ কৰে। বিৰুদ্ধ মতবাদক শান্ত-বিশ্বাস, ধীৰ-ব্যৱহাৰেৰে খণ্ডণ কৰে। কেতিয়াও খং বা নিন্দা কৰি বিৰোধীক আক্ৰমণ কৰা নাই। মুঠতে তেওঁ সকলো ক্ষেত্ৰতে এটা উদাৰ মনোভাৱ আৰু ইয়াৰ ব্যৱহাৰৰ অভ্যাস সৃষ্টি কৰাত সহায় কৰিছে। চক্ৰেটিছ বা যীশুখ্ৰীষ্টই সেই উদাৰ মনোভাৱ বা ইয়াৰ অভ্যাস সৃষ্টি কৰিব নোৱাৰাৰ বাবে দেশবাসীৰ হাততেই নিহত হৈছিল। কিন্তু বুদ্ধই এনেকুৱা এটা আবহাওয়া বা বাতাবৰণ সৃষ্টি কৰিছিল যে তেওঁৰ বিৰুদ্ধবাদী সকলেও ভক্তিভাৱে তেওঁৰ ওচৰত মূৰ দোঁৱাইছিল।

*আঢ়ৈ হেজাৰ বছৰ ধৰি বুদ্ধৰ প্ৰভাৱ পৃথিৱীময় ব্যাপ্ত হৈ পৰিছে। পৃথিৱীত ক'ত পৰিবৰ্তন আৰু বিৱৰ্তন হৈ গ'ল, কিন্তু তথাপিও বুদ্ধৰ শিক্ষা আজিও অচল হোৱা নাই। আজি এই 'ৰণ' উন্মত্ত পৃথিৱীৰ মানুহ আকৌ বুদ্ধৰ পথকেই অৱলম্বন কৰিবলৈ সচেষ্ট হৈছে। গান্ধীজীৰ অহিংসা-মন্ত্ৰ, সৰ্বোদয়-পৰিকল্পনা, বিনোৱাজীৰ ভূ-দান যজ্ঞ, এইবিলাক বুদ্ধৰেই পন্থা। ডাঙৰ ডাঙৰ ৰাষ্ট্ৰই নিৰস্ত্ৰীকৰণৰ চেষ্টা কৰিছে।*

আঢ়ৈ হেজাৰ বছৰ ধৰি বুদ্ধৰ প্ৰভাৱ পৃথিৱীময় ব্যাপ্ত হৈ পৰিছে। পৃথিৱীত ক'ত পৰিবৰ্তন আৰু বিৱৰ্তন হৈ গ'ল, কিন্তু তথাপিও বুদ্ধৰ শিক্ষা আজিও অচল হোৱা নাই। আজি এই 'ৰণ' উন্মত্ত পৃথিৱীৰ মানুহ আকৌ বুদ্ধৰ পথকেই অৱলম্বন কৰিবলৈ সচেষ্ট হৈছে। গান্ধীজীৰ অহিংসা-মন্ত্ৰ, সৰ্বোদয়-পৰিকল্পনা, বিনোৱাজীৰ ভূ-দান যজ্ঞ, এইবিলাক বুদ্ধৰেই পন্থা। ডাঙৰ ডাঙৰ ৰাষ্ট্ৰই নিৰস্ত্ৰীকৰণৰ চেষ্টা কৰিছে। বহু মানৱ-হিতৈষী নেতাৰ কণ্ঠত বিশ্বশান্তিৰ কথা উচ্চাৰিত হৈছে; এই সকলোৱেই বুদ্ধৰ পন্থাৰ প্ৰতি আগ্ৰহৰ বাহিৰে আন একো নহয়। আঢ়ৈ হেজাৰ বছৰৰ আগেয়ে বুদ্ধই যি অহিংসাৰ মন্ত্ৰ মানুহক দান কৰিছিল, আজি, আন একোৱে নহয়, একমাত্ৰ সেই অহিংসাৰ মন্ত্ৰেৰেহে মানুহক আসন্ন ধ্বংসৰ পৰা উদ্ধাৰ কৰিব পাৰে। ❖ ❖





# মোৰ সোঁৰৰণি-কুকিত সজীৱিত 'জীৱনৰ আদি পাঠ'





ড° বন্তি ফুকন সোণোৱাল
অধ্যাপিকা, বুৰঞ্জী বিভাগ
ডিব্ৰু মহাবিদ্যালয়

*এটা শিশুৱে আনুষ্ঠানিক শিক্ষাৰ বাবে প্ৰথমটি খোজ দিয়ে প্ৰাথমিক বিদ্যালয়ত। ইয়েই হয়গৈ জীৱনৰ আদি পাঠৰ আখৰা ঘৰ। সেয়ে হয়তো প্ৰতিজন শিকাৰুৰ বাবে প্ৰাথমিক বিদ্যালয়খন হৈ পৰে অতি মৰমৰ। সেই সুত্ৰে ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনীৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰিবলৈকে মোৰ জীৱন গঢ়োতা মৰমৰ প্ৰাথমিক বিদ্যালয়খনিৰ বিষয়ে সংক্ষিপ্তভাৱে আলোচনাৰ বিষয়বস্তু হিচাপে দাঙি ধৰাৰ প্ৰয়াস কৰিছো।*

*(১) মোৰ জন্মভূমি টিংখাংৰ অন্তৰ্গত এখনি অকণমানি ভিতৰুৱা গাঁৱত, নাম কদমণি। এই গাঁওখনিৰ পৰা আৰু ভিতৰলৈ প্ৰায় ২ কিঃমিঃ দূৰত্বত অৱস্থিত শালমাৰী এম.ভি স্কুলতে মোৰ শিক্ষাৰ প্ৰাৰম্ভ হৈছিল। স্কুলখনৰ সন্মুখত এখন আহল-বহল ধুনীয়া সেউজীয়া খেলপথাৰ আৰু তাৰ কাষেদি বৈ গৈছিল এখনি জান 'বৰজান'।*

(২) পুৱা ৯.১৫ মিনিট হোৱাৰ লগে লগে বিদ্যালয় অভিমুখে দৌৰিছিলো। কিতাপ-পত্ৰবোৰ ডেস্কত ৰাখিয়েই শ্ৰেণীকোঠা চাফাই কৰিছিলো আৰু টিউৱেললৈ গৈ ভৰি-হাত ধুই প্ৰাৰ্থনা সভাত যোগদান কৰিছিলো। তত্বাৱধায়ক শিক্ষকে আমাক শাৰী শাৰীকৈ থিয় কৰাইছিল। এক সুন্দৰ পৰিৱেশৰ মাজত আমি প্ৰাৰ্থনা সভাত ৰঘুপতি ৰাঘৱ ৰাজা ৰাম, তুমি চিত্ত বৃত্তি মোৰ, মুক্তিত নিস্পৃহ ইত্যাদি গাইছিলো।

(৩) প্ৰাৰ্থনা কৰাৰ পাছতে পাঠদান পৰ্ব আৰম্ভ হৈছিল1 প্ৰতিজন শিক্ষকে 'চেকণিৰ আগত বিদ্যা' বুলিয়ে হাতত এডাল বেত (বেত্ৰাঘাত কৰক বা নকৰক) লৈ শ্ৰেণীকোঠাত পাঠদান কৰিছিল। এনেদৰে ইটোৰ পিছত সিটোকৈ শ্ৰেণীসমূহ চলিবলৈ ধৰে।

(৪) চাৰি পিৰিয়দৰ পাছতে পানীখোৱা ছুটী হয়; আজিৰ ৰিক্ৰিয়েছন, লেইজাৰ টাইমৰ দৰেই। কিন্তু তাহানিতে আজিৰ দৰে টিফিন খোৱাৰ ব্যৱস্থা নাছিল। পানীখোৱা ছুটীত সাধাৰণতে আমি স্কুলৰ আশে পাশে থকা মানুহৰ বাৰীত থকা টকৌতামোল, পনিয়ল, কমলা, আমলখি, পকা আম, শিলিখা বিচাৰি ফুৰিছিলো আৰু কঢ়িয়াই আনিব পৰাবোৰ পেন্টৰ কোঁচনী অথবা ফ্ৰকৰ জেপত ভৰাই আনিছিলো। কেতিয়াবা আকৌ ওচৰৰ দোকানলৈ গৈ কেঞ্জাবগৰী, ডালমুট খাইছিলো। তাৰ পাছত হেঁপাহ পলুৱাই টিউৱেলৰ পানী খাইছিলো। তদুপৰি এই সময়ছোৱাতে কুট্‌কুট্, ছয় গুডু আৰু হেতালিও খেলিছিলো। বাহ! কি যে মিঠা মিঠা লগা সোঁৱৰণি। ভাৱ হৈছিল দেওবাৰ দিনটো কিয়নো বন্ধ দিব লাগে??

(৫) নেতৃত্বসুলভ গুণ মানুহৰ এক অতি দৰকাৰী গুণ। কেতিয়াবা দেখা যায়, নেতৃত্বৰ দক্ষতাৰ অভাৱত কিছুমান গুণী-জ্ঞানী লোকে উচ্চপদবীত অধিষ্ঠিত হৈয়ো কৰ্মক্ষেত্ৰত সফলতা নাপায়। এনে ক্ষেত্ৰত আনুষ্ঠানিক শিক্ষানুষ্ঠানে বহু উপকাৰ সাধিব পাৰে। এনেধৰণৰ শিক্ষাও আমি প্ৰাথমিক বিদ্যালয়ত পাইছিলো। উল্লেখনীয় যে, তাহানিৰ অন্যান্য বিদ্যালয়সমূহৰ দৰে আমাৰ বিদ্যালয়খনি সুপৰিচালনাৰ বাবে এখন মন্ত্ৰী পৰিষদ আছিল। এই পৰিষদক নেতৃত্ব দিছিল এজন অধ্যক্ষই (অধ্যক্ষজন বিদ্যালয়ৰ যিকোনো এজন শিক্ষকক নিৰ্বাচিত কৰে)। পৰিষদত ঘাইকৈ প্ৰধানমন্ত্ৰী, কৃষিমন্ত্ৰী, চাফাইমন্ত্ৰী, কৃষ্টি মন্ত্ৰী, ক্ৰীড়ামন্ত্ৰী আৰু বৰ্গমন্ত্ৰীসমূহ থাকে। প্ৰত্যেকজন মন্ত্ৰীকে একোটাকৈ দায়িত্ব ন্যস্ত কৰা হৈছিল। অধ্যক্ষৰ পাছতে থাকে প্ৰধানমন্ত্ৰী আৰু সবাৰো ওপৰে থকা প্ৰধানমন্ত্ৰীজনে অন্য মন্ত্ৰীসবৰ কাম-কাজ নিৰীক্ষণ কৰিব লাগে। প্ৰতিটো শ্ৰেণীতে একোজনকৈ বৰ্গমন্ত্ৰী থাকে আৰু বৰ্গমন্ত্ৰীয়ে শ্ৰেণীকোঠাটো পৰিস্কাৰ কৰি ৰখা, খিৰিকিসমূহ খোলা ৰখা, ডেস্ক-বেঞ্চসমূহ থিক-থাক ৰখা আদি কামৰ তদাৰক কৰিব লাগিছিল। চাফাই মন্ত্ৰীয়ে বিদ্যালয়ৰ চৌহদ, শ্ৰেণীকোঠা ইত্যাদি ঠিক ৰখাৰ কামসমূহ নিৰীক্ষণ কৰিব লাগিছিল। কৃষ্টিমন্ত্ৰীয়ে প্ৰতিদিনৰ সামূহিক প্ৰাৰ্থনা সুকলমে সম্পন্ন কৰা, কেতিয়াবা নিজেও প্ৰাৰ্থনা লগোৱা বা অন্য ছাত্ৰ-ছাত্ৰীক প্ৰাৰ্থনা লগোৱাৰ দায়িত্ব দিয়া ইত্যাদি কাম কৰিব লাগিছিল। তদুপৰি বিদ্যালয়ত পতা সৰস্বতী পূজা, শংকৰদেৱৰ তিথি আদি অনুষ্ঠানবোৰত পূৰ্ণ উদ্যমে আগভাগ ল'ব লাগিছিল। অন্যহাতে কৃষিমন্ত্ৰীয়ে ফুলনিত ফুল-ফল ৰোপণ কৰা, গছ-বন পানী দিয়া আদি কামৰ তদাৰকী কৰিছিল। একেদৰে ক্ৰীড়ামন্ত্ৰীয়ে স্কুলৰ খেল-ধেমালি অনুষ্ঠানৰ আয়োজন কৰিছিল। বিশেষকৈ এই মন্ত্ৰীপৰিষদ মাহিলী এবাৰ একত্ৰিত হৈছিল আৰু তাতেই সকলো কাম কাজৰ খতিয়ান অধ্যক্ষৰ আগত দাঙি ধৰিছিল। এইদৰে বিদ্যালয়খনত মন্ত্ৰীপৰিষদৰ অধীনত সকলো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ বাবে কাম কৰিছিল। এইয়া সঁচাকৈয়ে শ্ৰমবিভাজনৰ একোটিহঁত উৎকৃষ্টতম নমুনা।

(৬) আমাৰ বিদ্যালয়ৰ শেষ পিৰিয়ডটোৰেই আছিল চাফাই পিৰিয়ড। এই পিৰিয়ডটোত আমি সকলোৱে ফিল্ডত বনগুটি গুচোৱা, ফুলনিত ফুল ৰোৱা আৰু চাফাই কৰা ইত্যাদি আটাইবোৰ কাম অতি নিয়াৰিকৈ কৰিছিলো। উল্লেখনীয় যে,চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীক চিলাই কাম, পাচি-খৰাহী, বিচনী সজা আদি কামো বিদ্যালয়ত শিকাইছিল। এনেদৰে আমি

> আমাৰ শিক্ষকসকল বৰ নিষ্ঠাবান আৰু বৰেণ্য ব্যক্তি আছিল। তেওঁলোকে প্ৰধানকৈ হাতৰ আখৰৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিছিল। "Good handwriting is a necessary part of educaticn"বোলা গান্ধীৰ কথাষাৰ প্ৰতি মুহূৰ্ততে উপলব্ধি কৰোৱাইছিল।





বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অতি আনন্দেৰে পাঠ্যপুথিৰ লগতে ব্যৱহাৰিক শিক্ষাও গ্ৰহণ কৰিছিলো; যেন আমিবোৰ আহোমযুগৰ একো একোজন পাইক (Labour-cum-soilder)।

(৭) আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে আমাৰ শিক্ষকসকল বৰ নিষ্ঠাবান আৰু বৰেণ্য ব্যক্তি আছিল। তেওঁলোকে প্ৰধানকৈ হাতৰ আখৰৰ প্ৰতি বিশেষভাৱে গুৰুত্ব দিছিল। "Good handwriting is a necessary part of education"বোলা গান্ধীৰ কথাষাৰ প্ৰতি মুহূৰ্ততে উপলব্ধি কৰোৱাইছিল। ইয়াৰ উপৰি মৌখিক অংকৰ দ্বাৰা মুখতে ডাঙৰ সংখ্যাৰ অংকবোৰ কৰিব পৰাত পাৰ্গত কৰি তুলিছিল। গছৰ তলত সুৰ আৰোপ কৰি নেওঁতা পঢ়ুৱাই কম সময়ৰ ভিতৰতে নভবা নিচিন্তাকৈ নেওঁতাৰ পাঠ সলসলীয়া কৰি কণ্ঠস্থ কৰোৱাইছিল। সঁচা অৰ্থত সেইসকল শিক্ষক দেৱতুল্য আছিল, একপ্ৰকাৰ আমাৰ পূজ্য আদৰ্শ ব্যক্তি। এই সুযোগতে পদ্যময় ভাৱনাৰে আমাৰ বিদ্যালয়ৰ শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছো—

মনত পৰে আজিও
জীৱন যুঁজৰ আদি পাঠ
ভৰ্ত্তি মাচুলৰ এযুৰি তামোল পাণ আৰু এটকা
ঘোকোট গাঁৱৰ মোৰ সেউজ শালমাৰী বিদ্যালয়'
মনত পৰে আজিও
ধুতি-পাঞ্জাৱীৰে সুন্দৰ সাজৰ হীৰেণ চেতিয়া চাৰ
সব্যসাচীৰ দৰে লেখিছিল
সোণসেৰীয়া মুকুতা আখৰ
ভুৱন গগৈ চাৰ যেন এক যন্ত্ৰমানৱ
কাম, কাম মাথো কাম
নিজৰ ঘৰৰ দৰেই সজাইছিল
আমাৰ মৰমৰ বিদ্যালয়খন।
মনত পৰে আজিও
তাশ্বিনী শইকীয়া চাৰৰ বেতৰ কোব
একেবাৰতে শিকাইছিল নেওঁতাৰ পাঠ
'চেকুনিৰ আগত বিদ্যা' বুলি
প্ৰতিজনে প্ৰতিনিয়ত
প্ৰাণ ঢালি পঢ়ুৱাইছিল বিদ্যালয়ৰ পাঠ
মনত পৰে আজিও
লগ পালে পথৰ দাঁতিত গুৰুজন
জপাই থওঁ ছাতি বৰ ভক্তিৰে
ল'ৰাহঁতেও ঠেলি যায় চাইকেল
কিমান যে মধুৰতম সেই জীৱন!
আজিও অংকিত আছে গুৰুজনৰ ছবি হৃদয়ত
ৰাখিছো যতনাই হৃদয় সীৰলুত সিঁচা
গুৰুজনৰ আদৰ্শ বীজ।

এনেদৰেই প্ৰাথমিক বিদ্যালয়ত আমি এক সুখময় জীৱন অতিবাহিত কৰিছিলো। আমাৰ বাবে বিদ্যালয়ৰ পাঠ্যপুথিবোৰ আজিৰ দৰে বোজাসদৃশ নাছিল। পাঠ্যপুথি সমূহত সাধাৰণভাৱে প্ৰতিটো দৰকাৰী বিষয়বস্তুহে সন্নিৱিষ্ট আছিল। সেয়েহে আজিৰ প্ৰেক্ষাপটত অনুভৱ কৰিছো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ লগতে যুগৰ আহ্বানে সাম্প্ৰতিক সকলো ক্ষেত্ৰতে আমূল পৰিৱৰ্তন ঘটাইছে। আজিৰ ছাত্ৰ-ছাত্ৰী আমাতকৈ অধিক মেধাৱী আৰু বুদ্ধিসম্পন্ন হৈছে আৰু সকলোতে আগৰণুৱা হৈছে। গতিকে আমাৰ প্ৰজন্মক পাঠ্যপুথিৰ বিদ্যাৰ অৰ্জনৰ লগে লগে আত্মসহায়ৰ বাবে কৰ্মশীল কৰি তুলিব লাগে। এইক্ষেত্ৰত সকলো শিক্ষকে, অভিভাৱক আৰু জ্যেষ্ঠজনে আমাৰ প্ৰজন্মক প্ৰতিটো বিষয়ৰ জ্ঞান-বিজ্ঞানসন্মতভাৱে আহৰণ কৰিবলৈ, প্ৰতিটো জাগতিক দিশ বিশ্লেষণাত্মকভাৱে ফঁহিয়াই চাবলৈ অনুপ্ৰাণিত কৰিব লাগিব। ইয়াৰ উপৰি তেওঁলোকক পৰিবেশৰ জ্ঞান অৰ্জন কৰিবলৈও শিকাব লাগিব। তেহে বিজ্ঞানে আমাৰ প্ৰজন্মক এক নতুন দিগন্তলৈ লৈ যাব য'ত যান্ত্ৰিকতাৰ মাজতো তেওঁলোক সকলোৱে মানুহে মানুহৰ বাবে জীৱন জীৱলে শিকিব। এয়াই আমাৰ সকলোৰে কাম্য। ❖

# খনিজ সম্পদ

ড° দিলীপ কলিতা
প্ৰৱক্তা, উদ্ভিদ বিজ্ঞান বিভাগ

যিবোৰ সম্পদ পৃথিৱীৰ বুকুৰ পৰা অৰ্থাৎ ভূগৰ্ভৰ পৰা আহৰণ কৰা হয় সিহঁতক খনিজ সম্পদ বোলে। যিহেতু ইহঁতকো প্ৰকৃতিৰ পৰাই আহৰণ কৰা হয় সেয়েহে ইহঁত প্ৰাকৃতিক সম্পদৰ অৰ্ন্তভূক্ত। খনিজ সম্পদসমূহ নৱীকৰণ কৰিব নোৱাৰা প্ৰাকৃতিক সম্পদ। কোনো কোনো পণ্ডিতে প্ৰকৃতিৰ বুকুৰ পৰা আহৰণ কৰা কেৱল অজৈৱ সম্পদ সমূহকহে খনিজ সম্পদৰ ভিতৰত ৰাখিব বিচাৰিছে। তেখেত সকলে খনিজাত হ'লেও কয়লা, পেট্ৰোলিয়াম আদি জৈৱিক পদাৰ্থসমূহক খনিজ সম্পদৰ ভিতৰত ৰাখিব বিচৰা নাই। আনহাতে আন এদল পণ্ডিতে ভূগৰ্ভৰ পৰা আহৰণ কৰা জৈৱিক আৰু অজৈৱিক দুয়োবিধ পদাৰ্থ খনিজ সম্পদৰ ভিতৰত অৰ্ন্তভূক্ত কৰিছে। যিহেতু এই সম্পদসমূহো খনিজাত গতিকে ইহঁতক খনিজ সম্পদৰ ভিতৰত নৰখাৰ কোনো যুক্তি-যুক্ততা নাই। এই জৈৱিক খনিজ সম্পদ সমূহৰ পৰা শক্তি আহৰণ কৰা হয় বাবে ইহঁতক শক্তি সম্পদো বোলে। এই খনিজাত শক্তি সম্পদসমূহৰ বিষয়ে এই প্ৰৱন্ধ লেখকে 'ডিব্ৰুয়ান'ৰ ইয়াৰ আগৰ সংখ্যাত প্ৰকাশ হোৱা শক্তি সম্পদ নামৰ প্ৰৱন্ধটোত আলোচনা কৰি অহা হেতু এই প্ৰৱন্ধত অজৈৱিক খনিজ সম্পদসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। খনিজ সম্পদসমূহ নৱীকৰণ কৰিব নোৱাৰা প্ৰকৃতিক সম্পদ। অৰ্থাৎ এবাৰ ইহঁত প্ৰকৃতিৰ বুকুৰ পৰা নিঃশেষ হৈ গ'লে ইহঁতক পুনৰ উদ্ধাৰ কৰাটো অসম্ভৱ। আকৰ হ'ল এনে এটা উপাদান য'ৰ পৰা খনিজ সম্পদসমূহ লাভজনক ভাৱে আহৰণ কৰিব পৰা যায়। যি শিলাৰ দেহত আকৰ থাকে তাক আকৰৰ পোষক বা আশ্ৰয় দাতা বুলি কোৱা হয়। কোনো আকৰত যিমান খনিজ পদাৰ্থ পোৱা যায় তাক সম্পদ বোলা হয়। পৃথিৱীৰ খোলাত প্ৰায় দুহেজাৰ বিধমান খনিজ পদাৰ্থ থাকিলেও তাৰে মাত্ৰ পঁয়ত্ৰিশ (৩৫) বিধ মান অজৈৱ খনিজাত পদাৰ্থহে ভাৰতবৰ্যত পোৱা যায়। তাৰ ভিতৰত এলুমিনিয়াম, লো, মেংগানিজ, ক্ৰমিয়াম, চূণশিল, ডল'মাইট, মাইকা আদিয়েই প্ৰধান। সীহ, কপাৰ ফটফেট, পটাচিয়াম, নিকেল সোণ, ৰূপ আদি খুব কম পৰিমাণে আমাৰ দেশত পোৱা যায়

**খনিজ সম্পদৰ শ্ৰেণী বিভাজন ঃ** ৰাসায়নিক গঠনৰ ওপৰত ভিত্তি কৰি খনিজ সম্পদসমূহক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে; ধাতৱীয় খনিজ পদাৰ্থ, অধাতৱীয় খনিজ পদাৰ্থ আৰু জৈৱিক ইন্ধন।

**ক) ধাতৱীয় খনিজ সম্পদ** (Metallic mineral Resources) ঃ বিভিন্ন প্ৰকাৰৰ ধাতু যেনে লো, মেংগানিজ, কবাল্ট, নিকেল মলিবডেনাম, টাংষ্টেন, সীহ আদি এই শ্ৰেণীৰ ভিতৰত পৰে। ধাতৱীয় খনিজ পদাৰ্থ সমূহৰ প্ৰথমে আকৰবোৰ খান্দি উলিওৱা হয় আৰু এই আকৰসমূহৰ পৰা বিশুদ্ধ ধাতু ৰাসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰা আহৰণ কৰা হয়।

**খ) অধাতৱীয় ঃ** ইহঁত অধাতু অজৈৱিক খনিজ সম্পদ। এই শ্ৰেণীৰ খনিজ পদাৰ্থবোৰ সাধাৰণতে প্ৰকৃতিত থকা অৱস্থাতে ব্যৱহাৰ কৰা হয়। চূণশিল, ডল'মাইট, জিপছাম, মেগনেচাইত এই শ্ৰেণীৰ ভিতৰত পৰে। মাটিত থকা নাইট্ৰজেন, ফছফৰাছ জাতীয় সাৰ সমূহ, বাসগৃহ নিৰ্মাণ কৰিবৰ বাবে ব্যৱহাৰ কৰা শিল, বালি, পাথৰ আদিও অধাতৱীয় খনিজ সম্পদৰ ভিতৰত পৰে।

**গ) জৈৱিক ইন্ধন ঃ** শক্তি সম্পদৰ ভিতৰত অন্তভূক্ত হোৱা কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ আদি এই শ্ৰেণীৰ ভিতৰত পৰে।

**খনিজ সম্পদৰ গুৰুত্ব ঃ** এখন দেশৰ অৰ্থনৈতিক বিকাশত খনিজ সম্পদৰ গুৰুত্ব অপৰিসীম। শিল্প উদ্যোগ, চিকিৎসা, কৃষিকাৰ্য্য, গৃহ নিৰ্মাণ আদি বিভিন্ন ক্ষেত্ৰত খনিজ সম্পদ নহ'লে আমি এখোজো আগুৱাই যাব নোৱাৰো। সাধাৰণতে প্ৰায়বোৰ খনিজ সম্পদৰে একাধিক ব্যৱহাৰ দেখা যায়। তলত ইহঁতৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰা হ'ল —

**১) ইন্ধন হিচাপেঃ** কয়লা, খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ ভাত ৰন্ধা, যান বাহন চলোৱা, শিল্প উদ্যোগত যন্ত্ৰপাতি চলোৱাৰ বাবে ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়।





**২) বৈদ্যুতিক সা-সৰঞ্জাম প্ৰস্তুত কৰণতঃ** তাম এলুমিনিয়াম আদিক বৈদ্যুতিক সা-সৰঞ্জাম প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

**৩) যান বাহন, যন্ত্ৰপাতি প্ৰস্তুতকৰণতঃ** লো, তাম, সোণ, ৰূপ, এলুমিনিয়াম আদিক যান বাহন আৰু বিভিন্ন যন্ত্ৰপাতি প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

**৪) কৃষি কাৰ্যত ঃ** জিমচাম, ফচফেট শিলা আদিক সাৰ প্ৰস্তুত কৰণত লোক কৃষি কাৰ্য্যৰ সা-সজুঁলি, যন্ত্ৰপাতি প্ৰস্তুত কৰিবৰ বাবে প্ৰাচীন কালৰ পৰাই ব্যৱহাৰ কৰি অহা হৈছে।

**৫) অলংকাৰ প্ৰস্তুত কৰণত ঃ** সোণ, ৰূপ, তাম আদিক বিভিন্ন প্ৰকাৰৰ অলংকাৰ প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

**৬) ঘৰুৱা সা-সৰঞ্জাম প্ৰস্তুত কৰিবৰ বাবেঃ** লো, তাম আদিক বিভিন্ন প্ৰকাৰৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সা-সৰঞ্জাম প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

**৭) যোগাযোগ ব্যৱস্থাত ঃ** বিভিন্ন খনিজাত পদাৰ্থ যেনে লো, এলুমিনিয়াম, কবাল্ট, তাম আদি টেলিফোনৰ তাঁৰ, খুটা আদি প্ৰস্তুত কৰণৰ ব্যৱহাত হয়।

**৮) শক্তি উৎপাদনতঃ** খনিজাত দ্ৰব্য যেনে কয়লাৰ পৰা বিদ্যুৎ উৎপাদন কৰা হয়। ইউৰেনিয়াম, থৰিয়াম আদিৰ পৰা পাৰমাণৱিক শক্তি উৎপাদন কৰা হয়।

**৯) প্ৰতিৰক্ষা ব্যৱস্থাত ঃ** ইউৰেনিয়াম, লো, প্লেটিনাম, ক'বাল্ট, ক্ৰমিয়াম আদিক প্ৰতিৰক্ষাৰ সা-সজুঁলি প্ৰস্তুত কৰাত ব্যৱহাৰ কৰা হয়।

**১০) গৃহ নিৰ্মাণ সামগ্ৰী ঃ** বিভিন্ন প্ৰকাৰৰ গৃহ-নিমাৰ্ণ সামগ্ৰী যেন ৰ'ড, তাঁৰ, গজাল আদি প্ৰস্তুত কৰিবৰ বাবে লো, তাম, এলুমিনিয়াম আদি ব্যৱহৃত হোৱাৰ উপৰিও বালি, পাথৰ আদি গৃহ নিৰ্মাণৰ বাবে অপৰিহাৰ্য্য।

**১১) চিকিৎসা সেৱাত ঃ** চিকিৎসা সেৱাত বিশেষকৈ আয়ুৰ্বেদিক ব্যৱস্থাত বিভিন্ন অজৈৱ খনিজাত দ্ৰব্য সমূহ ব্যৱহৃত হয়। ইউৰেনিয়াম, থৰিয়াম আদিক কেন্সাৰ ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়।

**খনিজ সম্পদ সমূহৰ আহৰণ আৰু পৰিবেশৰ ওপৰত ইয়াৰ প্ৰভাৱঃ** খনিজ সম্পদৰ আহৰণ আৰু বৰহাৰৰ ফলত পৰিবেশৰ ওপৰত বহুতো কু-প্ৰভাৱ পৰে। তদুপৰি খনিজ সম্পদ সমূহ নৱীকৰণ কৰিব নোৱাৰা প্ৰাকৃতিক সম্পদ। ইহঁতৰ উৎসও সীমিত। বৰ্তমানৰ দৰে ব্যৱহাৰ কৰি থাকিলে বহুতো খনিজ পদাৰ্থ এই শতিকাৰ ভিতৰতে বিলুপ্ত হ'ব। সেয়েহে ইহঁতৰ ব্যৱহাৰ সীমিত কৰাৰ উপৰিও খনিজ পদাৰ্থৰ ঠাইত আন পদাৰ্থ ব্যৱহাৰ কৰাটো বাঞ্চনীয়। জৈৱিক খনিজ শক্তি সম্পদসমূহৰ ব্যৱহাৰে পৰিৱেশ প্ৰদূষিত কৰে সেয়েহে ইহঁতৰ ঠাইত পৰিৱেশ অনুকুল সচৰাচৰ ব্যৱহাৰ নকৰা বিকল্প শক্তিৰ উৎস সমূহ ব্যৱহাৰ কৰিব লাগে। খনিজ পদাৰ্থ সমূহ আহৰণ কৰিবৰ বাবে দুই প্ৰকাৰৰ খনন কাৰ্য্য ব্যৱহাৰ কৰা হয়। মুক্ত খনন কাৰ্য্য আৰু ভূগৰ্ভীয় খনন। ইয়াৰে প্ৰথমবিধৰ খনন কাৰ্য্যৰ দ্বাৰা পৰিৱেশৰ হানি বিঘিনি অধিক হয়। আনহাতে ভূগৰ্ভীয় খনন কাৰ্য্যত মানুহৰ জীৱনৰ নিৰাপত্তা কম। খনন কাৰ্য্যৰ ফলত পৰিবেশৰ ওপৰত পৰা প্ৰভাৱসমূহ হ'ল—

**১) অবনানী কৰণ আৰু ভূমি অৱক্ষয় ঃ-** খনিজ পদাৰ্থ আহৰণৰ ফলত হোৱা অবনানীকৰণৰ ফলত মাটিৰ উপৰিভাগ উন্মুক্ত হৈ পৰাৰ ফলত বতাহ বৰষুণে এনে ভূমি সহজে ক্ষয় নিয়াব পাৰে। এনে ভূমিৰ পানী ধৰি ৰাখিব পৰা ক্ষমতা কমি অহাৰ উপৰিও অনুৰ্বৰা হোৱা হেতু এই ভূমিত উদ্ভিদৰ বৃদ্ধি সীমিত হয়। এনেদৰে খনন কাৰ্য্যই এনে বৃহৎ অঞ্চলৰ পৰিস্থিতিতন্ত্ৰৰ ওপৰত কুপ্ৰভাৱ পেলায়। উদ্ভিদ প্ৰজাতিৰ লগত প্ৰাণী প্ৰজাতি,ভেঁকুৰ প্ৰজাতি,অণুজীৱ আদিৰো এনে অঞ্চলৰ পৰা নাইকিয়া হয়।

**২) ভূমিৰ অধোমন ঃ--** ভূগৰ্ভীয় খননৰ ফলত ভূমিৰ গাথঁনি ঢিলা হৈ ভূমিৰ পৃষ্ঠ ভাগ তললৈ বহি যায় অৰ্থাৎ অধোগমন হয়। ই ভূমি স্খলনৰ অন্যতম কাৰণ। ভূমিৰ অধোগমনৰ ফলত ঘৰ-দুৱাৰ ৰাস্তা-ঘাট আদি তললৈ বহি যোৱাৰ উপৰিও গেছ পৰিৱাহী, পানী পৰিৱাহী নলী আদিতো ফাঁট মেলে।

**৩) প্ৰদূষণঃ--** খনিজ পদাৰ্থ খনন কাৰ্য্যৰ ফলত পানী, ভূমি বায়ু প্ৰদূষিত হয়। বহুতো আকৰিকত থকা ছালফাৰ অণুৱে জীৱাণু (Bacteria) ৰ সংস্পৰ্শত পানীৰ লগত বিক্ৰিয়া কৰি ছালফিউৰিক এছিড উৎপন্ন কৰি পানীক আম্লিক গুণ সম্পন্ন কৰি তোলে। এই পানী লাহে লাহে নিগৰি নিগৰি ভূমিৰ তললৈ গৈ ভূগভীয় পানীভাগো প্ৰদূষিত কৰে। ছালফিউৰিক এছিডৰ উপৰিও আন কেতবোৰ গধুৰ ধাতু যেনে তাম, দস্তা, লো, সীহ আদিয়ো ভূমিৰ তললৈ গৈ ভূগৰ্ভীয় পানী প্ৰদূষিত কৰে। আকৰিক শোধন কৰিবৰ সময়ত ছালফাৰ ডাই অক্সাইড, নাইট্ৰজেন-ডাই -অক্সাইড, কাৰ্বন-ডাই- অক্সাইড, গেছ, ধোঁৱা আদি উৎপন্ন হয়, যিবোৰ বায়ু প্ৰদূষণৰ অন্যতম কাৰণ। তদুপৰি খনিজ পদাৰ্থ সমূহ শোধনৰ সময়ত ধূলি, ছাঁই, আন আন আৱৰ্জনা, বিষাক্ত ক্ষুদ্ৰ কণিকা আদি উৎপন্ন হয়, যিবোৰ বায়ু,জল আৰু ভূমি প্ৰদূষণৰ বাবে দায়ী।

**৪) বেমাৰ আজাৰ ঃ---** প্ৰদূষিত পৰিবেশত খনিত কাম কৰা আৰু ওচৰে পাজৰে বাস কৰা লোকৰ দেহত বিভিন্ন

বেমাৰ আজাৰ যেনে এচ্‌বেচট'চিচ, চিলিক'চিচ, হাওঁফাওঁৰ ৰোগ আদিয়ে দেখা দিয়ে।

বিভিন্ন খনি প্ৰকল্প স্থাপন কৰা বাবে কোনো কোনো অঞ্চলৰ বাসিন্দাসকলৰ ভূমি অধিগ্ৰহণ কৰাৰ ফলত তেওঁলোক ভূমিহীন হৈ পৰাৰ উপৰিও তেওঁলোকৰ সাতামপুৰুষীয়া সমাজখনৰো থান বান হয়। এই লোক সমূহ আন ঠাইলৈ উঠি যাব লগীয়া হয় যি তেওঁলোকৰ সামাজিক পৰিৱেশৰ ওপৰত বহুতো কু প্ৰভাৱ পেলায়। তেওঁলোকৰ মাজত পৰম্পৰাগত ভাবে চলি অহা বহুতো পৰম্পৰাৰ অৱলুপ্তি ঘটে। নতুন পৰিৱেশৰ লগত খাপ খাব নোৱাৰি বহুতো অৰ্থনৈতিক ভাবে জুৰুলা হৈ পৰাৰ লগতে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰে শিক্ষা দীক্ষাৰ ক্ষেত্ৰতো বহুতো অসুবিধাৰ সন্মুখীন হয়।

৫) **মৰুভূমিকৰণঃ**-- অবনানী কৰণৰ ফলত কোনো অঞ্চল মৰুভূমি নতুবা মৰুভূমি সদৃশ অঞ্চললৈ ৰূপান্তৰ হ'ব পাৰে।

৬) খনন কাৰ্য্যত হোৱা বিস্ফোৰণে শব্দ প্ৰদূষণৰ সৃষ্টি কৰে।

অসমৰ তিনিচুকীয়া জিলাৰ পাটকাই পাহাৰত কয়লা খনন ব্ৰিটিচ চৰকাৰৰ দিনতে আৰম্ভ হৈছিল যদিও সেই সময়ত ভূগৰ্ভীয় খনন কাৰ্য্যৰ দ্বাৰা কয়লা উদঘাটন কৰা হেতু পৰিৱেশৰ ওপৰত বিশেষ কু-প্ৰভাৱ পৰা নাছিল। কিন্তু ১৯৭৩ চনৰ পৰা ভাৰত চৰকাৰৰ অধীনস্থ ক'ল ইণ্ডিয়া লিমিটেডে মুক্ত খননৰ আশ্ৰয় লোৱাত পাটকাই পাহাৰৰ সেউজ আৱৰণ ধ্বংস হৈছে। তদুপৰি পাহাৰৰ পৰা কয়লা, ক'লা মাটি আদি কাষৰ নিজৰা, জান-জুৰি আদিত পৰাত তাৰ পানীভাগ প্ৰদূষিত হৈছে। বাৰিষা এই জান-জুৰি, নিজৰাৰ পানী সমতল ভূমিৰ কৃষিক্ষেত্ৰলৈ বৈ যোৱাত কাষৰ কৃষি ভূমি অনুৰ্বৰ হৈ পৰিছে। ১৯৮৬ চনত পূৰ্ৱাঞ্চল কল্যাণ সংগঠনৰ কৰ্মকৰ্তা সকলে এই ক্ষেত্ৰত এক আন্দোলনৰ কাৰ্য্যসূচী লৈছিল যদিও পাটকাই পাহাৰৰ কয়লাৰ মুক্তখনন এতিয়াও বন্ধ হোৱা নাই। উজনি অসমৰ বিশেষকৈ তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ তৈল ক্ষেত্ৰসমূহৰ পৰা নিৰ্গত হোৱা বিভিন্ন প্ৰকাৰৰ প্ৰদূষকসমূহেও ওচৰৰ এক বৃহৎ অঞ্চলৰ ভূমি আৰু জল প্ৰদূষিত কৰিছে। বহুতো কৃষিভূমি নষ্ট হৈছে। তৈল ক্ষেত্ৰ সমূহৰ আশে পাশে থকা ভূমিত সীহ, দস্তা,লো আদিৰ পৰিমাণ অধিক পোৱা গৈছে। গুৱাহাটীৰ "institute of advanced studies in science and technology' য়ে কৰা গৱেষণাত এই কথা পোহৰলৈ আহিছে। এই প্ৰদূষকবোৰ উদ্ভিদৰ শিপাই শোষণ কৰে আৰু উদ্ভিদ দেহত সঞ্চিত হয়। পিছত এইবোৰ খাদ্য শৃংখলৰ জৰিয়তে আন আন প্ৰাণী দেহৰ উপৰিও মানৱ দেহত প্ৰৱেশ কৰি বিভিন্ন বেমাৰ আজাৰৰ সৃষ্টি কৰিব পাৰে।

**খনিজ পদাৰ্থ খননৰ ফলত উদ্ভৱ হোৱা পৰিৱেশীয় সমস্যা সমাধানৰ উপায়ঃ**

১) **বনানীকৰণঃ** খনন কাৰ্য্যৰ ফলত অবনানীকৰণৰ কৱলত পৰা অঞ্চলত সেই অঞ্চলৰ পৰিৱেশৰ লগত খাপ খোৱা প্ৰদূষণ সহিষ্ণু উদ্ভিদ প্ৰজাতি ৰোপণ কৰি সিহঁতৰ উপযুক্ত প্ৰতিপালনৰ ব্যৱস্থা কৰিব লাগে। শিয়াল কাটা (Argemone mexicana) কাঁইটীয়া ভেকুৰী ( Solanum xanthocarpum), বাগান ভেলিয়া ( Baugainvillea), মেদেলুৱা ( Cassia sophera), নেফাফু (Clerodendron colebrookianum), কৰবী ( Nerium odorum), তৰুৱা কদম ( Acacia arabica), শিৰিজ( Albizia lebbeck), ক'লাজামু( Syzygium cumunii), তেতেলী( Tamarindus indica), বগৰী (Ziziphus mauritiana), আদি উদ্ভিদ প্ৰজাতিসমূহ প্ৰদূষণ সহিষ্ণু বুলি প্ৰমাণিত হৈছে। আমাৰ অসমৰ জলবায়ুত এই প্ৰজাতি সমূহৰ বৃদ্ধিয়ো ভাল হয়। তদুপৰি বৰ্ত্তমান পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত হৈছে যে চেলভিনিয়া ( Salvinia), লেমনা ( Lemna), এজ'লা ( Azolla), পানী মেটেকা আদিয়ে গধুৰ ধাতু আৰু বিষমুক্ত পদাৰ্থৰ দ্বাৰা প্ৰদূষিত জলভাগ শোধন কৰে। গতিকে খনিজাত পদাৰ্থ আহৰণৰ ফলত প্ৰদূষিত হোৱা জলভাগত এনেবোৰ উদ্ভিদ প্ৰজাতি ৰোপন কৰিব পাৰি।

২) ভূগৰ্ভীয় খননৰ ফলত সৃষ্টি হোৱা ভূগভীয় খালী ঠাই সমূহ (গাওঁসমূহ) উপযুক্ত ভাবে পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া কোনো অঞ্চলৰ ভূমি তললৈ বহি যোৱা অৰ্থাৎ অধোগমন হোৱাৰ সম্ভাৱনা নাথাকে।

৩) খনন কাৰ্য্যৰ ফলত উৎপন্ন হোৱা প্ৰদূষক সমূহ যাতে পৰিৱেশৰ লগত মিহলি হ'ব নোৱাৰে তাৰ বাবে বিহিত ব্যৱস্থা ল'ব লাগে। এই পদাৰ্থ সমূহ শোষণ কৰিব পৰা উদ্ভিদ প্ৰজাতি ৰোপণ কৰাৰ ব্যৱস্থা কৰিব লাগে। খনিজাত জৈৱিক শক্তি সম্পদ সমূহৰ সলনি যিমান পৰা যায় পৰিৱেশ অনুকুল শক্তি সম্পদ যেনে বতাহ শক্তি, সৌৰশক্তি আদিৰ আশ্ৰয় লব লাগে।

৪) খনিজ পদাৰ্থৰ ঠাইত যিমান পৰা যায় বিকল্প দ্ৰব্য ব্যৱহাৰ কৰিব লাগে।

৫) আকৰিকৰ পৰা খনিজ পদাৰ্থ আহৰণ কৰিবৰ বাবে অধিক পৰিৱেশ অনুকুল উপায় উদ্ভাৱনৰ বাবে আৰু অধিক গৱেষণাৰ প্ৰয়োজন। খনিজ পদাৰ্থৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ সমাজৰ প্ৰতিজন নাগৰিক সচেতন হ'ব লাগে। ❖





ভ্ৰমণ কাহিনী

# পৰশুৰাম কুণ্ড লৈ গৈছিলো



দুলু ফুকন
স্নাতক তৃতীয় বৰ্ষ
উদ্ভিদ বিভাগ

উত্তৰ পূৱ ভাৰতৰ নুমলীয়া সাতভনীৰ সৰুভনী অৰুণাচল প্ৰদেশ হ'ল প্ৰকৃতিৰ ৰাণী। অৰুণাচল প্ৰদেশৰ মনোৰম দৃশ্যই সকলোৰে মন প্ৰাণ আকৰ্ষিত কৰি তুলিব পৰা প্ৰকৃতিৰ ই এক সুন্দৰ উপহাৰ। এই অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ তীৰ্থযাত্ৰী সকলৰ এক তীৰ্থস্থান পৰশুৰাম কুণ্ড। প্ৰত্যেক বছৰৰ আৰম্ভণিত অৰ্থাৎ জানুৱাৰি মাহৰ দ্বিতীয় সপ্তাহত (মকৰ সংক্ৰান্তিত) পৰশুৰাম কুণ্ডত অগণন ভক্তৰ সমাগম হয়। পৰশুৰাম কুণ্ডৰ এক জীৱন্ত কাহিনীও আছে। সেই বাবে, এই কাহিনীৰ আঁতধৰিয়েই ঠাইডোখৰৰ নাম পৰশুৰাম কুণ্ড হ'ল বুলি বিশ্বাস।

ডিব্ৰুগড় জিলাৰ এক উচ্চ শিক্ষা প্ৰতিষ্ঠান হ'ল ডিব্ৰু মহাবিদ্যালয়। এই মহাবিদ'ল্য়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধীনত ক্ষেত্ৰ অধ্যয়নৰ স্থান হিচাপে আমি বাছি লৈছিলো পৰশুৰাম কুণ্ড। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা অজন্তা দত্ত, প্ৰৱক্তা ক্ৰমে ৰূপজ্যোতি বৰা, অঞ্জনা শইকীয়া বৰুৱা, প্ৰণৱ পাল আৰু বিজয় দা, ধৰ্মানন্দ দা উদ্যোগত আমাৰ পঁচিছ জনীয়া দলটিত আছিল ক্ৰমে, দেৱজিৎ, লোকাদিত্য, প্ৰবীৰ, বিশ্ব, অজিত, নয়ন, পৰশ, তৌচিফ, যুগল, সঞ্জীৱ, শচীন, ৰিংকু, ধৰ্মেন্দ্ৰ, ৰিদিপ, পল্লৱী, নিজু, লখিমা, ৰীতা, কৰবী, ৰঞ্জিতা, ত্ৰিৱেণী, চনিকে প্ৰমুখ্য কৰি সকলোৰে উদ্দেশ্য আছিল ঠাইডোখৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰি কিছু জ্ঞান লাভ কৰা।

২০০৮ চনৰ ২১ ডিচেম্বৰ তাৰিখে পুৱা প্ৰায় ৫.০০ বজাত যাত্ৰা আৰম্ভ হয় পৰশুৰাম কুণ্ডলৈ বুলি। যাত্ৰাৰ আগমুহূৰ্ত্তত আমাৰ মৰমৰ বিজয় দাই গংগাজলৰ দৰে পৱিত্ৰ পানী নিৰ্মালি হিচাপে সকলোকে দিলে। মনত ভাৱ হৈ থকা দূৰ যাত্ৰাৰ ভয়-ভাৱ এই নিৰ্মালিয়ে আঁতৰাই পেলালে। যি কি নহওঁক অৰুণাচলৰ দিৰাক আৰু সোনাপুৰ চেকগেটত প্ৰৱেশ পত্ৰ চেক্ কৰাই প্ৰকৃতিৰ নৈসৰ্গিক শোভা দৰ্শন কৰি হাঁহি স্ফুৰ্তিৰে আগবাঢ়িছো আমাৰ গন্তব্য স্থানলৈ। এক মূহূৰ্ত্তৰ বাবেও চকু আঁতৰ কৰিবলৈ মন নোযোৱা ইয়াৰ ৰূপ। আমি দেখিবলৈ পাইছিলো চাৰিওফালে পাহাৰ আৰু পাহাৰ। ইয়াৰ লগতে লানি লানি কমলা আৰু পাইন গছেৰে আবৃত এই ৰাজ্যৰ সৌন্দৰ্য্য সঁচাই অতুলনীয়। অৰুণাচল প্ৰদেশৰ মানুহে গগনচুম্বী পাহাৰবোৰত কমলা খেতি কৰা দেখিবলৈ পাইছিলো। দূৰৰ পৰা যেন দেখিবলৈ একো একোজোপা নাৰ্জি ফুলৰ দৰেহে। তেওঁলোকে এইবিলাক ব্যৱসায়ৰ বাবে অসমৰ বিভিন্ন বজাৰত মুকলি কৰি অৰ্থনৈতিক দিশত স্বাৱলম্বী হৈছে। কিন্তু আমি জানিবলৈ পাই দুখী হৈছিলো অৰুণাচলী সকলৰ দুৰ্ভাগ্য যে উগ্ৰপন্থী সংগঠন NSCNৰ ইশ্বাক মুইভা আৰু খাপলাং ফৈদে আয়ৰ কিছু অংশ তেওঁলোকৰ পৰা গ্ৰহণ কৰে। অন্যথা মৃত্যু নিশ্চিত।



অৱশেষত দুপৰীয়া ১১-৪৫ বজাত পৰশুৰাম কুণ্ড পালোগৈ। আমি লৈ যোৱা দুপৰীয়া আহাৰৰ বাবে বস্তু বাহানি, বাচন-বৰ্তন, বিজয় দা, ধৰ্মানন্দ দাক চমজাই ছাৰ-বাইদেউহঁতৰ লগত ক্ষেত্ৰ অধ্যয়নৰ কামত ব্যস্ত হৈ পৰিলো।

পৰশুৰাম কুণ্ড ঠাইডোখৰত দেখিবলৈ পাইছিলো দুটা পাহাৰৰ মাজৰ পৰা কোবাল সোঁতত বৈ অহা এখন নদী। নদীখনৰ সৌন্দৰ্য্য আৰু কুলকুলনিয়ে প্ৰতিজন পৰ্যটকক ৰোমাঞ্চিত কৰি তুলিব। নদীখনৰ মাজত এখন পকা দলং আছে নাম দিয়া হৈছে "পৰশুৰাম কুণ্ড ব্ৰিজ"। কুণ্ডলৈ যাবলৈ এটা পাহাৰ বগাব লাগে। খটখটিৰ ব্যৱস্থা আছে যদিও মাজে মাজে অলপ থিয় থিয়। পাহাৰ বগোৱাৰ অভ্যাস নাই যদিও অতি উদ্যম আৰু সাহসেৰে বগাই গ'লো। মোৰ বাবে এইটো হ'ব বিস্ময়কৰ অভিজ্ঞতা সঁচাকৈ জীৱনত পাহৰিব নোৱাৰা এটা দিন। পাহাৰৰ ওপৰলৈ গৈ থাকোতে বাঘবন, পাইন, বঁহত, ওক গছ দেখিবলৈ পালো লগতে দুটা মন্দিৰো দেখিলো। ওপৰলৈ গৈ আকৌ তললৈ নামিব লাগে কুণ্ড পাবলৈ। কুণ্ড পায়েই সকলোৱে বিভিন্ন প'জত ফটো তোলাত ব্যস্ত। মইয়ো দুটা মান দৃশ্য কেমেৰাত বন্দী কৰিলো।

সময় ঠিক ২.০০ বাজিল। সকলোৱে ভাগৰে-জোগৰে কাম সামৰি পেট পূজাত ব্যস্ত হ'লো। দুপৰীয়া আহাৰ গ্ৰহণ কৰি শেষবাৰৰ বাবে অৰুণাচলৰ মনোৰম প্ৰাকৃতিক দৃশ্যৰ কেইকপিমান ফটো তুলিলো। এনেকুৱা লাগিছিল আৰু অলপমান সময় থকাহেতেন নিৰ্বিচাৰভাৱে ফটো তুলিলোহেঁতেন এই প্ৰাকৃতিক দৃশ্যৰাজিৰ। কিন্তু সূৰ্য্যদেৱতাই সেইকন সুযোগ নিদিলে লাহে ,লাহে সূৰ্য্য অস্ত যাব ধৰিলে আমিও দুখে ভাগৰে বিদায় মাগিলো অৰুণাচলৰ পৰশুৰাম কুণ্ড-বিদায় অৰুণাচল বিদায়, তুমি তোমাৰ সৌন্দৰ্য্যই আমাৰ মনত যি সাঁচ বহুৱালা আমি তোমালৈ ধন্যবাদ জনাইছো। আমি তোমাক একো দিব নোৱাৰিলেও আকৌ এবাৰ অহাৰ প্ৰতিশ্ৰুতিৰে বিদায় অৰুণাচল। ❖





প্ৰবন্ধ

"অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সংস্কৃতিৰ ৰূপৰেখা"

# "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সংস্কৃতিৰ ৰূপৰেখা"

জ্যোতি প্ৰসাদ বড়া
স্নাতক তৃতীয় বৰ্ষ
অৰ্থনীতি বিভাগ



অসমত বসবাস কৰা জনজাতিৰ মাজৰে ঠেঙ্গাল কছাৰীও এটা অন্যতম অসমৰ জনগোষ্ঠী। এই ঠেঙ্গাল কছাৰীসকল উজনি অসমৰ যোৰহাট জিলাৰ বিযেশকৈ তিতাবৰ মহকুমাৰ অন্তৰ্গত সৰহ সংখ্যক অঞ্চল, লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া, নাৰায়ণপুৰ আদি কিছু অঞ্চল, ধেমাজী জিলাৰ গোগামুখ, জোনাই আদি কিছু অঞ্চল, গোলাঘাট জিলাৰ বৰপথাৰ,ঠেঙ্গাল গাঁও আদি কিছু কিছু অঞ্চল আৰু ডিব্ৰুগড় জিলাৰ বিশেষকৈ চাঁচনী মৌজাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত বাস কৰি আছে। (জিলাসমূহৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠী বাস কৰা কিছু কিছু ঠাই সমূহৰ নাম উল্লেখ কৰা নাই।) অন্যথা তিনিচুকীয়া জিলাৰ ফিল'বাৰী, ইমথেম আদি ভিতৰুৱা অঞ্চলত ঠেঙ্গাল কছাৰী সম্প্ৰদায়ৰ লোকসকলে বসবাস কৰি আছে বুলি জনা যায়। ঠেঙ্গাল জনগোষ্ঠীসকলৰ অন্যান্য জনগোষ্ঠীসকলৰ দৰে নিজস্ব দোৱান নাই। অন্যথা অসমীয়া ভাষাকে ব্যৱহাৰ কৰি আহিছে। যদিও কিছুমান বস্তু আদিৰ নাম সুকীয়াভাৱে ব্যৱহাৰ কৰি আহিছে। যেনে- সিয়াঁল (শিয়াল), ককৰা (কেঁকোৰা), আমলৰি (আমৰলি), কৰকাং (বৰভেঁকুলী)। ঠিক সেইদৰে বিযা (কলিজা), বুখলোম (আমঠু) আদি শব্দ ঠেঙ্গাল কছাৰী সকলে ব্যৱহাৰ কৰা শব্দ আৰু অন্যান্য বহু ধৰণৰ তেনে শব্দ এই জনগোষ্ঠীটোৱে ব্যৱহাৰ কৰা দেখা যায়।

অসমৰ অন্যান্য জনগোষ্ঠী সকলৰ লগতে ঠেঙ্গাল কছাৰীসকলো ধাৰাবাহিকভাৱে এক কৃষিজীৱি

শ্ৰেণীৰ লোক। তেওঁলোকে অতীজৰ পৰাই বিভিন্নজনৰ শস্য খেতি কৰি বসবাস কৰি আহিছে। ঠেঙ্গাল কছাৰীসকলৰ বিশেষকৈ সুন্দৰকৈ বাৰী পাতি পূৰ্বতে পূৰ্ব দিশত দুৱাৰ সাজি দুচলীয়া ঘৰ সাজি বাস কৰিছিল। বিশেষকৈ আবাস গৃহটো দুটা ভাগত ভাগ কৰি বনায়; এটা বৰ ঘৰ আৰু আনটো মাৰল ঘৰ। ৰান্ধনী ঘৰৰ কাষত অন্য এটা কোঠাত আহাৰ খোৱা ব্যৱস্থা কৰা হয়। তেনেদৰে অসমত বাস কৰা অন্য জনগোষ্ঠীৰ দৰে ৰান্ধনীশালত ধোঁৱা চাং, পানী চাং আদি ব্যৱস্থা কৰি ৰখা হয়।

**ঠেঙ্গাল-কছাৰীসকলৰ সু-স্বাদ্য খাদ্য ঃ** ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সু-স্বাদ্য খাদ্যসমূহ সৰ্বসাধাৰণে খোৱা ভাত, ডাল-ৰুটি আদি খোৱাৰ উপৰিও বিশেষকৈ খৰিছা (বাঁহৰ গাঁজৰ পৰা তৈয়াৰ কৰা হয়) শুকান জলকীয়া, শুকতি (শুকান মাছ খুন্দা) পানী টেঙা (ঠেকেৰাৰ সৈতে সৰিয়হ পিহা), মাছ, গাহৰী, ছাগলী, কুকুৰা, হাঁহ-পাৰ মাংস, পলু আদি খাই তৃপ্তি লাভ কৰে। ইয়াৰ উপৰিও ঢেকিত খুন্দি নিজে তৈয়াৰ কৰি লোৱা জলপান যেনেকৈ মুৰি, আখৈ, পিঠা, সান্দহ, চিৰা, কোমল-চাউল, চুঙা-চাউল আদি তেওঁলোকৰ প্ৰিয় খাদ্য লগতে তেওঁলোকে পানীয় হিচাপে বিভিন্ন উৎসৱ-পাৰ্বণ, বিয়া-সৱাহত মদ বা সাঁজ বা সেৰেকা (ঠাই বিশেষে কোৱা হয়) আদি ব্যৱহাৰ কৰা হয়।

**জীৱিকা নিৰ্বাহ আৰু আৰ্থিক ব্যৱস্থা ঃ** অসমৰ অন্যান্য জনগোষ্ঠী সকলৰ দৰে ঠেঙ্গাল কছাৰী জনগোষ্ঠী সকলেও প্ৰধানকৈ ধান খেতি কৰাৰ লগতে গৰু, ম'হ, ছাগলী, কুকুৰা, হাঁহ, পাৰ আদি পালন কৰাৰ লগতে মুগা পালন কৰিও জীৱন নিৰ্বাহ কৰে। জীৱ-জন্তু , হাঁহ-পাৰ বিলাক মানুহ থকা ঘৰবিলাকৰ কিছু নিলগত পৰিপাটিকৈ ঘৰ সাজি ৰখা হয়। এই সম্প্ৰদায় লোকসকলৰ ধান প্ৰধান খেতি যদিও জলকীয়া, বেঙেনা, হালধি, আদা, কচু আদি বিভিন্ন ধৰণৰ বতৰৰ শাক-পাচলিৰ খেতি কৰে আৰু এইবোৰ কিছু পৰিমাণ বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে। ইয়াৰ উপৰিও এই জনগোষ্ঠী সম্প্ৰদায়ৰ লোকসকলে চাহ খেতি কৰিও জীৱন নিৰ্বাহ কৰে।

**সমাজ, ধৰ্ম আৰু উৎসৱ ঃ** ঠেঙ্গাল কছাৰী সম্প্ৰদায়ৰ লোকসকলে একোখনকৈ গাওঁত সমাজ পাতি বাস কৰে। একোখন গাওঁত একাধিক খেল থাকিব পাৰে, প্ৰতি খেলৰে একোটাকৈ নামঘৰ থাকে। এখন সমাজ পৰিচালনা কৰিবৰ বাবে প্ৰতিটো নামঘৰতে এখন পৰিচালনা কমিটি থাকে। তাত মেধি, ভৰালী, বাৰিক, নামঘৰীয়া, পাঠেক আদি থাকে, এই নামঘৰবিলাকত সকলোৱে মিলাপ্ৰীতিৰে সমাজৰ বিভিন্ন উৎসৱ-পাৰ্বণ আদি পালন কৰা দেখা যায়।

এই জনগোষ্ঠী সম্প্ৰদায় সকলৰ প্ৰধান ধৰ্মীয় উৎসৱ হৈছে বিহু। এই বিহু তিনিটা তেওঁলোকে নিজস্ব নীতি নিয়মৰ মাজেৰে অতীজৰ পৰাই পালন কৰি আহিছে। চ'ত মাহৰ সংক্ৰান্তিৰ দিনৰ পৰা বহাগৰ পোন্ধৰ-যোল্ল দিনলৈকে বহাগ বিহু পালন কৰে। ঠেঙ্গাল কছাৰী সকলে চ'ত মাহৰ পোন্ধৰ-যোল্ল দিনৰ পাছৰ পৰা গাঁৱৰ কেইজন মান বুঢ়া মানুহ লগ-লাগি তৰা-ছিৰা বিহু মাৰে। তৰা-ছিৰা বিহুত গৃহস্থই আগতেই নৈ পাৰৰ বা হাবিৰ পৰা কাটি অনা তৰা গছৰ ছালেৰে ৰচী বাতে। গৰু বিহু দিনা যি নতুন পঘাৰে গৰু বন্ধা হয় তাৰ লগতে মৰাপাটৰ

অন্যান্য দুই এক জনগোষ্ঠীৰ দৰে ঠেঙ্গাল কছাৰীসকলৰ অন্য এক নিজস্ব সংস্কৃতি হৈছে মৃতকক দিয়া। প্ৰত্যেক বিহুৰ প্ৰথম দিনাই উপৰি পুৰুষসকলৰ আত্মাৰ সদ্গতিৰ অৰ্থে মৃতকক দিয়ে। মৃতকক দিলে ঘৰখনৰ সকলোৱে বছৰটোৰ বাবে অপায়-অমংগল দূৰ হয় বুলি বিশ্বাস। মৃতকক দিয়াৰ নিয়ম হ'ল ৰান্ধনি ঘৰত আগলি কলপাতত নাইবা সাতখন বা নখন কলপাতত কোনেও নোখোৱাকৈ ভাত, মাছ-মাংস, সেৰেকা (সাঁজ) আদিৰে এখন থুৰীয়া তামোল দি মিঠাতেলৰ চাকি জ্বলাই মৃতক দেৱতাসকলক উছৰ্গা কৰিলে ঘৰখনৰ কোনো অপায় অমঙ্গল নহয় বুলি বিশ্বাস। অৱশ্যে ঘৰখনৰ হৈ বাৰ্ষিক কৰ্ম, বিবাহ আদি পাতিলেও মৃতকক দিয়াৰ নিয়ম।





সৈতে তৰা ৰছী বন্ধা হয়। গৰু বিহুৰ দিনা পুৱা মাহ-হালধিৰে গৰুক নুওৱাই দেৱজ্ঞান কৰি তেলী-ছাইৰ ফোঁট দিয়া হয়। দুপৰীয়া নামঘৰত ডেকা-বুঢ়াসকলো গোট খাই গাঁৱত বিহু "হুচৰি" জুৰিবলৈ সিদ্ধান্ত লৈ মুখিয়ালজনৰ ঘৰত গৈ বয়োজ্যেষ্ঠসকলে চোতালত কলহে কলহে পানী ঢালি নাচি বাগি পৰি ধৰি বোকা পানী লৈ বিহু মাৰে। এয়া ঠেঙ্গাল সকলৰ বোকা বিহু। এই জনগোষ্ঠীৰ এক সুকীয়া সংস্কৃতি। পিছৰ দিনৰ পৰা আৰম্ভ হয় মূল বিহু। বংশ পৰিয়ালৰ জ্যেষ্ঠজনক বিহুত সেৱা জনোৱাটো পৰম্পৰা। গাভৰু আৰু বৃদ্ধসকলেও বেলেগে বেলেগে বিহু মাৰে। ডেকা গাভৰুৱে একেলগে বিহু মৰাটো ঠেঙ্গাল কছাৰীসকলৰ অপ্ৰচলিত। ঢোল ঠেঙ্গাল-কছাৰীসকলৰ প্ৰধান বাদ্য। উজনি অসমৰ ঢোল বাদ্যৰ ক্ষেত্ৰত এই সম্প্ৰদায়ৰ বিশেষ অৰিহণা আছে। বিহুৰ হুঁচৰিত ঢোলৰ লগতে সুতুলি, তকা, পেঁপা, পাটবাঁহী, তাল আদি বজোৱা হয়। তেওঁলোকে বজোৱা নাচনী ছেও, খৰা ছেও বা বুঢ়া ছেও নামেৰে পৰিচিত; ই আনৰ লগত নিমিলে। বাকী দুটা বিহুও অসমীয়া সমাজত পালন কৰি অহা ৰীতি-নীতিৰ সতেই ঠেঙ্গাল কছাৰীসকলে পালন কৰে।

অন্যান্য দুই এক জনগোষ্ঠীৰ দৰে ঠেঙ্গাল কছাৰীসকলৰ অন্য এক নিজস্ব সংস্কৃতি হৈছে মৃতকক দিয়া। প্ৰত্যেক বিহুৰ প্ৰথম দিনাই উপৰি পুৰুষসকলৰ আত্মাৰ সদ্গতিৰ অৰ্থে মৃতকক দিয়ে। মৃতকক দিলে ঘৰখনৰ সকলোৱে বছৰটোৰ বাবে অপায়-অমংগল দূৰ হয় বুলি বিশ্বাস। মৃতকক দিয়াৰ নিয়ম হ'ল ৰান্ধনি ঘৰত আগলি কলপাতত নাইবা সাতখন বা নখন কলপাতত কোনেও নোখোৱাকৈ ভাত, মাছ-মাংস, সেৰেকা (সাঁজ) আদিৰে এখন থুৰীয়া তামোল দি মিঠাতেলৰ চাকি জ্বলাই মৃতক দেৱতাসকলক উছৰ্গা কৰিলে ঘৰখনৰ কোনো অপায় অমঙ্গল নহয় বুলি বিশ্বাস। অৱশ্যে ঘৰখনৰ হৈ বাৰ্ষিক কৰ্ম, বিবাহ আদি পাতিলেও মৃতকক দিয়াৰ নিয়ম।

ঠেঙ্গাল কছাৰীসকলৰ পৰম্পৰাগত ধৰ্মবিশ্বাসী; আদিতে ঠেঙ্গাল কছাৰীসকল কঠোৰ শাক্তপন্থী আছিল। প্ৰধান উপাস্য দেৱতা শিৱক বাইথ' হিচাপে পূজা কৰে। সদা কৃষিনিৰ্ভৰ ঠেঙ্গাল কছাৰীসকলে খেতিৰ আৰম্ভণিতে বছৰটোৰ কৃষিকাৰ্য্য সম্পাদন কৰোতে গৰুহালৰ যাতে কোনো অপায়-অমংগল নহয়, সেই উদ্দেশ্যে ব'হাগ বা জেঠ মাহৰ গোহালিত ভাং আৰু মাহ প্ৰসাদেৰে শিৱ পূজা কৰে। শিৱৰ প্ৰতীকৰূপে বহুতে সিজুগছ ৰুই দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ পূজা-অৰ্চনা কৰে। দুৰ্গা গোসাঁনীও ঠেঙ্গাল কছাৰীসকলৰ অন্যতম আৰাধ্য দেৱী। লখিমপুৰ জিলাৰ বিহপুৰীয়া নিকটৱৰ্তী চলচলীয়া গাঁৱত অৱস্থিত বৰ কালিকা শক্তিপীঠ উত্তৰ পাৰৰ ঠেঙ্গাল কছাৰীসকলৰ অন্যতম দুৰ্গা গোসাঁনীৰ থান। অতীজৰ পৰা এই থানত মহা অষ্টমীৰ পূজাত বলি বিধান চলি আহিছে বুলি জনা যায়। ইয়াৰ উপৰিও এই সম্প্ৰদায়ৰ লোকসকলে অতীজৰপৰা বৰ্তমানলৈকে বিভিন্ন বেজ-বেজালি, মংগলতীক বিশ্বাস কৰি আহিছে। ঘৰৰ কোনোবা যদি বেমাৰ-আজাৰত ভোগে তেতিয়া তাৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন ধৰণৰ পূজা পাতে। যেনে-যখিনীৰ পূজা, শনিগ্ৰহৰ পূজা, কুকুৰা চোৱা পূজা, গাহৰি পূজা, আই সবাহ, লখিমী সবাহ আদি পূজা ব্যক্তিগতভাৱে পাতি বৰ্তমান এই সম্প্ৰদায়ৰ নতুন চাম পুৰুষৰ সাজত আধুনিক শিক্ষাৰে প্ৰসাৰিত হোৱাৰ লগে লগে এনে ধৰণৰ পূজা-পাতল বাদ দিয়া পৰিলক্ষিত হৈছে।

অসমীয়া সমাজৰ অন্যান্য জনগোষ্ঠীৰ দৰে এই সম্প্ৰদায় লোকসকলে একেলগ হৈ বছৰেকীয়া ভাওনা সবাহ পতা নিয়ম আছে। ঠিক তেনেদৰে এই জনগোষ্ঠী লোকসকলে বৰ সবাহ পানী তোলা সবাহ পাতে। পানী তোলা সবাহত নিৰ্দিষ্ট কৰি তিনিজনী এৱা ছোৱালীয়ে তিনিটা টেকেলী লৈ আইসকলে নদীৰ পৰা পানী তুলি আনি নামঘৰৰ চাৰিওকাষে তিনিপাক ঘূৰি মণিকূটত থয়হি। এইদৰে তিনিদিন ধৰি গাঁৱৰ ৰাইজে পানী তোলে। টেকেলী ধৰা ছোৱালী কেইজনীয়ে তিনিদিন ব্ৰতত থকাৰ নিয়ম। পানী তুলিবলৈ থোৱা আইসকলে নাম গায়। পানী তোলাৰ শেষৰ দিনা গাঁৱৰ ৰাইজে গোট খাই নামঘৰত সবাহ পাতে। সবাহ পতাৰ আগে আগে কলপটুৱাৰ ভুৰ সাজি এগছি বন্তি জ্বলায় আৰু মাহপ্ৰসাদ সজাই এজনে মূৰত তুলি নিয়ে। পানী তোলা টেকেলীকেইটা এঁৱা ছোৱালী কেইজনীয়ে লয়, ৰাইজে নাম গাই ঢোল-খোল বজাই সামগ্ৰীখিনি নদীত উটাই দিয়ে। পিছত নামঘৰলৈ আহি সকলোৱে মিলি নাম গাই মাহ-প্ৰসাদ খাই পানী তোলা সবাহৰ সামৰণি মাৰে।

ঠেঙ্গাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানত প্ৰচলিত ভালেমান ৰীতি-নীতি লোকাচাৰে বৰ্ণাঢ্য অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি তুলিছে। যেনেকৈ বেই সজা, পানী তোলা, দৰা-আদৰা, দৰা ঘৰৰ পৰা গৰখীয়া ভাৰ অনা, আঙুঠি সলোৱা আদি কিছুমান নীতি নিয়ম আছে। ছোৱালী ঋতুমতী হ'লে নোৱাই তোলনি বা শান্তি বিয়া পাতে। তিনিটা ডিমৰু গুটি, এযোৰ সৰা চুলি, তামোল-পান এযোৰ আৰু এটি অৰিহণাৰ সৈতে এখন নতুন গামোচাৰে কনাই বন্ধা হয়। বিয়াৰ দিনা বুঢ়ীমাক, মাক, খুৰীয়েক সম্বন্ধীয় আদি তিৰোতাই একোটা উপহাৰ বা টকা-সিকা দি ছোৱালীজনীৰ কোঁচৰ পৰা কনাই

লোৰা বা ঘূৰাই দিয়া প্ৰথা ঠেঙ্গাল সমাজত প্ৰচলিত। কনাই হ'ল সৰু ল'ৰা-ছোৱালীৰ প্ৰতীক। বিয়াৰ দিনা পৰাপক্ষত পুৰুষসকল আঁতৰি থাকে।

এই সমাজত একেটা বংশৰ দৰা কইনাৰ বিবাহ নিষিদ্ধ। বাল্য বিবাহ অপ্ৰচলিত। বিয়া দুবিধ। বৰ বিয়া আৰু আবিয়ৈ বিয়া বা জোৰণ দিয়া বিয়া। বৰ বিয়াত দৰাই বৰযাত্ৰীসহ কন্যাৰ ঘৰলৈ গৈ বৈদিক প্ৰথাৰে হোমাগ্নি কৰি ছোৱালী আনি ঘৰ সুমুৱায়। ছোৱালী খুজি প্ৰথমে তামোল-পাণ দিওঁতে দৰাঘৰে দেকুৰীয়া পাচিত দুঘাট দৈ, দুই টেকেলি গুৰ, দুমলা চতাত দিয়া পিঠা আৰু তামোল-পাণেৰে 'বাচৈন্দা ভোজ ভাব দিব লাগে।



সেইদৰে বিয়াৰ আগতে খেতি আৰম্ভ কৰাৰ সময়ত ছোৱালী ঘৰক 'বোকা গৰকা ভোজ' দিয়া নিয়ম। বিয়াৰ দিনা ন-পুৰুষৰ শৰাধৰ বাবে মাটিমাহ, কল, তামোল-পাণেৰে 'চকলী পতীয়া ভাৰ' কন্যা ঘৰলৈ নিব লাগে। লগতে এটেকেলি দৈ, এদোন কোমল চাউল, এঠোক তামোল, চাৰিপাচি পাণ আৰু এসিকি অহিংগাৰে গৰখীয়া ভাৰ শোধাব লাগে। দৰা-কইনা নোওৱা ঠাইত চাৰিওফালে চাৰিটা কলপুলি পুতি বেই সজা হয়। যাদুমন্ত্ৰ কৰি কোনেও যাতে হানি-বিঘিনি ঘটাব নোৱাৰে তাৰবাবে বভাৰ খুঁটাৰ তলত আৰু বেইৰ তলত গোপনে মন্ত্ৰপুত হাঁহকণী পইচা আদি পুতে। বৰ বিয়া তিনি দিন, পাঁচ দিন বা সাত দিনিয়াকৈ পতাৰ নিয়ম আছে। প্ৰথম দিনা টেকেলি, দ্বিতীয় দিনা গাঁঠিয়ন, তৃতীয় দিনা বিয়া। জোৰোণত কইনাৰ বাবে ফুল বছা মুগাৰ মেখেলা, আঁচুৰ বুটা বচা ৰিহা চাদৰ চোলা এসাজ, উকা মুগাৰ এসাজ, এখন কপাহী চাদৰ, টকীয়া মুখৰ সোণৰ কেৰু, দুগদুগী, গামখাৰু, সোণৰ-ৰূপৰ আঙুঠি, দুইপুৰীয়া সেন্দুৰ, গোন্ধ তেল, কাকৈ ফণি, এখন পাটী, এখন দলিচা, এটা গাৰু, দুযোৰ টেমী কটাৰী, হালধি, মাহ, গাঁঠিয়ন এটোপোলা, এথোক তামোল, কুৰিগুছি পাণ আৰু এভাৰ মাছ আনিব লাগিব। এই আটাইবোৰ বস্তু কন্যাই স্পৰ্শ কৰাৰ পিছত দুবিধকৈ দিয়া বস্তুৰ এভাগ দৰাঘৰলৈ ঘূৰাই আনে। গাঁঠিয়ন খুন্দোতে দৰা ঘৰ আৰু কইনা ঘৰত খোলাং বুঢ়ী নচাতো ঠেঙ্গাল কছাৰীসকলৰ এক অনন্য কৃষ্টি। বিয়াৰ দুদিন বা তিনিদিনৰ পাছত দুপৰীয়া খোবা-খুবুনী নামৰ এক উৎসৱ পাতে। খোবা-খুবুনী নামৰ ভূত-ভূতুনী দুটা খেদিবৰ বাবে মুখ ভঙ্গা মন্ত্ৰ গাই এই উৎসৱ পাতে। এই খোবা-খুবুনী নামৰ উৎসৱটি ঠেঙ্গাল কছাৰীসকলৰ পৰাই অসমীয়া অন্যান্য সমাজলৈ প্ৰসাৰিত হৈছে।

ঠেঙ্গাল কছাৰী তিৰোতাসকল সু-গৃহিণী আৰু যথেষ্ট কষ্ট কৰিব পাৰে। খেতি বতৰত পুৰুষসকলক ৰোৱা-তোলা আৰু শস্য চপোৱা কামত তেওঁলোকে সহায় কৰে। এই তিৰোতাসকল বোৱা-কটাত অতি পাকৈত। তিৰোতসকলে এড়ী, মুগা, পাট পলু পুহি তাৰ পৰা নিজে সূতা কাটি ৰং বিৰঙৰ কপাহী সূতাৰেও সুন্দৰকৈ ফুল তেতেলি বাছি নিজে কাপোৰ তৈয়াৰ কৰি পিন্ধে। অতীজত ঠেঙ্গাল কছাৰী তিৰোতা সকলে বুকুলৈক মেখনি মাৰি গাত ৰিহা পৰিধান কৰিছিল। পুৰুষসকলে আঁঠুৰ মূৰলৈকে চুৰীয়া আৰু গাত এড়ী-মুগা-পাট কাপোৰে তৈয়াৰী হাত কটা চোলা পিন্ধিছিল। বৰ্তমান সমাজত আধুনিকতাই গ্ৰাস কৰাত অন্যান্য জনগোষ্ঠী সম্প্ৰদায় সমূহৰ দৰে ঠেঙ্গাল কছাৰীসকলকো সাজ-পোছাকৰ ক্ষেত্ৰত পৰিৱৰ্তন হোৱা দেখা গৈছে।

এনেবোৰ লোক সংস্কৃতিৰ জৰিয়তে অন্যান্য কছাৰী জনগোষ্ঠীৰ দৰে ঠেঙ্গাল কছাৰীসকলেও নিজাকৈ এটা সুকীয়া জনগোষ্ঠী হিচাপে পৰিচয় কৰাই আহিছে। ❖







প্ৰবন্ধ



# অসমীয়া সংস্কৃতি বিহুৰে গ্ৰহণ কৰিছে আধুনিক কলাৰ কৃষ্টি ৰূপ

অসীম গগৈ
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা (অসমীয়া বিভাগ)

সংস্কৃতিয়েই হৈছে মানুহৰ জাতীয় জীৱনক বান্ধি ৰখা এডাল এনাজৰী। ই ঐক্য সংহতি আৰু পাৰম্পৰিক সম্পৰ্ক এক উজ্জ্বল প্ৰতীক। অসমৰ জনজাতি সকলৰ সংস্কৃতি ৰূপ লাৱণ্য কলা কৃষ্টি হৈছে বিহু। এই বিহুৰেই অসমৰ জনজাতিসকলক বিভিন্ন ধৰণে আনন্দ দি আহিছে। বিহু হৈছে মানুহৰ শ্ৰমৰ উৎসৱ। যেতিয়াৰ পৰাই লাহে লাহে আদিম অৱস্থা এৰি মানুহে স্থায়ীভাৱে ঘৰ-দুৱাৰ পাতি, সমাজ পাতি, খেতি-বাতি কৰিবলৈ শিকিলে তেতিয়াই মানুহৰ লগত জড়িত হৈ পৰিল সংস্কৃতি। মানুহে নতুন উদ্যমেৰে কৃষি কৰ্মত লাগিল। শ্ৰমৰ শেষত উৎপাদন হোৱা শস্যই তেওঁলোকক আনন্দময় কৰি তুলিলে। হয়তো মনৰ আনন্দতে কোনোৱাই এটি গীত গালে। লাহে লাহে এই গীতেই হৈ পৰিল বিহু গীত। কোনোৱাই আকৌ গৰু চৰায় থাকোতে এটি গীত গালে। এনেদৰে সৃষ্টি হোৱা এই গীতবোৰেই মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহি হয়তো বিহুগীত ৰূপে পৰিচিত হয়। এই বিহুগীতবোৰ বা 'বিহু' নামৰ শব্দটো কোনো এটা বিশেষ জনজাতিৰ সুকীয়া সম্পত্তি নহয়। অসমৰ বিভিন্ন জনজাতি সকলৰ মাজত এই বিহুগীতবোৰ প্ৰচলিত আছে ভিন ভিন জনজাতিয়ে ভিন ভিন নামেৰে বিহুক নামাকৰণ কৰিছে। উপমাস্বৰূপে বড়ো কছাৰী সকলে বিহুক 'বৌইছাগু' বুলি কয়। ৰাভাসকলে 'বায়খু' নামৰ এটি বসন্ত উৎসৱ পালন কৰে। ঠিক সেইদৰে বসন্ত উৎসৱ বিহু লগত সাদৃশ্য থকা, যিটো মিচিংসকলে ফাগুনৰ প্ৰথম বুধবাৰটোত পালন কৰে অৰ্থাৎ আলি আই লিগাং। আলি আই লিগাংৰ উপৰিও মিচিংসকলে "পকা বিহু", নৰা ছিঙা বিহু আদিও পালন কৰে। আমাৰ অসমৰ এই বিহু উৎসৱৰ দৰেই অৰুণাচলতো ৰাঞ্চো সমাজে "লুকু", টাংছাই সকলে "চামবুনা মোৰ" কামেঙৰ চেৰদুক পেন আৰু মনপা সকলে "লোচে" আপাটনি সকলে "মলকো" আদি নানা উৎসৱ পালন কৰে। লোক সংস্কৃতিৰ প্ৰধান অংগ বুলি পৰিচিত হোৱা এই আটাইবোৰ উৎসৱেই মূলতঃ কৃষি উৎসৱ।

বিহু অসমীয়া জাতীয় কৃষ্টি, বিহু নামৰ এই শব্দটোৱে সাধাৰণতে আনন্দক বুজায়। বহুতো লেখক, গৱেষকৰ মতে বিহু শব্দটো সংস্কৃত বিষুবৎ শব্দৰ পৰা অহা। অসমীয়া জনসমাজত প্ৰচলিত মতে বিহু হৈছে চ'ত, আহিন আৰু পুহৰ শেষ দিন অৰ্থাৎ বহাগ, কাতি আৰু মাঘৰ সংক্ৰান্তি। এই বিহু আহে প্ৰকৃতিৰ আগমনত। বিৰিখে বিৰিখে নতুন কুঁহিপাত মেলি অসমৰ বুকুলৈ নামি আহে বসন্ত ঋতু। আমে মলিয়াই, কপৌ ফুল ফুলে, নাহৰ ফুল ফুলে আৰু কুলি কেতেকী বিননিয়ে বসন্ত প্ৰকৃতিক আকৌ নকৈ সজায় তোলে। নদ-নদী, গৰু, ম'হৰ চৰণীয়া উদং চাপৰি, মুকলি পথাৰ আৰু শুৱলা সুৰৰ সংগীতে সৃষ্টি কৰা পশু-পক্ষীসমূহেও বসন্ত কালত প্ৰাণ পাই উঠে। প্ৰকৃতিৰ লগতে মানুহেও ঢোল-পেঁপা বাঁহীৰ মৌসনা মাতেৰে বিহুক

বিহু অসমীয়া জাতীয় কৃষ্টি, বিহু নামৰ এই শব্দটোৱে সাধাৰণতে আনন্দক বুজায়। বহুতো লেখক, গৱেষকৰ মতে বিহু শব্দটো সংস্কৃত বিষুবৎ শব্দৰ পৰা অহা। অসমীয়া জনসমাজত প্ৰচলিত মতে বিহু হৈছে চ'ত, আহিন আৰু পুহৰ শেষ দিন অৰ্থাৎ বহাগ, কাতি আৰু মাঘৰ সংক্ৰান্তি।



আদৰণি জনায়। সৰু ল'ৰা-ছোৱালীৰ পৰা বুঢ়া-বুঢ়ীৰ লৈকে আনন্দত মনবোৰ পুলকিত হৈ থাকে। কোনোৱে আকৌ হাততে দা আৰু কুঠাৰখন লৈ হাবিলৈ ওলাই যায়। দুপৰীয়াতে কান্ধত এমুঠা বাঁহখৰি আৰু এমুঠা কাঠখৰি লৈ উভতি আহে। বিহুৰ দুদিনমানৰ আগতেই ঘৰৰ লখিমী স'তে সান্দহ, পিঠা, চিৰা খুন্দিবলৈ ব্যস্ত হৈ পৰে। গাভৰু ছোৱালীবোৰে ডেকাজনৰ বাবে মৰমৰ চিনস্বৰূপে বৈ উলিয়াই ভমকাফুলীয়া গামোচা উপহাৰ স্বৰূপে দি মৰম প্ৰীতি যাচিবলৈ। উৰুকাৰ দিনা পুৱাই আকৌ কোনো গৃহস্থ হাবিলৈ গৈ দীঘলতি, মাখিলতি আৰু তৰা গছ বিচাৰি আনে। গৃহস্থ সিদিনা বহুত কাম। তৰা গছৰ পৰা আঁহ উলিয়াই গৰুলৈ নতুন পঘা বনায়। গধূলি সময়ত আকৌ আগলি কলপাতত তামোল পাণ এটা আগবঢ়াই লৈ ডিঙি দীঘল জাতিলাও, কেৰেলা, বেঙেনা, থেকেৰা আৰু হালধিৰে চাত সাজে। চাত সাজি শেষ নোহোৱালৈকে গৃহস্থই মুখত ভাত-পানীও নিদিয়ে।

পিচদিনা নদীৰ ঘাত, কোনো ডাঙৰ পুখুৰী নাইবা দ' পথাৰৰ মাজভাগত গাঁৱৰ সকলো মানুহ লগ লাগি অতি উলহ-মালহেৰে গৰু গা ধুৱাই, কণীযুঁজ, ম'হযুঁজ আদি খেল খেলে। মানুহবিলাকেও অতি আনন্দৰেই খেলত অংশগ্ৰহণ কৰে। আমলৰি পৰুৱাৰ বাঁহ ভাঙি টোপ খোৱাৰ লগতে এশ এবিধ শাকেৰে বিভিন্ন আঞ্জাৰ লগত পানীদিয়া (পইতা) ভাতৰ মজাটো সেইদিনাহে বেছিকৈ উপভোগ কৰে। ৰাতি দলবদ্ধভাৱে গাঁৱৰ ডেকা, বুঢ়াসকলো মানুহ মিলি ঘৰে ঘৰে হুঁচৰি জুৰে-

বিহু আমাৰ চেনেহৰে
আদৰৰে ধনে ঐ আৰে।

বিহুতলীত আকৌ কোনো গাভৰুৱে ডেকাহতঁৰ ফালে চাই মিচিকি হাঁহি মাৰে। এনেকুৱা সময়তে হয়তো কোনোবা বিহু বলীয়া ডেকাই গাই-

ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন,
কহুৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিব মন।

আকৌ কেতিয়াবা গাভৰুৱে চেনাইলৈ মনত পেলাই গায়-

কিনো খাই পাহৰিম তোকে ঐ চেনাইটি
কিনো খাই পাহৰিম তোক,
মিচিমি আহিব বৰবিহ আনিব
তাকে খাই পাহৰিম তোক।

প্ৰেম কেতিয়াও আবদ্ধত থাকিব নোৱাৰে। প্ৰেমৰ ডোলেৰে বান্ধখোৱাৰ পিছত প্ৰেমিক প্ৰেমিকা উভয়ে উভয়ক অনবৰতে চকুৰ আগত পাবলৈ বাঞ্চা কৰে। কেতিয়াবা হয়তো বিহু মাৰিবলৈ অহা চলেৰে এহাল প্ৰেমিক প্ৰেমিকাই নদীৰ পাৰত লগ হয়। অকলশৰীয়াকৈ কথা পাতে। নদীৰ পাৰে পাৰে ফুৰে। তেতিয়াই নদী পাৰত থকা বগৰি গছ দেখি হয়তো ছোৱালীজনীয়ে গায়-----

নৈ কিনাৰ বালিয়া বগৰি
ডাল ভৰি ভৰি লাগিছে উলমি
তুমিচোন ঢোলিয়া দিবা গৈ ঐ জোকাৰি
ময়ো সোন নাচনী লমে গৈ ঐ বুটলি
নিমখ জলকীয়াই খামনো সোৱাদ কৰি
তাৰ মাজত ওলাব ৰং আৰু ধেমালি।

এয়াই হৈছে প্ৰকৃত বিহু, প্ৰকৃতি বিহু। বিহু হৈছে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ। কিন্তু দুখৰ কথা যে বৰ্ত্তমান অৱস্থাত বিহুৱে গতি কৰিবলৈ লৈছে অন্য এক দিশলৈহে। ডেকা গাভৰুৰ মুখ বাগৰি অহা বিহুগীতৰ পৰিবৰ্তে আমি এতিয়া শুনিবলৈ পাওঁ আধুনিক গীতসমৃদ্ধ কেছেটৰ বিহুগীতহে। আজিকালি বিহুক প্ৰকৃতিয়ে আদৰি নানে, আনে কেছেটৰ বিহুগীতেহে। নাচনীৰ গাত জাতীয় অলংকাৰৰ বিপৰীতে দেখা যায় পাশ্চাত্য সভ্যতাৰ সাজপাৰ আৰু আ-অলংকাৰহে। আনহাতে বিহু সন্মিলন

বিহু হৈছে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ। কিন্তু দুখৰ কথা যে বৰ্ত্তমান অৱস্থাত বিহুৱে গতি কৰিবলৈ লৈছে অন্য এক দিশলৈহে। ডেকা গাভৰুৰ মুখ বাগৰি অহা বিহুগীতৰ পৰিবৰ্তে আমি এতিয়া শুনিবলৈ পাওঁ আধুনিক গীতসমৃদ্ধ কেছেটৰ বিহুগীতহে। আজিকালি বিহুক প্ৰকৃতিয়ে আদৰি নানে, আনে কেছেটৰ বিহুগীতেহে। নাচনীৰ গাত জাতীয় অলংকাৰৰ বিপৰীতে দেখা যায় পাশ্চাত্য সভ্যতাৰ সাজপাৰ আৰু আ-অলংকাৰহে।







পাতিবলৈ হ'লেও মানুহৰ ঘৰে ঘৰে নাইবা কোনো বজাৰ বা দোকানত গৈ ভিক্ষা কৰিব লগা হয়। "দদাইদেউ, আমি বিহুমেলা এখন পাতিবলৈ লৈছো গতিকে আপুনি কিবা এটা সহায় কৰক আৰু। নহলে কোনো মিনিষ্টাৰ বা এম এল এৰ ওচৰলৈ গৈ কয়গৈ- "চাৰ আমাৰ বিহু মেলাখনলৈ কিবা এটা বৰঙণি দিয়ক নহ'লেনো কেনেকৈ বিহুখন পাতো।" আকৌ বিহু সন্মিলনখনৰ নামত কোনো অন্য জাতিৰ মানুহক গৈ কয়গৈ, "আমাৰ বিহুখনৰ বাবে আপুনি ইমান টকা দিবই লাগিব নহলে চাব!" কথা হল যে অতীতৰ পৰা চিৰন্তন গতিৰে চলি অহা অসমীয়া জাতীয় মেৰুদণ্ডস্বৰূপ বিহুখন পাতিবলৈ কিয় ভিক্ষা কৰিব লগা অৱস্থা হ'ল? আমাৰ বাপতিসাহোন বিহুখন পাতিবলৈ ভিক্ষা গুণ্ডা নকৰিলে নহয় নেকি? এনে এখন বিহু অনুষ্ঠিত কৰি আমি অতীতৰ গৌৰৱ উজ্বলাই ৰাখিব পাৰিমনে! যিখন বিহুৰ আনন্দ লবলৈ মানুহে মদৰ দৰে নিচাযুক্ত দ্ৰব্য সেৱন কৰে। আমাৰ বৰ্ত্তমান বিহুৰ পৰম্পৰা কি মদেহে ৰক্ষা কৰিছে নেকি?

বহাগ বিহুৰ দৰেই যদি আমি মাঘ বিহুলৈও লক্ষ্য কৰোঁ তেন্তে দেখা পাওঁ যে অতীতৰ কিছুমান ৰীতি-নীতি ই সম্পূৰ্ণ বাদ দিছে। অসমৰ কিছুমান গাৱঁত এই বিহু পৰম্পৰা একেবাৰেই লুপ্ত হৈ গৈছে। মাঘ বিহুত মানুহৰ ঘৰে ঘৰে জা-জলপান যোগাৰ কৰে। গাৱঁৰ ডেকাবোৰ লগ-লাগি খৰিৰে মেজি বনাই আৰু মেজি ৰখিবলৈ এটা ভেলাঘৰ সাজে। ল'ৰাহঁতে দুই তিনিদিনৰ আগৰ পৰাই ভেলা ঘৰত থাকি মেজি ৰখে। উৰুকাৰ দিনা গাঁৱৰ গাওঁবুঢ়া আৰু লগতে কেইজনমান ভকতে ভেলা ঘৰৰ আগত একুৰা ডাঙৰ জুই জ্বলাই। তাতে তেওঁলোকে বহি মেজি ৰখেহি আৰু ডেকা লৰাবোৰে ঢোল, পেঁপা বাঁহীলৈ বিহুমাৰি থাকে। ভকতৰ আদেশ মতে ল'ৰাবিলাকে ৰাতি তিনিটা পৰত তিনিবাৰ হুঁচৰি পদ জোৰে। তৃতীয়বাৰ হুঁচৰি পদ শেষ হোৱাৰ পিচত অৰ্থাৎ পুৱতি নিশা ভকতসকলে এপাচি পিঠা খাই আৰু তাৰ পিচতহে গা পা ধুই মেজিত জুই দিয়ে। কিন্তু আজি কালি মেজি ঘৰত হুঁচৰিৰ পৰিবৰ্তে দেখা যায় কেছেটৰ বিহুনামহে। ভকতসকলে পিঠাখোৱাতো বাদেই মেজিত জুই দিবলৈ হ'লেও কিছুমানে গা ধুবলৈ টান পায়। মেজি ৰখাৰ নামত আজিকালি ল'ৰাবোৰে মানুহৰ ঘৰত গৈ চুৰ কৰেগৈ। হাঁহ কুকুৰা, শাক-পাচলি আদিৰ পৰা সকলো বস্তু চুৰ কৰি নিজৰ ঘৰত থয়গৈ। তেন্তে এই মাঘ বিহুটোক আমি ভোগালী বিহু বুলি ক'ব পাৰিমনে? নহয় মাঘ বিহুটোক আমি কব লাগিব চুৰ বিহু, চুৰবোৰৰ বিহু। আনহাতে কাতি বিহুৰ ক্ষেত্ৰতো আগতে যি আনন্দ দেখা গৈছিল, আজিকালি তেনে আনন্দ দেখিবলৈ পোৱা নাযায়। কোনো এটা জাতিক জীয়াই ৰাখিবলৈ মানৱ সমাজৰ প্ৰধান কৰ্তব্য সেই জাতি পৰম্পৰাগত বৈশিষ্ট্য মানি চলাটো। এই পৰম্পৰা ভিত্তিতেই বৰ্তি থাকে এখন সুন্দৰ সমাজ। কিন্তু অসমীয়া বিহুৱে অতীতৰ পৰম্পৰা ধৰি ৰাখিছেনে? তেন্তে আমিবোৰ অসমীয়াই কেনেকৈ ক'ব পাৰিম বিহু সংস্কৃতি জীয়াই ৰাখিছে বুলি? ❖





## ৰজনীকান্ত বৰদলৈৰ

# ডালিমী

হেমন্ত শইকীয়া
অধ্যাপক, অসমীয়া বিভাগ
ডিব্ৰু মহাবিদ্যালয়

"ঔপন্যাস সম্ৰাট", " অসমৰ স্কট" — খ্যাত ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ অসমীয়া সাহিত্যলৈ উপন্যাসসমূহ সৰ্বোৎকৃষ্ট অৱদান। সাহিত্যৰ প্ৰায় সকলোবোৰ দিশতে হাতদি সফলতা লাভ কৰা কৃতবিদ্যা এইজন লিখকৰ উপন্যাসৰাজিত স্বদেশ-স্বজাতি প্ৰীতি, প্ৰকৃতিৰ সাৰ্থক বৰ্ণনা, ঐতিহাসিক, সামাজিক ঘটনা পৰিঘটনাই তৎকালীক সমাজ সংস্কৃতিৰ যি বাস্তৱিকতা প্ৰতিফলিত কৰিছে সেয়া অনস্বীকাৰ্য। গভীৰ অধ্যয়নে বৰদলৈদেৱৰ সাহিত্যিক অনবদ্য মাত্ৰা প্ৰদান কৰিছে। বংকিমচন্দ্ৰ, স্কট আদি লেখকৰ প্ৰভাৱ বৰদলৈৰ ওপৰত সততে লক্ষ্য কৰা যায়।

'মিৰি জীয়ৰী' বৰদলৈৰ প্ৰথম উপন্যাস। কেৱল প্ৰকাশৰ দিশতে যে প্ৰথম তেনে নহয়। তুলনামূলকভাৱেও আন কেইখন উপন্যাসতকৈ ই নিঃসন্দেহে শ্ৰেষ্ঠ উপন্যাস আৰু জনজাতীয় জীৱনভিত্তিক এইখনেই প্ৰথম অসমীয়া উপন্যাস। উপন্যাসখনৰ পটভূমি বৰ্তমান লক্ষীমপুৰ আৰু ধেমাজি (তেতিয়াৰ অবিভক্ত লক্ষীমপুৰ) জিলাৰ সীমামূৰীয়া সোৱণশিৰি নদীৰ পাৰৰ মিচিং জনবসতিপ্ৰধান অঞ্চল। মিচিং জনসমাজ মূলতঃ নদীকেন্দ্ৰিক। নদীৰ লগত মিচিং লোকসকলৰ ওচৰ সম্পৰ্ক। সোৱণশিৰিৰ পাৰতেই কাষৰ পাজৰৰ মিচিং লোক সকলৰ খেতি-খোলা সকলো। নৈসৰ্গীত প্ৰাকৃতিক পৰিবেশত এজাক ডেকা-গাভৰুৰ মাজত এই গাঁৱতে ডাঙৰ দীঘল হ'ল কেউকিছু নোহোৱা ডেকা জংকি আৰু তামেদ নিৰমাইৰ জী-পানেই। কৰ্মময় মিচিং জনসমাজৰ ডেকা-ডেকেৰী হিচাপেই শৈশৱৰে পৰা পথাৰ ৰখাৰ পৰা আলি আয়ে লৃগাং, নৰাছিগা বিহু পৰ্যন্ত ইটিয়ে সিটিক পাওঁতে এই দুটি সহজ সৰল ডেকা-ডেকেৰীৰ অন্তৰতো প্ৰেমে পোখা মেলিলে। ইটিয়ে সিটিক মন প্ৰাণ সপি দিলে। শৈশৱৰ, কামৰ, খেলৰ লগৰীক জীৱনৰো লগৰী কৰিবলৈ দুয়ো কাৰ্চিং-কাৰ্টনক সাক্ষী কৰি অংগীকাৰবদ্ধ হ'ল। দুটি সৰল ডেকা ডেকেৰীৰ প্ৰেম যিমান সৰল, বাস্তৱ সিমানেই ৰূঢ়। জংকিৰ কেউকিছু নোহোৱা, নিঃকিন





অৱস্থাৰ দোহাইদি, পিতৃ-বুঢ়া তামেদে জী পানেইক, ধনবিত সম্পন্ন কমুদলৈ দিবলৈ সিদ্ধান্ত কৰিলে। কিন্তু এই সিদ্ধান্তই পানেইৰ অন্তৰত প্ৰেমৰ বিৰহানল জ্বলাই তুলিলে। পানেই-জংকিৰ প্ৰেমৰ কথা গম পাই কমুদে জংকিক খেদি পঠিয়ালে। শেষত জংকি তাৰ পৰা ওলাই গ'ল আৰু ঘৃণাসুঁতি গাঁৱত আশ্ৰয় ললে। কমুদে জোঁৱাই খাটিবলৈ আহি জোৰ কৰি পানেইৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিব খোজাত পানেই এদিন জংকিলৈ পলাই গ'ল। গোটেই গএগ্ৰা মিলি জংকি পানেইক বিচাৰি উলিয়ালে। মেল-মোকৰ্দমা চলিল। তেনে এটা দিনতে পানেই পুনৰ জংকিলৈ পলাই যাবলৈ বুলি ঘৰৰ পৰা ওলাই গ'ল। এই বাতৰি পাই জংকিও নিজ ঘৰ এৰি পানেইৰ সন্ধানত ওলাল। এনেদৰে দুয়ো গৈ গাছি মিৰিৰ হাতত বন্দী হয়। তাতেই দুয়ো পলাই যাবৰ বাবে আন্ধাৰ নিশা লগ কৰোতে ধৰা পৰে। বিচাৰত দুয়োৰে মৃত্যুৰ হুকুম হয়। নৈৰ পাৰত দুয়োকে শেলমাৰি নদীত উটুৱাই দিয়ে। মৃতদেহ দুটি উটি আহি থাকোতে নিৰমায়ে দেখা পায়। গএগ্ৰা ৰাইজে পাৰলৈ তুলি আনি সেয়া পানেই-জংকিৰ মৃতদেহ বুলি চিনি পায়। এইদৰেই এটি কৰুণ পৰিণিতিৰ মাজত উপন্যাস খনিৰো অন্ত পৰে।

মুঠ যোল্লটি অধ্যায় বিভক্ত (সামৰণিক বাদ দি) উপন্যাসখনিত সপ্তম অধ্যায়ত ঔপন্যাসিকে ডালিমী চৰিত্ৰটিক পাঠকৰ লগত পৰিচয় কৰাই দিছে। ডালিমী গামৰ জীয়াৰী। বয়স তেৰ চৈধ্য বছৰ। দেহত যৌৱন, ভৰিত বিহু নাচৰ চেৱ। সোৱণশিৰিৰ স্ফটিক চঞ্চল জলস্ৰোতৰ দৰেই তাই চঞ্চলমতি। সেয়ে নিজে গাভৰু হৈও অকলশৰে নাৱৰ টিঙত বহি থকা ডেকা জংকিৰ চকু মুদাই ধৰি খিলখিলাই হাঁহিছে। বিহুতলীত সেই জংকিৰে পেঁপাৰ সুৰে তাইৰ অন্তৰত প্ৰেমৰ গঁজালি মেলিছে। ডেকা জংকিৰ সহজ সৰলতা আৰু স্বাভাৱিক আকৰ্ষণীয় গুণে ডালিমীক গভীৰ ভাৱে অনুৰক্ত কৰিছে। প্ৰেম অন্তৰৰ নিভৃত কোণৰ এক চিৰ জাগৰুৱা সত্বা। অন্তৰৰ এই নান্দনিক সৌন্দৰ্যই বাস্তৱত আধাৰ বিচাৰি হাঁহাকাৰ কৰে। য'তেই সেই আধাৰ পায় তাতেই প্ৰেমৰ গাঢ়তাই অধিক প্ৰগাঢ়তা লাভ কৰে। সেয়া একপক্ষীয় নাইবা দুয়োপক্ষীয়ও হ'ব পাৰে। একপক্ষীয় হ'লেই সেয়া যে প্ৰেম নহয় তেনে কথা বাস্তৱিকতে সত্য নহয়। তদুপৰি প্ৰেমত প্ৰাপ্তি-অপ্ৰাপ্তিৰ ধাৰণাও নিৰৰ্থক! এনে এক দৃষ্টিভংগীয়েই আমি দেখা পাওঁ বৰদলৈদেৱৰ ডালিমী চৰিত্ৰত।

ডালিমীয়ে জংকিক প্ৰাণভৰি ভাল পায় আকৌ জংকিয়ে ভাল পায় পানেইক। এই কথা যেতিয়া জংকিয়ে নিজ মুখে ডালিমীক কলে ডালিমীৰ অন্তৰতো দপদপাই বিৰহানল জ্বলি উঠিল। এবাৰ তাই জংকিক কৈ চালে — " তাইক যদি আন কোনোবাই নিয়ে তইও জানো আন এজনী নাপাবি?"[১] — উত্তৰত যেতিয়া জংকিয়ে পানেইৰ বাহিৰে আন কাকো তাইৰ সমান নেদেখাৰ কথা ক'লে স্বাভাৱিকতে তাইৰ মনত নিজৰ ৰূপ-যৌৱনৰ ওপৰত ধিক্কাৰ জন্মিল। কিন্তু তাই জংকিৰ প্ৰতি কোনো শত্ৰুভাৱ নাৰাখিলে "বৰং তাৰ চিধা কথাত তাক শত্ৰু ভাৱ নকৰি সি যে এক খোলা চিত্তৰ মানুহ সেই কথাহে বুজিলে।"[২] জংকিৰ প্ৰতি ডালিমীৰ শত্ৰু ভাৱ নাথাকিলে সঁচা কিন্তু আন এগৰাকী গাভৰুৰ পতি হ'বলৈ আগবঢ়াৰ পাছতো মানুহৰ স্বাভাৱিক আৱেগ অনুভূতিৰ বশৱৰ্তী হৈ ডালিমীয়ে জংকিক অন্তৰৰ পৰা একেবাৰে মচি পেলাব নোৱাৰিলে। কিন্তু সেইবুলিয়ে দুয়ো প্ৰেমাস্পদৰ মিলনত হেঙাৰ হৈ থিয় দিলে তেনেও নহয়, বৰঞ্চ পানেই জংকিৰ মিলনত বিভিন্ন ক্ষেত্ৰত সহায়হে কৰি গ'ল। নিজৰ মনৰ ভিতৰত চলি থকা এই অন্তৰ্দ্বন্দ অকণমানো প্ৰকাশ নকৰি ডালিমী আৰু অকণমান গহীন হৈ পৰিল। জংকিয়ে পানেইক পলুৱাই লৈ ফুৰোঁতে এদিন ধৰা পৰিল। পানেই জংকিৰ বিচ্ছেদ হ'ল। এই সময়তো ডালিমীৰ অন্তৰত এটা নতুন আশাই জীপ লৈছে। কিজানি জংকি এইবাৰ পানেইৰ পৰা আঁতৰি আহেই। এনে এক দৃষ্টিভংগীৰ দ্বাৰা ডালিমী চৰিত্ৰটিত মানুহৰ মানৱীয় অনুভৱ অনুভুতিৰ সুপ্তাৱস্থাৰ স্বৰূপ নিশ্চয় তুলি ধৰা হৈছে। উপন্যাসখনিত ডালিমী চৰিত্ৰটোৰ বিশেষ বিকাশ নাই। দ্বাদশ অধ্যায়ত জংকি-ডালিমীৰ নাটকীয় সংলাপ উপস্থাপনৰ দ্বাৰা জংকি চৰিত্ৰটিৰ জীৱনৰ কাৰুণ্যইহে পাঠকক অধিক স্পৰ্শ কৰি যায়। জংকিয়ে পানেইক বিচাৰি যাবলৈ ওলাইছে, কথাষাৰ ক'বলৈ আহিছে সেইগৰাকী গাভৰুক যি হৃদয় বেদীত সেইজন দেৱতাকে স্থাপিত কৰিছে, কথাষাৰে তেওঁৰ অন্তৰত বেদনাৰ অশ্ৰু বোৱাইছে তথাপি তেওঁ সেই প্ৰেমাষ্পদৰ ওচৰত নিজৰ অৱস্থা লুকুৱাই উত্তৰ দিছে, তেওঁ চকুলো টুকিছে আজলী সেই পানেইজনীৰ বেজাৰত। জংকি ওলাই যোৱাৰ পৰত ডালিমীৰে অন্তৰত একোৱা প্ৰচণ্ড জুই জ্বলিছে। ইয়াৰ দুটা প্ৰধান কাৰণ হ'ব পাৰে প্ৰথম জংকিক নিজৰ কৰি নাপালেও এতিয়া পৰ্যন্ত জংকি এই গাঁৱতেই আছিল। ভাল, বেয়া ইত্যাদি খা-খবৰ পাই থকাৰ লগতে ডালিমীয়ে দেখা পাইও আছিল। এতিয়া যদি পানেইক বিচাৰি যায় তেতিয়া হয়তো জংকি উভতি নাহিবও পাৰে,দ্বিতীয়তে পানেইৰ পৰা আঁতৰি অহাৰ পাছত ডালিমীৰ অন্তৰত যি নতুন আশাৰ সঞ্চাৰ

হৈছিল এতিয়া সি পুনৰ নিৰ্মূল হোৱাৰ উপক্ৰম হ'ল। উপন্যাসখনিৰ শেষৰ ফালে ডালিমীয়ে জংকিক বিচাৰি কেতিয়াবা অকলেই নদীৰ ফালে গৈ ঘাটত বৈ অকলেই এটা হুমুনিয়াহ কাঢ়ি উভতি অহাৰ বৰ্ণনা দিছে। এদিন জংকি পানেইৰ মৃতদেহ উদ্ধাৰ হ'ল — এই বাতৰিও ডালিমীৰ কাণত পৰিল — ঔপন্যাসিকৰ ভাষাত "ডালিমীয়েও এই বাতৰি শুনিলে। মানুহৰ আঁৰে আঁৰে তাই কান্দিলে। তাই সোৱণশিৰীৰ পাৰলৈ গৈ এবাৰ পানীলৈ, এবাৰ আকাশলৈ, এবাৰ মিৰি দফলাৰ পৰ্বতলানিৰ ফাললৈ চাব ধৰিলে — এইবাৰ হৃদয়ৰ আশালতা একেবাৰে উচ্ছেদ হ'ল। "[৩] এতিয়া উপন্যাসখনিত ডালিমী চৰিত্ৰটিৰ গুৰুত্ব সৰ্ম্পকে বিচাৰ কৰি চোৱা যাওক। যিকোনো পাঠকেই উপন্যাসখনি পঢ়ি উঠি এটা কথা অনুভৱ কৰিব যে ডালিমী চৰিত্ৰটি উপন্যাসখনিত একান্তই কাহিনীৰ দাবীত সৃষ্টি হোৱা চৰিত্ৰ নহয়। এক কথাত ডালিমী চৰিত্ৰটি নহ'লেও কাহিনীৰ বিকাশত কোনো হীনদেঢ়ি হোৱাৰ আশংকা নাই। ঔপন্যাসিকেও কাহিনীয়ে নিলগাই ৰখা চৰিত্ৰটিৰ ওচৰলৈ কোনো কোনো ঠাইত পাঠকক মনত পেলাই দিবলগীয়াত পৰিছে — " এতিয়া ব'লকচোন পাঠক আমাৰ ডালিমীয়ে নো কি কৰিছে।" ঠিক সেইদৰে ডালিমী নামকৰণতো এটা ব্যতিক্ৰম লক্ষ্য কৰা যায়। মিচিং জনসমাজত "ডালিমী" এটা ব্যতিক্ৰমী নাম। উপন্যাসখনিতো ৰকমী, কিৰমায়, পানেই আদি নামৰ লগত ডালিমী নামটো খাপ নোখোৱা বিধৰ। কেৱল নামকৰণতে নহয় চাৰিত্ৰিক বৈশিষ্ট্যৰ দিশতো ডালিমী চৰিত্ৰটো কিছু পৰিমাণে সংস্কাৰ সাধন কৰি লোৱা পৰিলক্ষিত হয়। জনজাতীয় বৈশিষ্ট্য হিচাপেই মিছিং লোকসকলো নিজৰ কথাত অলৰ অচৰ"। মিৰি জাতি হোজা, — এক কুবীয়া সেইদেখি যেয়ে যিহলৈ মন কৰে সি হঠাতে যেই কথা কেতিয়াও নেৰে। চৈধ্য ব্ৰহ্মাণ্ড গোটেইখনৰ কথা ক'ব কিন্তু ঘূৰি আকৌ নিজৰ মূল উদ্দেশ্যতহে পৰিব।" কিন্তু ডালিমী যেন ইয়াৰ পৰা অকণমান পৃথক। এনে এটা চৰিত্ৰ সৃষ্টিৰ বেলিকা নিশ্চয়কৈ আন প্ৰভাৱশালী লেখকৰ প্ৰভাৱৰ কথা বিচাৰ কৰি চাব পাৰি। অসমীয়া সাহিত্যলৈ যদি আমি চাওঁ তেন্তে অসমীয়া সাহিত্যত আন দুগৰাকী ডালিমীৰ অৱস্থিতি আছে। গোহাঞিবৰুৱাৰ ডালিমী আৰু বেজবৰুৱাৰ ডালিমী। বৰদলৈ, বেজবৰুৱা আৰু গোহাঞিবৰুৱা এই তিনি 'ব' (বৰদলৈ, বেজবৰুৱা, গোহাঞি বৰুৱা) সমসাময়িক। বেজবৰুৱা ১৮৬৪-১৯৩৮,বৰদলৈ ১৮৬৯-১৯৩৯ আৰু গোহাঞিবৰুৱা ১৮৭১-১৯৪৬ আকৌ বেজবৰুৱা আৰু গোহাঞিবৰুৱাতকৈ বৰদলৈৰ ডালিমীৰ আত্মপ্ৰকাশো আগতীয়া হোৱালৈ চাই অসমীয়া সাহিত্যৰ দ্বাৰা বৰদলৈদেৱ প্ৰভাৱান্বিত হোৱাৰ যুক্তিযুক্ততা ক্ষীণ। বৰদলৈদেৱে উপন্যাস ৰচনাৰ মূল অনুপ্ৰেৰণা লাভ কৰিছিল ছাৰ ৱাল্টাৰ স্কট চাহাবৰ পৰা। ৱাল্টাৰ স্কটৰ "আইভান হো" উপন্যাসৰ ৰেবেকা নামৰ চৰিত্ৰটোৰ লগত ডালিমী চৰিত্ৰৰ সাদৃশ্য লক্ষ্য কৰা যায়। কিন্তু সেই ৰেবেকা চৰিত্ৰৰ প্ৰভাৱতেই ডালিমী চৰিত্ৰ সৃষ্টি হৈছে বুলি ভবাৰ সম্পূৰ্ণ অৱকাশ নাই। ৰজনীকান্ত বৰদলৈৰ আন আন উপন্যাসবোৰো পঢ়ি উঠি সামগ্ৰিকভাৱে নাৰী চৰিত্ৰবোৰ মূল্যায়ণ কৰিলে এই চৰিত্ৰবোৰে অন্তৰত অন্তঃস্ৰোত ফল্গুৰ দৰে চিৰশ্বাশ্বত প্ৰেমৰ ধাৰা এটি অন্তৰ্লীন ভাবে বৈ ফুৰা পৰিলক্ষিত হয়। প্ৰাপ্তিতকৈ প্ৰেমৰ এই সুষমামণ্ডিত অৱস্থাই হয়তো বৰদলৈক অধিক আছন্ন কৰি ৰাখিছিল। বৰদলৈদেৱৰ উপন্যাস সমূহৰো নামকৰণো প্ৰায়কেইখনেই নাৰী নাম প্ৰধান হোৱাতো বিচাৰ কৰিবলগীয়া। 'নিৰ্মল ভকত' উপন্যাসখনিতো 'ৰূপহী' নামৰ চৰিত্ৰটোৱে আজীৱন হৃদয়ত এটি প্ৰেমৰ সজীৱ-সপ্ৰাণ নিজৰা বোঁৱাই ৰাখিও সামাজিক নীতি-নিয়মেৰে আন এজনৰ লগত বিবাহ পাশত আৱদ্ধ হৈছিল। প্ৰেম হৃদয়ৰ অনুভৱ অনুভূতিৰ লগত সম্পৃক্ত আৰু সামাজিকতা জীৱন নিৰ্বাহৰ পদ্ধতিৰ লগত সম্পৃক্ত— এই দুটি বিন্দুৰ মাজত এটা ভাৰসাম্যৰ প্ৰয়োজন বৰদলৈদেৱে অন্তৰেৰে স্বীকাৰ কৰি লোৱা যেন আমি অনুভৱ কৰো। কিন্তু মিৰি জীয়ৰীত একান্তই কাহিনীৰ তাগিদাতেই পানেইৰ চৰিত্ৰত তেনে বৈশিষ্ট্য আৰোপ কৰিবলৈ লেখক অপাৰগ হৈছিল। গতিকেই ডালিমী সৃষ্টিৰ অন্তৰালত বৰদলৈদেৱৰ অৱচেতন মনৰো গভীৰত থকা 'নাৰী' প্ৰতিমূৰ্ত্তিৰ এটি ছয়ামৱা ৰূপ পানেইৰ বিপৰীতে আত্মপ্ৰকাশৰ বাট কাটি ল'লে বুলি ভাবিবৰ থল আছে।





গল্প

# প্ৰেমৰ এটি খোচ....

বিটুল বাইলুং
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)
অৰ্থনীতি বিভাগ

মোৰ.. মোৰ..... জীৱনটো কি ?? জীৱনটো যেন এতিয়া পানীত হাঁহ নচৰা অৱস্থা... । আকাশে নিজকে কোৱাদিকৈ বাৰীচকৰ আমজোপাৰ তলত বহি আছে। আকাশে বহুপৰ তাতেই বহি আছে। এনে এক অনুতপ্তপূৰ্ণ পৰিৱেশতে হিতেশে কান্ধতে হাতখন দি জোকাৰ এটি মাৰিলে ঃ অ' তই ইয়াত কি প্ৰেম যজ্ঞৰ হোম পুৰিছ — লাহেকৈ হাহিঁলে হিতেশে।

"ব'ল, ব'ল, আজি অলপ এই মনোমঞ্জৰী বাগিছাৰ পিনে যাওঁ। মনটো ভাল লাগিব।" হিতেশৰ এনেধৰণৰ কথাত মূৰটো তুলি আকাশে এবাৰ চাই আগবাঢ়িলে। দুয়ো গৈ ঘৰ পালে। মাকে পুতেকৰ তেনে ধৰণৰ অৱস্থা আজি কেইবাদিনো লক্ষ্য কৰিছে। কি হৈছে নহৈছে তাকে ভাবি মাক মহেশ্বৰীয়ে বহুসময় কটাইছে। দুয়োকে একেলগে অহা দেখি মাকে মাত লগালে, "অ, তহঁতদুয়ো আহিলি। আকৌ কেনিবা যাবি নেকি হিতেশ? যোৱাৰ আগতে দুয়োটাই জলপান অলপমান খাই ল'। আজি দুদিনমানৰ পৰা আমাৰ আকাশেও ভালদৰে খোৱা-বোৱা কৰা নাই।

এইকেইশাৰী কথাকোৱাৰ পাছতে মাকে পাক ঘৰত সোমালে। আকাশে এইবাৰ হিতেশক লাহেকৈ কলে, "মায়ে কান্দিছিল নেকি অ'? বৰ বেজাৰ মনে থকা দেখিছোঁ।" হিতেশে পৰিৱেশটো অলপ সহজ কৰিবলৈ ব্যংগ শব্দৰ গাঁথনিৰেই আকাশৰ প্ৰশ্নৰ সমিধান দিলে, "হয়তু মোৰ চকুহালেও তাকেই দেখিছিল। তই প্ৰেম কৰি প্ৰেমত উটি ভাহি থাকিবি



'আমি আধুনিক বিশ্বৰ লগত সমানে খোজ পেলাব নোৱাৰিম যদিহে আমি ডাঙৰ কাৰখানাৰ ক্ষেত্ৰত হওক নাইবা ক্ষুদ্ৰ উদ্যোগৰ বাবেই হওক শেহতীয়া নিৰ্মাণ শৈলী গ্ৰহণ নকৰোঁ আৰু যদি আজিৰ পৃথিৱীত পাব পৰা নতুন নতুন শক্তিৰ উৎসসমূহৰ উপযুক্ত প্ৰয়োগ নকৰোঁ"

— জৱাহৰলাল নেহেৰু।

আৰু সেই দুখ মাৰাই ভোগ কৰিছে।" হিতেশৰ কথাকেইটা সি ভালদৰে শুনিলে আৰু একো নকলে। ভিতৰৰ পৰা মাকে দুয়োকে জলপান খাবলৈ মতাৰ শব্দ শুনি হিতেশে আকাশক হাতত ধৰি টানি লৈ গ'ল। দুয়ো খোৱা টেবুলত বহি জলপান খাবলৈ আৰম্ভ কৰিলে। মাকে দুয়ো খাই থকা অৱস্থাতে দুই তিনিটা বেদনাসুচক বাক্য বায়ুৰ মাজলৈ এৰি দিলে। খোৱাৰ হ'লত দুয়ো হাত মুখ ধুই উঠিলে। এইবাৰ মাকে বাচনকেইটা সামৰি থাকোতে হিতেশক সুধিলেঃ " তহঁতেনো কলৈ যাবলৈ ওলাইছ? কৈ যাবি দেই। দেউতাকো আহি পাবহি এতিয়া।" হিতেশে লাহেকৈ ক'লে, 'বৰমা, আমি অলপ বাগানৰ পিনৰ পৰা আহোঁ বুলি ভাবিছোঁ। বৰমা আমি যাওঁনে।" মাকে লাহেকৈ ক'লে, "সোনকালে আহিবি দেই। তহঁতৰটো পৰীক্ষা আহি পালেহিয়েই।"



আকাশে নিজৰ বাইচাইকেলখন উলিয়াই আনিলে আৰু গেটখন খুলি হিতেশে কেৰিয়াখনতে বহিলত দুয়ো যাত্ৰা আৰম্ভিলে।

(২)

দুয়ো গৈ বাগানৰ এটি মূৰত উপস্থিত হ'ল আৰু আকাশে লাহেকৈ চাইকেলখন ৰখাই দিলে আৰু দুয়ো খোজেৰে আগুৱাবলৈ ধৰিলে। হিতেশে আকাশক ৰহস্যপূৰ্ণ বাক্যৰে মাত লগাম বুলি ভাবিও মুখৰ অৱস্থা দেখি অলপ গহীনভাৱে মাত লগালে ঃ এই, আকাশ আজি তোৰ কিবা বেমাৰ হ'ল নেকি? মাতবোল একো নাই।"

আকাশে গহীনভাবেই মাত লগালে, আজি পুৱাৰ পৰাই মনটো বৰ বেয়া লাগি আছে। আকাশৰ সংক্ষিপ্ত বাক্যৰ অৰ্থ বুলি হিতেশে পুনৰ কলেঃ- কেনে ধৰণৰ, মানে কিয় বেজাৰ লাগিছে? হিতেশৰ এই কথাত আকাশৰ মনটো অলপ পাতলিল আৰু কলে ঃ তইটো জান, মই ৰশ্মিক কিমান ভালপাওঁ। কিন্তু তাই আজি মোক এৰি আতঁৰিব খুজিছে। সেয়েহে মনটো বেয়া লাগিছে।"

তাৰ কথা শেষ নহওঁতে হিতেশে মাত লগালে ঃ "তাই ছাগে তোৰ প্ৰেমৰ পবিত্ৰ নদীত বৰ বেয়াকৈ বিহ ঢালিলে।" "তই সেই সাহিত্যৰ বাক্যাংশবিলাকে প্ৰতিটো বাক্য আৰম্ভ নকৰিবিছোঁন। মইহে বুজিছো তাইৰ কথাৰ পাক। মোৰ নিচিনা এজন গাধ লৰাক তাই পাত্তাই নিদিব বুলি মই আগতে ভবাই নাছিলোঁ।"

তই সেইবিলাক আত্মঅনুসূচনা এৰি মোক আচল কথা ক? চাওঁ তোৰ বন্ধু হিচাপে কিবা এটা কৰিব পাৰো নেকি! হিতেশে তালৈ নোচোৱাকৈয়ে ক'লে। আকাশে নিজকে অলপ সংযত কৰি তাৰ অতীত ইতিহাস আৰম্ভ কৰিলে আৰু হিতেশে শ্ৰৱণ ইন্দ্ৰিয়ক সজাগ কৰি ল'লে।

মই তেতিয়া নৱমমানৰ এজন ছাত্ৰ। তইতো জান যে মই পঢ়াশুনাত কেনেকুৱা? তথাপি পঢ়ি আছোঁ, এৰিব নোৱাৰি। ৰশ্মি মোতকৈ কিন্তু এবছৰ সৰু বুলি এদিন ৰশ্মিৰ মাকৰ মুখৰপৰাই শুনিছিলো। লাহেকৈ বাঢ়ি অহা নদীৰ দৰে চাওঁতে চাওঁতে ৰশ্মি এদিন যৌৱনৰ দুৱাৰদলি ভৰি দিলে। তাইৰ সেই মাৰ্জিত স্বভাৱৰ লগতে অন্য কিছুমান গুণে মোক মোহিত কৰি পেলালে। তাইৰ ৰূপত মোৰ মনে উৰা মাৰিলে এক অচিন দ্বীপলৈ। য'ত মাথো তাই আৰু মই। কল্পনাৰ মোহনীয় কাৰেঙত যেন তাই ৰূপহী আৰু মই চিৰকুমাৰৰ দৰে তাইৰ ৰূপত বলীয়া হৈ পৰিছিলো। তাইৰ কথাৰ ধৰণ, চাল-চলন আদি সকলো মোৰ পৰিচিত হৈ পৰিলে। এনেদৰে আমি দশম শ্ৰেণীত উপস্থিত হলো আৰু আমাৰ মাজতে অজানিতে আৰম্ভ হ'ল পত্ৰ প্ৰেৰণ কাৰ্য। দুয়ো মনৰ ভাৱ নিজবাৰ মুখেৰে বোৱাই দি সম্পৰ্ক দৃঢ় কৰণত ব্যস্ত হৈ পৰিলোঁ। এনে ধৰণৰ পত্ৰ সম্পৰ্ক আমাৰ মাজত চাৰি বছৰ ধৰি চলিছিল। এই চাৰিবছৰৰ ভিতৰত দুয়োৰে ক'তবাৰ শাৰীৰিক মিলনো ঘটিছে। এটা সময়ত আমাৰ সম্পৰ্ক এনে হৈ আহিল যে দুয়ো দুয়োকে এৰিব নোৱাৰা হৈ পৰিলোঁ। তাইৰ মোহনীয় স্মৃতি মোৰ হৃদয়ৰ কোনো এক গভীৰ কোণত গভীৰ ভাৱে থিতাপি লৈছিল। কিন্তু এদিনৰ এটি বাক্যৰে যেন সেই কোণত আউল লগায় দিলে। বাৰে বাৰে জোখ ললেও যেন প্ৰতিবাৰে ভুল হৈ যায়।

'হ'ব, হ'ব; অলপ সময় ৰ'। নহলে মোৰ শুনি





শুনি কাণ কলা হৈ যাব।" হিতেশে কথাৰ মাজতে ক'লে।

তইশুনি আমনি পাইছ চাগে? বেজাৰ কণ্ঠেৰে আকাশে কলে।

'নহয় অ', তই যদি একেৰাহে কৈ যাৱ তেন্তে তোৰ গল্পৰ মাজত কোনো কোনো কথা বৈ যাব দেখোন। অলপ কথাবোৰ পাগুলি লবলৈ দে। হিতেশে একে উশাহতে সকলো শেষ কৰিম বুলি চেষ্টা কৰিছিল যদিও নোৱাৰিলে।

বাগানৰ মাজভাগত ৰাস্তাৰ অলপ কাষেৰে বুঢ়া চিৰিচ জোপাৰ তলতে দুয়ো কথা পাতি আছিল। দূৰৈৰ পৰা বালিকাসুলভ মৃদু কথোপকথন, হাঁহি আদি ভাঁহি আহি আকাশৰ কাণত টুকৰ মাৰিলে। আকাশে হিতেশক ক'লে; "তই চাছোন, ৰাস্তাই দি কোনোবা আহিছে?" হিতেশে লাহেকৈ গছজোপাতে ভৰ দি চাই দেখিলে যে ৰশ্মিহতঁৰ গেঙটোৱেই আহিছে। সি ভালদৰে চাই সিহঁতৰ মাজত ৰশ্মিক দেখা নাপালে। হিতেশে অতপৰ এনেদৰে থিয়হৈ ভেবা লাগি চাই থকা দেখি ভৰিটো জোকাৰি আকাশে ক'লে, "তই কি ধৰিবই পৰা নাই নেকি?"

"অ, পাৰিছোঁ; পাৰিছোঁ। ৰশ্মিহতঁৰ গেঙ্‌টোৱেই আহিছে। কিন্তু তোৰ শেলপাত তাত যে নাই?" হিতেশৰ কথাৰ ৰূপ বুজিব পাৰি আকাশে একো নকলে। কিছু পৰৰ পিছত জোনালী, ৰূপা, নিভা আহি সিহঁতৰ ওচৰ চাপিল আৰু আকাশে থৈ অহা চাইকেলখন দেখি ৰূপাই ক'লে," এইখনটো আকাশদাৰ চাইকেল।"

"সিহঁত নিশ্চয় ইপাৰে আছে।" জোনালীয়ে মাত লগালে। এইবাৰ নিভাই হিতেশদা হিতেশদা বুলি দুটামান চিঞঁৰ মাৰিলে।

"তোমালোক আকৌ কলৈ ওলাইছা।" থিয়হৈ গহীনভাৱে হিতেশে কলে।

আমি এই সেউজীয়া পৰিৱেশতে কিছুসময় জিৰণি লবলৈ আহিছোঁ। সুৰেৰে ৰূপাই কলে। পিছে তোমালোকে কি কৰিছা? সাহিত্যিক বিলাকৰ বাবেটো নিৰ্জনতাই ভাল পৰিৱেশ; নহয় জানো। নিভাই টপৰাই মাত লগালে হিতেশে মাথো হাহিঁলে।

জোনালীয়ে পুনৰ হিতেশক প্ৰশ্ন কৰিলে, আজি দেখোন আকাশৰ ছাঁটোকে নেদেখিলো। ৰশ্মিয়ে কি মন প্ৰাণ হৰণ কৰিলে নেকি? হিতেশে ক'লে, "হৰণ কৰা নাই, মাথো ৰথৰ চকৰিহে ঠিক কৰি আছে।" সকলোৱে এবাৰ হাহিঁলে আৰু সিহঁতকেইজনীয়ে বিদায় লৈ আতঁৰি গ'ল।

দুয়ো এইবাৰ থিয় হৈ সিহঁতকেইজনী যোৱাৰ পিনে চাই ৰ'ল। হিতেশে ক'লে, ব'ল, আজিলৈ এই বজাৰ ইমানতে সামৰোঁ।" 'বল যাওঁ' বুলি হিতেশে আগবাঢ়ি চাইকেলখন ৰাস্তাত থিয় কৰি আকাশক উঠিবলৈ ইংগিত দিলে। আকাশে লাহেকৈ নিজৰ আসন গ্ৰহণ কৰাত হিতেশে পেদেল পাতত ভৰিৰে অলপ জোৰকৈ হেঁচা এটা মাৰি আগুৱাই গ'ল।

(৩)

আবেলিৰ সময়। মাকে পুতেকৰ কথাকে ভাবি পিৰালিতে বহি আছে। বাপেকে চাইকেলখন নিৰ্দিষ্ট স্থানত ৰাখি "হেৰি তুমি ক'ত হে? মই আহিলোঁ।" এইবুলি ঘৰলৈ নোচোৱাকৈয়ে মাত লগালে। মাকে 'আছো মই' বুলি মাতষাৰ লগায়েই পাকঘৰৰ ফালৰপৰা এটা গিলাছত কৰ্‌দৈ চৰবত আৰু এহাতে এখন গামোছা লৈ ওলাই আহিল। দেউতাকে টিউৱেলটোতে নিজৰ হাতমুখ ধুই পিৰালিৰ চকীখনতে বহিল। মাকৰ হাতৰপৰা আকাশৰ দেউতাকে গিলাছটো লৈ 'আকাশ ক'ত? দেখা নাই যে।' বুলি প্ৰশ্ন কৰিলে। মাকে পুনৰ গামোছাখন চকীখনতে থৈ ক'লে, "হিতেশে লগত লৈ আলিৰ পিনে গৈছে। আহি পাবহি এতিয়া।" এইবুলি কৈ ভিতৰলৈ গতি কৰিলে। বঁটাটোতে তামোল কাটি থোৱা পাই, এখন তামোল হাতত লৈ পুনৰ আকাশৰ দেউতাকৰ কাষ পালেহি। তামোলখন দি মাকে আকাশৰ বিষয়ে কিছু কথা আলোচনা কৰিলে।

'আকাশৰ মনটো এই দুদিনমানৰ পৰা মাৰি থকা নিচিনা দেখিছোঁ। কিবা বেমাৰ চেমাৰ হোৱা নাইতো।" মাকে কৈ গ'ল।

'তুমিহে গম পাবা আকৌ।' বুলি মাকলৈ নোচোৱাকৈয়ে ক'লে।

'অলপ, ডাক্তৰৰ ওচৰৰ পৰাই আহো নেকি?"

পুনৰ মাকে ক'লে।

'দুদিনমান আৰু বাটছোৱাচোন। তাৰ পিছত কিবা এটা কৰা হ'ব।" আকাশৰ দেউতাকে মাকক অলপ লক্ষ্য কৰি কথাটো ক'লে।

"হব, তুমি যিটো ভাবা সেইটোৱে হ'ব।" এইবুলি আলোচনাৰ মুখনি মাৰিবলৈ মাকে যত্ন কৰিলে।

"এইবোৰ কোনো ৰোগ নহয় জানা। এই বয়সত এইবিলাক হয় দিয়াছোন। আমাৰোতো হৈছিল। আকাশৰ দেউতাকৰ এনে কথাত মাকে হাঁহি এটি মাৰি ক'লে, "ময়ো প্ৰথমে তাকে ভাবিছিলোঁ। তথাপি বৰ্ত্তমানৰ পৰিৱেশটো চাইহে সেইখিনি সুধিলোঁ।" আকাশৰ দেউতাকে এইবাৰ মৃদু স্মৃতিসুচক হাঁহি এটি মাৰি ক'লে, "তুমি নিশ্চয় গম পাবাই। কাৰণ

তোমাৰ সেই অতীত অভিজ্ঞতা আছে; নে কি কোৱা?" এই কথাত মাকে একো সমিধান নিদিলে। দুয়ো এইবাৰ নিৰৱ হৈ বহি থাকিল।

হিতেশে আধা বাটতে আকাশৰ পৰা বিদায় লৈ ঘৰমূৱা হ'ল। আকাশৰ মনটো পুনৰ আগৰ অৱস্থাত ভৰি দিলে। ভাবি ভাবি আহি নিজ ঘৰৰ গেটৰ মুখত থিয় দিলেহি। সি ভাবিলে, 'বহুকথা কোৱা নহ'ল। মনটো এতিয়াও পাতল পাতল লগা নাই।" —

গেটখন খুলি সি সোমাই আহিল। মাকে বহি থকা ঠাইৰ পৰা সুধিলে, 'আকাশ, হিতেশ নাহিল নেকি?" 'নাহিল' বুলি শুনা-নুশুনাকৈ কৈ চাইকেলখন নিৰ্দ্দিষ্ট স্থানত মানে ভঁড়ালৰ আগৰ বেৰ দিয়া কোঠালিটোতে ৰাখিলে। আকাশে এইবাৰ পোনেই টিউৰেলৰ ওচৰলৈ গৈ হাতমুখ ধুই নিজৰ কোঠাত সোমাল। দেউতাকে একো নামাতি মাথো নিৰৱ দৰ্শক ৰূপে বহি থাকিল।

এনেদৰে প্ৰায় কেইবাসপ্তাহো পাৰ হ'ল। লাহে লাহে আকাশ বৰুৱাৰ স্বাস্থ্যৰ অৱনতি ঘটিলে। কাম-কাজতো অকামিলা হ'ল। কিবা এটা কৰিবলৈ গৈ কিবা এটা কৰি থৈ আহে। লাহে লাহে তাৰ মনলৈ আত্মহত্যাৰ বীজ অংকুৰিত হ'বলৈ ধৰিলে। ভাবিলে 'এইয়া, এনে জীৱন কি? মই আৰু জীয়াই নাথাকো।' বহুতো অবাঞ্চিত চিন্তাই মনত খুন্দা মাৰিবলৈ ধৰিলে আৰু নিজ যুক্তিৰে মৃত্যুকে শ্ৰেয় বুলি উচিত পথ বিচাৰিলে। সেইদিনা বৃহস্পতিবাৰ। তাৰ জন্মদিন। কিন্তু অৱস্থাৰ ৰূপ কেনে? নিজক বিদায় দিয়াৰ শেষ ক্ষণ। পুৱতি ক্ষণতেই সি ঘৰৰ কাকো গম নিদিয়াকৈ বাগিছাৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, য'ত হিতেশ আৰু সি বহি প্ৰায়ে বিভিন্ন বিষয়ত আলোচনা কৰিছিল। অতীত প্ৰেম পাগুলি পাগুলি সি অন্তত উক্ত স্থান পালেগৈ। নিজৰ হাতত থকা মৰাপাটৰ ৰচিডাল হাতত তুলি ললে আৰু স্থান নিৰ্বাচনৰ বাবে গছৰ ওপৰলৈ চাবলৈ ধৰিলে আৰু ভাবিলে, 'এনে এডোখৰ ঠাইত লোৱা হ'ল যাতে য'ত কেৱলমাত্ৰ ৰশ্মিয়েহে সুন্দৰভাৱে দেখা পায় আৰু তাই ভাৱক যে প্ৰেমৰ বিফলতাৰ এক কৰুণ পৰিণতি ......।"



সেই সময়তে অঘটন ঘটিল। আকাশৰ কাণত এক মৃদুস্বৰ বাজি উঠিল ঃ আকাশদা, কি কৰে?"

মাতযাৰ বুজি লাহেকৈ ঘূৰি চায়। ৰশ্মি তুমি, তুমি ইয়াত কি কৰিছা?"

'মই মানে তোমাক লগ কৰিম বুলি ভাবি পুৱাতে কাকো নোকোৱাকৈ উলাই আহিছোঁ, আকাশ দা। মোক ক্ষমা কৰি দিয়া। হাঁহিমুখে ৰশ্মিয়ে কৈ গ'ল।

'তোমাক ক্ষমা কৰিব.... কিয়?" আকাশে আচৰিত হোৱাৰ ভাৱেৰে ক'লে।

'মানে মই তোমাক মনোকষ্ট দিয়াৰ বাবে।" মহাপাপৰ স্বীকাৰোক্তিৰ দৰে ৰশ্মিয়ে ক'লে।

'মই তোমাক ভাল পাওঁ আকাশদা! তোমাৰ মোৰ প্ৰতি কিমান মৰম আছে তাক জুখিবলৈহে মই মানে হিতেশৰ কথামতে এনে কৰিছিলো।।"

'কি? কি ক'লা, হিতেশৰ কথামতে?'

'হয়, হয়, আকাশদা; মোৰ কথামতে নহয় মানে দুয়োৰে আলোচনামৰ্মে।' হিতেশে দূৰৈৰ পৰাই জোৰ কৈ ক'লে। দুয়ো হিতেশক দেখি আচৰিত হ'ল। ইমান পুৱাতে সি ইয়াত? তাতে এনে কাৰ্য? আকাশে পাৰ নাপালে আৰু একো নজনাৰ দৰে হিতেশৰ কাষ চাপিলে। হিতেশে হাঁহি মাৰি ক'লে, 'কি সেয়া হাতত? অ', মই বুজিলো। আকাশে হাতত থকা ৰচিডাল থবলৈও পাহৰিলে। ইতিমধ্যে ৰশ্মিয়ে আহি তাহাঁতৰ ওচৰ পালে আৰু হিতেশৰ মুখলৈ চাই ৰশ্মিয়ে হাঁহিলে আৰু ক'লে, 'মই যাওঁ'।

'কেলৈ যোৱা, ৰবা।' হিতেশে মাত লগালে।

'জানা আকাশ, ৰশ্মিয়ে তোমাক ঘিণা কৰা নাছিল। মাথো পৰীক্ষাহে ললে আৰু তুমি সততাৰে পৰীক্ষাত বহি এতিয়া সুখ্যাতিৰে উত্তীৰ্ণ হ'লা।' কাৰোলৈ নাচায় হিতেশে মাথো হাঁহিলে। পুৱাৰ নৱ সূৰুযৰ ৰাঙলী ৰশ্মিয়ে আকাশৰ লগতে হিতেশৰো মন বিৰিঙাই তুলিলে। ❖





অ তি থি চ ৰা

গ ল্প

# দাপোণত গিৰিকান্তৰ মুখ

মাধুৰীমা বৰুৱা
সদস্যা সচিৱ, অসম ৰাজ্যিক মহিলা আয়োগ
উজান বজাৰ, গুৱাহাটী-১

সন্মুখৰ দাপোণত জিলিকি উঠা অবয়বটো দেখি ক্ষন্তেক পৰৰ বাবে মই ৰৈ গ'লো কি নাম মোৰ? গিৰিকান্ত ৰাভা নে নৃপেন শইকীয়া নে আন কিবা। বহুত দিন হ'ল — বহুদিন মই মোক এনেদৰে চোৱা নাই। নিজকে পুংখানুপুংখভাৱে চাবলৈ ধৰিলোঁ — গাল ভঙা, হনু ওলোৱা এখন দীঘল চানেকীয়া মুখ, থুঁতৰিত হো-চি-মিনৰ (কোন নাজানো, উজ্বলদাই কোৱা শুনিছোঁ) দৰে কেইডালমান দাড়ি, গালৰ অত ত'ত শুকাই কৰাল মৰা কেইটামান শালমইনা, মূৰত একোছা সামান্য দীঘল ঠৰঙা চুলি। এইটোৱে মই। মোৰ চকুকেইটা! এইবাৰ চকুকেইটালৈ ভালকৈ চালোঁ — সৰু সৰু টনা চকু— ঘনকৈ চকু টিপিয়াই থাকোঁ— সেইবাবে ঘনে ঘনে মোৰ চকুৱে চৰিত্ৰ সলায়। মাজে মাজে সৰলতাই আৰু মাজে মাজে ধূৰ্তালিয়ে মোৰ চকুত ধেমালি কৰে।



পাঁচোটা ককাই-ভাইৰ মাজত মই হলোঁ পেটমোচা- বাই দুজনীও আছিল। কষ্মিনকালতে সিহঁতৰ বিয়া হ'ল। পিতাই হ'ল গাঁওখনৰ ভিতৰতে ধনী-এশ ত্ৰিশ/বত্ৰিশ বিঘা ৰূপিত মাটি, নদীৰ পাৰলৈ কেবা বিঘাও পামৰ মাটি তাত খৰালি আলু আৰু বেহাৰৰ (সৰিয়হ) খেতি হয়। চাৰি বিঘা বস্তি মাটিত আমাৰ ঘৰটো। এশ জোপামান তামোল আৰু ডেৰকুৰি জোপামান নাৰিকলৰ গছ আছে। খৰালি ঘৰ-ঘৰোৱাহে খাব পৰাকৈ দেধাৰ শাক-পাচলি হয়। ঘৰৰ সীমাতে আধাবিঘা মাটিৰ পুখুৰী এটা মাছেৰে ভৰা। বাৰিষাৰ ধল অহা দিনতো মাছবোৰ ওলাই যাব নোৱাৰাকৈ পুখুৰীৰ পাৰ বন্ধা।

সৰুতে মই বৰ বাঘৰ আগতেল খোৱা দুষ্ট আছিলো। আমাৰ ঘৰৰ বন্ধা হালোৱা ৰূপৰামৰ সৰুটো পুতেক হলিৰামে মোৰ লগতে পাঠশালাত পঢ়িছিল। সিয়ে ময়ে পঢ়াশালি বন্ধৰ দিনত গোটেইখন টিঘিল-ঘিলাই ফুৰিছিলো। আম কঁঠালৰ দিনত আম গছৰ তলত বা কঁঠাল গছত উঠি আম-কঁঠাল খাইছিলো। এবাৰ গৰম দিনৰ দুপৰীয়া সি আৰু মই আমাৰ পুখুৰীটোত সাঁতুৰি থাকোঁতে হঠাতে সি পুখুৰীৰ তলিত থকা গাঁতত সোমাই গৈছিল — কক্‌বক্ কৰি তললৈ যোৱা হলিৰামৰ চুলিত ধৰি ময়ে পাৰলৈ তুলি

আনিছিলো। সেইদিনা পিতায়ে ৰূপৰামৰ হাতৰ পৰা আঁজুৰি আনি হালোৱা এচাৰিৰে আমাৰ দুয়োটাৰে পিঠি ফালিছিল; হলিৰামৰ সংগতে হাঁহি কান্দি, উমলি-জামলি একেলগে ডাঙৰ হলোঁ, পঢ়াশালি পাছ কৰি তিনিমাইল আঁতৰৰ হাইস্কুললৈ গলোঁ। বোকা-পানী খচকি হাইস্কুল যাবলৈ ওলোৱাত আমাৰ বাবে যেন নতুন পৃথিৱীৰ দুৱাৰ মুকলি হ'ল। তিনি মাইল বাটত বিচিত্ৰ অভিজ্ঞতা হ'ল — বাটলু গুটিৰে চৰাই মৰাৰ পৰা নিষিদ্ধ ঘটনাৰ নীৰৱ দৰ্শক হোৱা আদি বিচিত্ৰ ঘটনা।

হাইস্কুলৰ ওপৰ শ্ৰেণীত থাকোঁতে আমাৰ হাইস্কুলৰ ওচৰৰ পথাৰখনত এখন বিচিত্ৰ মেলা বহিছিল; বিধে বিধে খেল। তাৰে এটি বন্দুক টোৱাই শাৰী শাৰীকৈ ডাঙৰ চকৰিত লগাই থোৱা বেলুন ফুটাব লাগে- দহ বাৰ চেষ্টা কৰি একে শাৰীৰ তিনিটা বেলুন ফুটাব পাৰিলে ডিঙিত ৰিং দলিয়াই হাঁহৰ ডিঙিত সুমুৱাব পৰা খেলটোৰ তিনিখন টিকট পায়। দহটা ৰিঙৰ ভিতৰত তিনিটা ৰিং জীয়া হাঁহৰ ডিঙিত সুমুৱাব পাৰিলে পুৰস্কাৰ পায়। বাটলু গুটিৰে শালিকা, ঘৰচিৰিকা কপৌ চৰাইৰ মূৰ ফালিব পৰা মোৰ পোনহাতেৰে হাঁহৰ ডিঙিৰ ৰিং সুমুৱাব পাৰিলো। সেই খেলৰ প্ৰথম পুৰস্কাৰ আছিল এটা পখৰা পখৰি ফুল থকা চোলা। চোলাটো গাত সুমুৱাই আইনাত চাওঁতে নিজকে হিন্দী চিনেমাৰ হিৰ' যেন লাগিল। কিন্তু এনে পখৰা ক'লা চোলা পিন্ধিলে পিতায়ে মোৰ পিঠি ফালিব সেয়ে মই থাওকতে আমাৰ হাইস্কুলৰ ওপৰ শ্ৰেণীৰ ল'ৰা এটাক কুৰি টকাত বিক্ৰী কৰি



দিলো। হঠাতে মই কুৰি টকাৰ মালিক হৈ ধনী মানুহৰ দৰে গপচ হৈ পৰিলো। মেলাৰ একোণত থকা চাহ মিঠাইৰ দোকানলৈ সোমাই গৈ হলিৰাম আৰু মই চাহ চিঙৰা খালো। পেট ভৰাই তৃপ্তিৰে মই এটা কেপষ্টান চিগাৰেট সুখটান মাৰিবলৈ ধৰিলো। চিগাৰেটত সেয়ে মোৰ প্ৰথম সুখটান— অৱশ্যে মাজে মাজে গাঁৱৰ গুমটি দোকানৰ মুখত কথাৰ মহলা মৰা কলীয়া দদাইহঁতৰ পৰা লৈ বিড়িত এহুপা দুহুপা নিদিয়া নহয়- পিছে বিড়িত থকা কেঁচা ধঁপাতৰ কড়া ধোঁৱাতকৈ চিগাৰেটৰ ৰ'ষ্টেড ধঁপাতৰ সুন্দৰ ফুৰফুৰীয়া গোন্ধৰ আবেশত মোৰ দেহ মন জুৰ পৰি গ'ল। আঃ, আজি বহুদিনৰ মূৰত সেই প্ৰথম চিগাৰেট হুপাৰ আমেজৰ স্মৃতিয়ে মোক কঁপাই তুলিলে। মেলাত পোৱা পখৰা চোলাটোৱে মোৰ বাবে যে ইমান সৌভাগ্য আনিছিল। সেইটো ভাবি পুলকিত হৈ পৰিলো।

পিছদিনা স্কুললৈ বুলি ওলাই আহি চহৰলৈ যোৱা লাইন বাছত উঠি ছয়গাঁও পালোহি। দুপৰীয়া শ্ব'ৰ দুটা টিকট কাটি মই আৰু হলিৰাম হিন্দী চিনেমা এখন চাই বেছ হিৰ'ৰ দৰে ঘৰলৈ উভতিলো। হলিৰামে হাইস্কুলৰ আধাতে পঢ়া এৰি নাঙলৰ মুঠিত ধৰিলেগৈ। মই ঘৰৰ হাক-বচন নুশুনা হৈ অবাধ্য হলোঁ — পঢ়া শুনাবোৰ মূৰত নুসুমাই মূৰৰ ওপৰেদি যোৱা হ'ল। হঠাতে আৱিস্কাৰ কৰিলো স্কুলৰ সভা সমিতিবোৰত অলপ ইফালে সিফালে কৰিলে বেছ গুৰুত্ব পোৱা যায়। মুখত অবাইচ মাত লৈ স্কুলৰ লগৰবোৰৰ ওপৰত খবৰদাৰি কৰিবলৈ ললোঁ। অশ্লীল ভাষাৰে কথা ক'বলৈ শিকি নিজকে পুৰুষ পুৰুষ লাগিবলৈ ধৰিলো। গাঁৱতো কাৰোবাৰ লগত অলপ গৰমিল হ'লেই লপা-থপা দিবলৈ ধৰিলো। লাহে লাগে মোক সকলোৱে সমীহ কৰিবলৈ ধৰিলে পেন্দুকণা ল'ৰাৰ পৰা ওপৰ ক্লাছৰ ল'ৰা বা হেড্‌মাষ্টৰলৈকে। পকেটত টকা লৈ ফুৰো — বাৰীত হোৱা পাণ তামোল বা নাৰিকল বেচাৰ পইচা পিতায়ে আইক ল'বলৈ দিয়ে — মই আইৰ পৰা ডকাইতি কৰিবলৈ ললোঁ। ধান বা সৰিয়হ বেচি পোৱা পইচা পিতাৰ জেপৰ পৰা লুৰুকিবলৈ ল'লোঁ। মোৰ পইচাৰ গোন্ধত গাঁৱৰ আন কেইটামান পিলিঙা মোৰ লগ লাগিল। কিতাপ-পত্ৰ ধোঁৱাচাঙত থৈ বাটে ঘাটে বাহুবল আৰু ধনবল দেখুৱাবলৈ ললোঁ। মেট্ৰিক পৰীক্ষা দিলো— পৰীক্ষা হ'লত নোটৰ কিতাপৰ পৰা ফলা আৰু ঘৰত লিখি অনা সৰু সৰু পুৰীয়া উলিয়াই লিখি থকাৰ পিছতো মাষ্টৰে নেদেখাৰ ভাও জুৰিলে। এনেকৈ ছেকেণ্ড ডিভিজনত পাছ কৰিলোঁ। আমাৰ গাঁৱৰ আঙুলিৰ মূৰত লিখিব পৰা





ল'ৰাইহে ছেকেণ্ড ডিভিজনত পাছ কৰিছে। মোৰ ৰিজাল্ট ওলোৱাৰ দিনা গোটেই গাঁওখন আনন্দিত হৈ উঠিল— আয়ে চাহ জলপান দি ভাগৰি পৰিল, ৰাতিলৈ পিতায়ে ঘৰৰে হাঁহ দুজনী মাৰি ওচৰ-চুবুৰীয়াক ভাত খুৱালে।

মেট্ৰিক পাছ কৰাৰ পিছত মনলৈ বৰ গপচ ভাব আহিবলৈ ধৰিলে, মই বৰ ভাৰত ওফন্দি উঠিলো। বৰ আলিৰ ওপৰত থকা আমাৰ গাঁৱৰ ওচৰৰে কলেজখনতে নাম লগালোঁ। কলেজীয়া জীৱন আৰম্ভ হ'ল। ইমান মুকলিমূৰীয়া জীৱন-কিতাপ পত্ৰ নিব নালাগে চোলাৰ ভিতৰত এখন বহী, পকেটত কলম এটা- ক্লাছ কৰিলেও কৰিব পাৰে, নকৰিলেও হয়। লগত এজাক গাভৰু ছোৱালী, তজবজীয়া আছিলো বাবে ওপৰ ক্লাছৰ দাদাহঁতৰ চকুত পৰিলোঁ। ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়লৈ প্ৰথমে চুচুক চামাককৈ গৈ পিছলৈ মেজত ভৰি দি চাহৰ কাপ আগত লৈ বহিব পৰা হ'লোঁ। ক্লাছ কৰিবলৈ এৰি একতা সভাৰ মিটিং আৰু আড্ডাত বেছি সময় দিয়া হ'লো। কথাৰ অকণমান ইফাল সিফাল হ'লেই মোৰ হাত উঠা হ'ল। পিতা আৰু আইৰ পৰা ডকা-হকা দি অনা পইচাৰ বাবে মোৰ পিছে পিছে ঘূৰা সৰু দল এটা হ'ল। আমি বীৰৰ দৰে কলেজৰ চৌহদৰ ভিতৰত বা আলিত ঘূৰি ফুৰোঁ। পঢ়া-শুনা, কিতাপ, ক্লাছ, প্ৰফেচাৰ আদি শব্দবোৰ মোৰ বাবে অচিনাকী হৈ পৰিল। এনেতে আহিল কলেজৰ নিৰ্বাচন, সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী দিগন্ত ৰাভা বোলা ল'ৰাটোক মই আৰু মোৰ দলটোৱে সহায় কৰি নিৰ্বাচনত জিকালোঁ। পিছলৈ দিগন্তৰ সকলো কামতে হকা-বাধা কৰিবলৈ ললোঁ- সি মোৰ কথাত উঠা বহা কৰা হ'ল। কলেজীয়া জীৱনৰ দ্বিতীয় বছৰ আমি অধ্যক্ষৰ বিৰুদ্ধে এটা আন্দোলন কৰিলোঁ। তেওঁ আগৰ অধ্যক্ষই অৱসৰ পোৱাত উপাধ্যক্ষজন অধ্যক্ষ হ'ল। তেওঁ নতুন পদবীলৈ আহিয়েই বৰ কাঢ়া নীতি-নিয়ম প্ৰৱৰ্তন কৰিবলৈ ধৰিলে। ক্লাছ চলি থকাৰ সময়ত ছাত্ৰ একতা সভাৰ কোঠাৰ দুৱাৰ বন্ধ কৰি ৰাখিবলৈ আদেশ দিলে। সেইটো কোঠাত চাহ চুবটৰ পৰা আবেলি চুলাইলৈকে চলে। ক্লাছৰ সময়ত বাহিৰত ঘূৰি ফুৰা দেখিলে মাতি আনি ৰুটিন চাই ক্লাছ কৰিবলৈ পঠিয়াই দিয়া হ'ল। এনেকৈ কলেজ চলে নেকি? আমিবোৰ ভিতৰি খঙে ৰাগে একো নাই হৈ পৰিলোঁ। এনেতে টাউনৰ পৰা আহি আমাৰ কলেজত চাকৰি কৰা পলিটিকেল চাইন্সৰ চাৰজনে বুদ্ধি দিলে, বোলে তেওঁৰ ১৫/১৬ বছৰ চাকৰি হ'ল, তেওঁ অধ্যক্ষ হ'বৰ উপযুক্ত, সেয়ে এই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ ধৰিলো। সমূহ ছাত্ৰ-ছাত্ৰীয়ে ভাগ ল'লে



— শ্ৰেণী বিসৰ্জন দিয়া হ'ল , দিনৰ পিছত দিন কলেজ বন্ধ, আমাৰ অঞ্চলৰ আন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েও ভাগ ল'লে স্থানীয় ব্যৱসায়ী সন্থায়ো আমাৰ সমৰ্থনত বজাৰ বন্ধ কৰিলে। তেতিয়াহে সকলোৱে গা-লৰিল। চহৰৰ পৰা হাকিম, স্থানীয় আৰক্ষী অফিচাৰ আহি দফাই, আলোচনা কৰিলেহি। আমি আমাৰ দাবীত অলৰ অচৰ হৈ ৰলোঁ। আমাৰ কলেজৰ শিক্ষক সন্থায়ো সমৰ্থন কৰিলে। এইবাৰ শিক্ষামন্ত্ৰীৰ গা লৰিল। তেওঁৰ প্ৰতিনিধি আহি আমাৰ লগত আলোচনা কৰিলে অৱশেষত আমাৰ দাবী মানি লোৱা হ'ল। আমাৰ পচন্দৰ শিক্ষকজন অধ্যক্ষ হ'ল। এই কথাত বিষমভাৱে লজ্জিত আৰু অপমানিত হৈ আগৰ ভাৰপ্ৰাপ্ত অধ্যক্ষই চাকৰি এৰি গুচি গ'ল। আমাৰ আন্দোলনৰ সফল পৰিণিতিত আমি উৰুলিকৃত হৈ পৰিলো।

এনেতে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা আহিল। আন্দোলনত ব্যস্ত থকাত মোৰ পঢ়াই নহ'ল। আন্দোলনৰ মাজত আন এটা ঘটনাও ঘটিল। আমাৰ লগৰ সুপ্ৰীতি বড়ো বোলা ছোৱালী এজনীক মোৰ হঠাতে ভাল লাগিল। তাইৰ স্বভাৱটো বৰ শান্ত আছিল — পঢ়া শুনাতো ভাল আছিল। মই আৰু মোৰ লগৰ দলটোৱে তাইক জোকাই ব্যতিব্যস্ত কৰি পেলালোঁ। তাই প্ৰথমে আমাক এৰাই চলিবলৈ চেষ্টা কৰিছিল — তাইৰ তেনে কাৰ্যই মোৰ পৌৰুষত আঘাত কৰিলে। মোৰ দৰে কলেজখনৰ ভিতৰতে জাকত জিলিকা, সকলো কামতে আগৰণুৱা ল'ৰা এটাক কি সতেৰে তাই নাকচ কৰে। এইবাৰ আন পন্থা ল'লো — তাই অহা যোৱা কৰা বাটত বৈ থাকি, জোকাই, অশ্লীল বাক্যবাণ মাৰি, গালৈ চিঠি দলিয়াই, সুবিধা পালে গাত হাত দিবলৈ চেষ্টা কৰি তাইৰ জীৱনটো বিষয়ম

কৰি পেলালো। তাই অতিষ্ঠ হৈ পঢ়া শুনা আধাতে এৰি আমাৰ কলেজ এৰি আন ক'ৰবালৈ গুচি গ'ল। মোৰ পৌৰুষৰ দৌৰ গাঁওখনৰ ভিতৰত বা চহৰ চহৰ গোন্ধোৱা ঠাইটুকুৰাৰ কলেজখনৰ ভিতৰত। মই তাইক বিচাৰি নগৈ ছোৱালীৰ কাহিনী ইমানতে ইতি পেলালোঁ। এনেবোৰ ঘটনাৰ মাজতে মই পৰীক্ষা ড্ৰপ দিলোঁ। পৰীক্ষা চলি থকাৰ মাজতে লগৰকেইটালৈ পুৰীয়া পঠিওৱাৰ কামত ব্যস্ত হৈ থাকোতেই মোক আমাৰ গাঁৱৰ নৰেনে মাতিলে। তাৰ স'তে গৈ কলেজৰ বাহিৰৰ চাহৰ দোকানখনত বহোঁতে সি মোক কলে যে মোক উজ্বল দাদাই মাতিছে। শুনিয়ে উচপ খাই উঠিলো— কাৰণ বৰ্তমান চলি থকা মুক্তি যুঁজৰ উজ্বলদা হ'ল আমাৰ পশ্চিম কামৰূপৰ সেনাপতি। প্ৰথমে হতবাক হৈ পিছমুহূৰ্তত পুলকিত হৈ পৰিলো। উজ্বলদাৰ দৰে এজন ডাঙৰ নেতাই মোৰ দৰে এটাক কলেজৰ ইমানমখা লৰাৰ মাজৰ পৰা বাছি লগ কৰিব খোজাত মোৰ গা সাতখন আঠখন হ'ল। সেইদিনা সন্ধিয়াতে মই নৰেনৰ লগত গলোঁ। আমাৰ গাঁৱৰ সীমাত থকা এৰা পৰলীয়া ঘৰ এটাত নিশা এপৰ হোৱাত সাত/আঠজন ল'ৰাৰ স'তে উজ্বলদা আহিল। উজ্বলদাৰ লগত সেয়ে মোৰ প্ৰথম দেখা ইমানদিনে তেওঁৰ নাম বাতৰি কাগজ আৰু ইস্তাহাৰত দেখি আহিছিলো। মোৰ দৰে নতুন ল'ৰা দহ/বাৰজন আহিছিল। আমাক সম্বোধি উজ্বলদাই বহুত কথা ক'লে। আমাৰ দেশখন পৰাধীন সেই কথাটো আমি নাজানিছিলো, সেই ইয়াণ্ডাবু সন্ধিৰ মতেহে হেনো আমাৰ ৰাজ্যখন ভাৰত দেশৰ তলতীয়া হ'ল। আমি আচলতে এটা স্বাধীন জাতি আৰু আমাৰ স্বাধীন ৰাজ্যখন অলক্ষিতে পৰাধীন হৈ পৰিল। আমাৰ ৰাজ্যখন এখন স্বাধীন দেশ কৰাৰ বাবে উজ্বলদাহঁতৰ দৰে বহুত ডেকাই হ'বলগীয়া তয়ামৰা ৰণৰ বাবে নিজকে সাজু কৰিছে। আমাক বহুত দিন ধৰি পৰীক্ষা নিৰীক্ষা কৰি তেওঁলোকে স্বাধীনতা ৰণৰ সেনা হিচাপে নিৰ্বাচিত কৰিলে। সেই নিশা আমি গাঁৱৰ এমূৰৰ ঘৰটোতে থাকিলো- গোটেই নিশা ধৰি বহুত কথা শুনিলো, তাৰে আধা বুজিলো, আধা নুবুজিলো- বুজাৰ ভিতৰত বুজিলো যে ভাৰতীয় সেনা আমাৰ শত্ৰু, এনে শত্ৰুৰ স'তে যুঁজিবৰ বাবে আমি সাজু হ'ব লাগিব। তাৰ বাবে অস্ত্ৰ চলোৱাৰ প্ৰশিক্ষণ ল'ব লাগিব। পিছদিনা আমি ঘৰলৈ ঘূৰি আহিলোঁ।

ঘৰত পিতাকহঁতে কিবা-কিবি সুধিছিল, গেজেৰা মাৰি উত্তৰ দিলোঁ। মনে মনে প্ৰশিক্ষণলৈ যাবলৈ সাজু হৈ টকা পইচা হাত কৰিবলৈ ধৰিলোঁ। প্ৰায় পোন্ধৰ দিনৰ পিছত আমি কেউটা সাজু হ'লোঁ — ঘৰ এৰিব লাগিব, নিজৰ দেশক ভাল পাবলৈ হ'লে কষ্টকৰ পথত অগ্ৰসৰ হ'বই লাগিব। এদিন পুৱতি নিশা শোৱা পাটিৰ পৰা উঠি আগেয়ে ঠিক কৰি থোৱা কানি-কাপোৰৰ টোপোলাটো লৈ আন্ধাৰৰ মাজেৰে চাইকেল লৈ গাঁৱৰ এমূৰৰ ঘৰটোলৈ গ'লোঁ। কেউটা লগ খাই সেইদিনা জীপ গাড়ীৰে আমি আগবাঢ়িলো— পাহাৰীয়া ৰাস্তা আৰু দুয়ো কাষে ঘন জংঘল, কোন পিনে কিমান দূৰ গৈছিলো মনত নাই। পিছদিনা বিয়লি এটা ৰেলৰে ষ্টেশ্যনত নমাই আমাৰ হাতত ট্ৰেইনৰ টিকট দি নৰেনে ক'লে আমিবোৰ দিল্লীলৈ গৈ আছো, দিল্লী ষ্টেশ্যনত নিৰ্মলদাই লগ কৰিব। জীৱনত প্ৰথমবাৰৰ বাবে অসমৰ বাহিৰলৈ গৈছিলো- অকণমান ভয় লাগিলেও স্ফূৰ্তিও লাগিছিল। দুদিনৰ পাছত দিল্লী পালোঁগৈ। অচিনাকী ঠাই তথাপি আগতে লগ পোৱা নিৰ্মলদাক লগ পাই ভাল লাগিল। দিল্লীত ঘূৰা-ঘূৰি কৰি সময় নষ্ট নকৰি গাড়ী এখন ভাৰা কৰি আমাক সীমান্তলৈ লৈ যোৱা হ'ল। তাত আমাক সীমান্ত পাৰ কৰাই সিপাৰৰ কেম্পত গটাই দিয়ালৈকে নিৰ্মলদাৰ দায়িত্ব আছিল। আমি সীমান্তৰ য'ৰ পৰা সীমা পাৰ হোৱাৰ কথা আছিল সেইকেইদিনত সেইখিনিতে ব'ৰ্ডাৰ ছিকিউৰিটী ফৰ্চে ঘন ঘনকৈ তালাচী চলাবলৈ ধৰিলে। আমাৰ দহ বাৰজনৰ মংগোলীয় চেহেৰাৰ বাবে ধৰা পৰাৰ সম্ভাৱনা আছিল। এসপ্তাহ আমাক নিৰ্মলদাই খুব বুদ্ধি কৰি লুকুৱাই ৰাখিলে। তাত ১০ দিন থাকিও সীমান্ত পাৰ হ'ব নোৱাৰিলো — অৱশেষত ঘূৰি অহাৰ সিদ্ধান্ত ল'লো। অচিনাকী ঠাই, হাতৰ টকা পইচাও শেষ হৈ গৈছিল, দিল্লী ষ্টেশ্যনতে আমাৰ কেউটাৰে ভিতৰত দহ হাজাৰ টকা দিছিল নিৰ্মল দাদাই।

ঘূৰি আহি ঘৰ পালোঁহি। গাঁৱলৈ আহি নিজৰে বৰ আচহুৱা যেন লাগিবলৈ ধৰিলে; আমি কুৰি/পচিশ দিন নাছিলো। আমি নাই বুলি কোনোৱে পুলিচক জনোৱা নাছিল, মুখেৰে একো নকলেও সকলোৱেযেন জানিছিল। ঘূৰি আহি ক'তো মন নবহা হ'ল, পঢ়া শুনাৰ ইতি পৰিল। আনহাতে, কলেজীয়া ল'ৰাৰ সৰু সৰু গুণ্ডামিও ভাল নলগা হ'ল। মুক্তি যুঁজৰ সেনানী আমি। হাতত থকা সৰু চিক্‌চিকিয়া ইস্পাতৰ ধুনীয়া বস্তুটো চুই দেশৰ প্ৰতি থকা ভালপোৱাৰ উত্তেজনাত টোপনি যাওঁ। কিছুমান মানুহৰ বাবে হঠাতে মই দামী হৈ পৰিলো। জনজাতিৰ মুক্তিৰ সপোন দেখা সংগঠনেও মোৰ লগত যোগাযোগ কৰিব ধৰিলে। ৰাজনৈতিক দলবোৰৰ বাবেও মই লোভনীয় টোপ হৈ পৰিলো। লাহে লাহে মই মোৰ দাম





বঢ়ালো। নিৰ্বাচনৰ আগে আগে মই ৰাজনৈতিক দল এটাত যোগ দিলো। আমাৰ দলৰ প্ৰাৰ্থীজন বিধায়ক হ'ল। পিছলৈ মোক বাদদি কোনো চৰকাৰী কাম হ'ব নোৱাৰা হ'ল, স্থানীয় যিকোনো উন্নয়ণমূলক আঁচনি মই অনুমোদন কৰো, চৰকাৰী অনুদানৰ হিতাধিকাৰীক মই ঠিক কৰো। চৰকাৰে দিয়া ট্ৰেক্টৰ এখন ভুৱা সমবায় সমিতি এটাৰ নামত আনি মই ঘৰত ৰাখিলোহি। সকলোকে ক'লো — বেংকৰ পৰা ঋণ লৈ কিনিছো। ত্ৰিছ বিঘা মাটিত হাল বোৱাৰ বাহিৰেও লগৰ ৰতন, হলিৰামহঁতৰ মাটিও চহাবলৈ দিওঁ, গাঁৱৰ কোনোবাই বিচাৰিলে ২০০ৰ পৰা ২৫০ টকালৈকে দিনে লওঁ; ট্ৰেক্টৰ খন অনাৰ পৰা মোৰ দিন ভাললৈ আহিল। আগৰ দৰে পিতা বা আইৰ পৰা ডকাইতি কৰিবলগীয়া নহয়। হাতলৈ অলপ পইচা অহাত মই গাঁৱৰে ছোৱালী এজনীক বিয়া কৰালো। পিতায়ে বাধা দিছিল, বোলে উপাৰ্জন নকৰ, ক'ৰ পৰা খুৱাবি। মই কথাটো কাণ নকৰিলো। বছৰেক নৌ ঘূৰোতেই ল'ৰাৰ বাপেক হ'লো। ডাঙৰটোৰ ডেৰ বছৰতে ছোৱালী এজনী হ'ল। আমি তিনিটা ককাই-ভাই পৰিয়ালসহ পিতাইৰ লগতে। এইবাৰ মোৰ দলত স্থানীয় আৰক্ষী বিষয়া, ঠিকাদাৰ, ৰাজনৈতিক দলৰ দালাল আৰু মোৰ দৰে আধা কেচেলুৱা আণ্ডাৰগ্ৰাউণ্ড বিপ্লৱী কেইটামান। মোৰ দৰে ক্ষন্তেকৰ অস্ত্ৰ লোৱা ডেকাৰ বৰ মান, নতুনকৈ সিপাৰলৈ যোৱা ফুকলীয়াকেইটাৰ মানত মই চিনিয়ৰ। মোৰ জীৱন নদী শান্ত পথেৰে গতি কৰিবলৈ ধৰিলে। হঠাতে মোৰ জীৱনৰ শান্ত নদীত বান আহিল কোনে মোৰ গাঁৱৰ কেলেহুৱাজাকক ক'লে নাজানো যে মোৰ ট্ৰেক্টৰখন চৰকাৰে কোনোৱে নজনা সমবায় সমিতি এটাৰ নামত দিছে। যাৰ কোনো অস্তিত্বই নাই। এইহেন সাধাৰণ কথা এটাতে গোটেই ৰাইজখন জাঙুৰ খাই উঠিল। ৰাজহুৱা সভা পাতি মোক জৱাবদিহি কৰিলে। সকৰে পৰা দপদপাই ঘূৰি ফুৰা মই গাঁৱৰ মানুহৰ আগত বুকু ফিন্দাই উত্তৰ দিব নোৱাৰিলো। গাঁৱৰ ৰাইজৰ অস্পৰ্ধাত মই আচৰিত হলো। সিহঁতে কলে যে মই যেন ট্ৰেক্টৰখন ৰাইজক দি দিওঁ। কথা ইমানতে শেষ নহ'ল, সিহঁতমখা গৈ জিলা বৰমূৰীয়াৰ ওচৰ পালেগৈ। শুনিলো জিলাৰ বৰমূৰীয়াই মোৰ বিষয়ে তদন্ত কৰিবলৈ আদেশ দিছে। মোৰ সাতাইশ বছৰীয়া জীৱনত ইমাৰ ডাঙৰ আঘাত পোৱা নাই- মৰো এৰি দিয়া ভকত নহয়, নাও নুবুৰে মানে মই টিঙৰ পৰা নানামোঁ। তদন্তকাৰী বিষয়াই মোক জেৰা কৰিলে, মই সঁচাই-মিছাই চালে বেৰে কোবাই উত্তৰ দিলো। কলো — মোৰ জনপ্ৰিয়তাক আন ৰাজনৈতিক দলৰ কৰ্মীয়ে হিংসা কৰি এনেদৰে বদনাম ৰটিছে। গাঁৱৰ ৰাইজৰ বাবে মই দেহে-কেহে খাটি এনে প্ৰতিদান পালো। কিন্তু তদন্তকাৰী বিষয়াই মই নুবুজা ভাষাত মোৰ লগত কথা পাতিবলৈ ধৰিলে।

তেওঁ ক'লে যে সমবায় সমিতি যে ভুৱা সেয়া তেওঁ ধৰিব পাৰিছে, সেইবাবে মোৰ ভৱিষ্যতৰ ৰাজনৈতিক কেৰিয়াৰৰ স্বাৰ্থত মই সঁচা কথা ক'ব লাগে। হয়তো ভগৱানে মোক সৎ হ'বৰ বাবে এনে সুযোগ দিছে, হয়তো ৰাইজৰ ওচৰত সঁচা কথা ক'লে সাময়িক পৰাজয় হ'ব, কিন্তু ভৱিষ্যতে ডাঙৰ নেতা হ'বৰ বাবে মোক এই ঘটনাটোৱে সহায় কৰিব। আনহাতে, মোৰ দলটোৱে মোক সাৱধান কৰি দিছে যে এনেদৰে সঁচা কথা স্বীকাৰ কৰিলে মোৰ পৰাজয় হ'ব। সদৌ ৰাইজৰ আগত মোৰ লগতে সিহঁতৰো মান নৰ'ব। আমাৰ দলটোৱে সহায় কৰা বিধায়কেও মোক টিঙৰ পৰা নানামিবলৈ কৈছে। কাৰণ এয়া আমাৰ ৰাজনৈতিক দলটোৰ নৈতিক পৰাজয় স্বৰূপ হ'ব। মই বুজিব পৰা নাই। তদন্তকাৰী বিষয়াজনে যিদৰে মোৰ মনৰ গোপন স্থলত পলস পেলাই সাৰুৱা কৰি সততা আৰু নিষ্ঠাৰ এজোপা বৃক্ষ ৰুব খুজিছে তাৰ বাবে মই মোৰ মনৰ গোপন স্থল উদঙাই দিব পৰা নাই। মোৰ চাৰিওকাষে থকা পৃথিৱীখনে মোক সৎ হ'বৰ বাবে প্ৰস্তুত হ'বলৈ সহায় কৰা নাই। মই জানিব পাৰিছো- মই থিয় হৈ থকা ভেটিটো থৰক-বৰক হৈছে। জীৱনত বহু অলি-গলি ঘূৰিলোঁ কেবাটাও এৰাসুঁতি এৰিলো, আজিও মই নাজানো মই কি বিচাৰো বা কি কৰিম— সোঁতত গা এৰি দিয়াই মোৰ স্বভাৱ। সোঁতত ভাঁহিম নে নাভাঁহিম এই কথা চিন্তা কৰিবলৈ মোৰ বুদ্ধি বা ইচ্ছাৰ বৰ অভাৱ। মই কি কৰা উচিত। সন্মুখৰ প্ৰতিবিম্বক মই সুধিলো। দাপোণত জিলিকা মই'টোৱেও একে প্ৰশ্ন কৰিলে।



# ক্ৰমশঃ ০০০০০০

নীৰজ সোণোৱাল

ওপঙি ওপঙি এদল শব্দ। তাতে ৰাতিটো ঘোলা কণীৰ দৰে পৰি আছে। দুচকুৰ বাদুত টোপনিতো উলমি ৰোৱাৰ নামেই নলয়। নাই নোৱাৰি.... বিচনাখন এৰি দিলো। কলিজাৰ কৰুণ সুৰ এটা ওলমি ৰ'ল মোৰ ওঁঠত। কোঠাটোৰ খিৰিকী এফাল খুলি দিলো। কোঠাটিত এৰাতি কাঁচি জোনৰ জোনাক সিঁচৰিত হৈ পৰিল। ক্ৰমাৎ চকুৰ কোণ দুটিত ভিৰ কৰিলে এজাক সাগৰীয় বতাহে।

আস... ! দীঘলীয়া অতিথিৰ দৰে দুঃখবোৰ পৰি আছে মোৰ জীৱনৰ বাটত। নিজক প্ৰশ্নৰ কাঠগড়াত তুলি ভাল নালাগে; তথাপি বেঙা মেলি মেলি আগবাঢ়ি আহে প্ৰশ্নবোৰ, ভাৱবোৰ, শব্দবোৰ। কোনখিনিৰ পৰা আৰম্ভ হৈছিল জীৱনটো!! এৰা, বেছি দিন হোৱা নাই। আৰম্ভণিহে মাথোঁ, কিন্তু খেলি-মেলিৰ যুদ্ধ এখন যে হৈছে ই ধুৰূপ।

মোৰ মনত পৰিছে এফাঁকি কবিতা ......,

"Don't touch me
My soul is decaying
The stink might spill into you!' — এৰা ..... !

'নুচুবা মোক মোৰ আত্মাৰ ধ্বংস যজ্ঞ চলি আছে, তোমাৰ উশাহত সোমাই যাব পাৰে সেই দুৰ্গন্ধ।' এইমাত্ৰ মই সংকল্প হৈছোঁ, আজি নিশাটোত মই শোকহীন হ'ম। দুঃখবোৰ ঠেলি দিম সৌ নীল আকাশৰ ক'জলালৈ। স্মৃতিৰ ৰাগিত মই মাতাল হ'ম। স্মৃতিয়ে মোক মনত পেলাই দিব গাঁওখন, উকা এখন কপাল, এটা বাঁহী, এটা হেৰাই যাব খোজা সুৰ ........, জানো..... জানো.... তোমালৈও মনত পৰিব, তথাপি আজি মই নাকান্দিম। এসাগৰ বিষণ্ণতাৰ বাবে মই আজি সুখী হ'ম।

XOXOXOXOXOX

(২)

ঃ অ' আই মোৰ দেউতা কেনেকুৱা আছিল?

ঃ আজি সাধুহে ক'ম কৈছিলোঁ।

ঃ শুনিম, সাধু শুনিম.. দেউতাৰ সাধু।

ঃ তোৰ দেউতা আছিল গোলমোল কৈ। হাঁহিব নাজানিছিল। সৰল! কিবা ভাবত বিভোৰ হৈ থাকে। কাকোৱে টান কথা নুশুনাই। কৰণীয় বিলাক অতি পৰিপাটিকৈ কৰে। গাঁৱৰ সকলোৰে প্ৰিয় .... কিন্তু কি হ'ল জানো এদিন ভগৱানৰ প্ৰিয় কৰি লৈ গ'ল .... বহু দূৰলৈ। কাহানিও উলটি আহিব নোৱাৰাকৈ।...

ঃ আই তই কান্দিছ'!

ঃ ক'তা নাই কন্দা!

ঃ ইচ,বৰ!

ঃ এৰা ..... ! সোণ, দেউতালৈ মনত পৰিলে বুকুখন কেনেবা কেনেবা লাগে অ' !

ঃ আই মই যদিদেউতাক লগ পোৱা হেঁতেন!

ঃ দেউতাই তোক লগ পোৱা হেঁতেন বৰ সুখী হ'লহেঁতেন! পদূলি মুখৰ বকুল জোপাও প্ৰাণ পালেহেঁতেন, চোতালৰ দুবৰিবোৰ, ঘৰখন .... সকলোবোৰ ... অ' সোণ তই টোপনি যা বুজিছ' টোপনি। দেউতাই সৌ আকাশৰ পৰা কৈছে, টোপনি যাবলৈ, নহলে কাণ খোৱা আহিব।'

..... দেউতাৰ ছাঁটোকে নেদেখিলো মই। বয়সটো আগবাঢ়ি আহিল। আইৰ উকা কপালখন চাবলৈ ভয়লগা হ'ল মোৰ। মই জানিছিলো দুখে আইৰ বুকুত নিগাজীকৈ ঘৰ সাজিছে। মোৰ এধানমানি বুকুখনত ভাৱবোৰে ভিৰ কৰিলে। আইৰ দুখৰ ঘৰখনত গম নোপোৱাকৈ ময়ো অতিথি ৰূপে বাট ললো। গাঁৱৰ ল'ৰা, প্ৰথমতে হাতৰ মুঠিত নাঙলটো ধৰি ল'লো। নাঙলৰ মুঠিত সুৰ এটা আঁকি দিলো। এখন ন-ঘৰ, তাতে পাৰ হ'ব জীৱন-যৌৱন। এটা গাঁৱলীয়া সপোন .... পথাৰৰ সোণালী আভাসখিনিৰ দৰে।

XOXOXOXOXOX

(৩)

তেজ তপতোৱা উজান বয়স জক্‌মকাই আছিল। কলেজত ভৰি দিছিলো এদিন। ঘপকৈ এদিন আৱিষ্কাৰ কৰিলো কৰিড'ৰত এযোৰি কাজল চকু। গাঁৱলীয়া সপোনটো অলপ পৰিধি বঢ়োৱাৰ কথা ভাৱিলো। সম্ভাৱনাৰ গুৰি শিপা অলপ খুচুৰি-মোহাৰি দিলো... ভালপোৱাৰ ফুলনিত ফুলপাহ ফুলক বুলি। বৰ বেছি আশা কৰিছিলো নেকি, ফুলপাহচোন মৰহি গ'ল। ভাগি পৰিছিলো মই সেইদিনা, যিদিনা তাই ওৰণি টানি লৈছিল আন এজনৰ বাবে। এৰি থৈ গৈছিল এটি পুতলাঘৰ... প্ৰেমৰ। মোৰ সঙ্কতি নাছিল, যিকণ আছিল নাঙলৰ মুঠিতহে। প্ৰথম কুকুৰা ডাকত মই বোকাময় হৈছিলো পথাৰত। বেলি চাই কলেজলৈ গৈছিলোঁ..., আবেলিৰ গোন্ধ লৈ ঘৰে ঘৰে কেইটামান ল'ৰা-ছোৱালীক পঢ়াইছিলো... কিতাপ-পত্ৰৰ খৰচ আহিছিল। ঘৰমুখি হওঁতে সুৰ এটাই প্ৰায়ে আমনি কৰিছিল, 'জীৱন তই ক'ত! অলপ যুঁজি চাইছো, নোৱাৰিলে পলাই যাম...।'

XOXOXOXOXOX

(৪)

কেইবাটাও শৰৎ, কেইবাটাও বসন্ত পাৰ হৈ গ'ল। এটা চাকৰি যোগাৰ কৰি ল'লো, সৰু চাকৰি। প্ৰথমবাৰৰ বাবে অদেখা আছে কথাটো বিশ্বাস কৰিলো। চাকৰিটো কোনো উৎকোচ নিদিয়াকৈ পাইছিলো। চাকৰিটোৰ বাবে জীৱনটো অলপ গতি কৰিলে... হঠাৎ...। আইক খামোচ মাৰি ধৰিলে এটি ব্যাধি। অৱশেষত আইয়ো নাথাকিল মোৰ কাষত...। ভগা সপোনটোৰ কাষতে জীৱনৰ একা-বেঁকা ভূগোলখন পৰি থাকিল। ভীষণ অকলশৰীয়া হৈ পৰিলো মই। শব্দবোৰে আমনি দিয়া হ'ল। অসুখ– মনৰ অসুখ। জীৱনৰ কিয়দাংশ চপৰা চপৰে খহাৰ পৰতে টুকৰ মাৰিলেহি 'এনিশা' (শৈশৱৰ পৰাই মোৰ কাষতে আছিল, মইহে নিচিনিলো)। বৰ কষ্ট দিলো তাইক। আজি মহা বিপাঙত পৰিছো মই এনিশাক কেনেকৈ কওঁ, চিৰ নিশা মোৰ কাষত থাকি যাবলৈ। মোমায়েকৰ ঘৰত থাকি জীৱনৰ এছোৱা আৰম্ভ কৰিলে তাই। জীৱনৰ আন এছোৱা আৰম্ভ কৰিবলৈ তাই অহা কালি চকু মেলা ঘৰলৈ যোৱাৰ কথা, বিয়াৰ যো-জা চলিছে হেনো। এৰা...! প্ৰায়ে হেৰুৱাই ছোঁ সম্ভাৱনাৰ উৎস। প্ৰাত্যহিকতাৰে স্বপ্নৰ ৰেলগাড়ী আহ-যাহ কৰিছে। কাৰ নিৰ্দেশত উজুটি উজুটি থেকেচি পৰিছে এই জীৱন! জানিব পোৱাহেঁতেন? নজনাকৈ উৎসুকতা আমাৰ মৃত্যুমুখী যাত্ৰা। এইদৰেই আমি সুখী ('আমি' নহয় মই)। এই যে উৎসুকতা ...। নজনাকৈ থাকিযোৱা কথাবোৰ... একধৰণৰ দুখেই। সেমেকা সেমেকা এই প্ৰহৰত মোৰ উশাহবোৰ কিবা ঘন হৈ পৰিল। নতুনকৈ গঢ়া সপোনৰ দক্ষপথৰ পৰা ক্ৰমাৎ মই হেৰুৱাইছো, কিবা প্ৰকাৰে স্থিতি হেৰুৱাৰ এই অগাডেৱাক দমাব পৰাহেঁতেন! কিবা যেন উত্তেজনাত দুৱাৰ খুলি মোৰ দুভৰি আগবাঢ়িল সন্মুখলৈ... দুৱৰি গচকি মই চোতালখন পাৰ হ'লো, পদূলি অভিমুখী দীঘলীয়া বাটছোৱাত খোজ পেলালো.... বালিময় মোৰ পদূলিৰ বাটছোৱা.... শৈশৱত কতবাৰ এনিশাৰ স'তে এই বালিত আশাৰ বালিঘৰ সাজিছো। এইবাৰ মই নঙলামুখৰ শেৱালী জোপাৰ কাষ পালোগৈ... এইজোপা শেৱালী এনিশাই ৰুইছিল, ৰুই থকাৰ পৰত তাই মোক কৈছিল, 'যিহে ব্যস্ত মানুহ তই! আমাক জানো মনত পেলোৱা সময় আছে? যিয়ে নহওঁক শেৱালি ফুলিলে অন্তত মোৰ কথা মনত পৰিব!' ....... কিয় বাৰু কৈছিল এনিশা এইষাৰ কথা মোক? মই গম নোপোৱাকৈ তাইয়ো সপোন দেখিছিল নেকি? মোৰ দুচকুত খুঁচৰি ফুৰিছিল নেকি কিবা সম্ভাৱনা! মই নঙলা কেইডাল খুলিব লওঁতেই ... এক নাৰীৰ ছায়ামূৰ্তিৰ কণ্ঠস্বৰত ৰৈ গ'লো.... 'নঙলাকেইডাল ভালকৈ খুলি দে, মই সোমাই আহো.... তাৰ পাছত ভালকৈ মাৰি দে.... যাতে মই উভতি যাব নোৱাৰাকৈ..... !!'

ঃ এনিশা !!

ঃ ওঁ।

ঃ মই তোৰ তালৈকে ওলাইছিলো।

ঃ এতিয়া জানো কিবা লাভ!

ঃ এৰা !! ............... ।

# অকস্মাতে হোৱা কেইটামান উল্লেখনীয় আৱিস্কাৰৰ কথাৰে ........

ধমেন্দ্ৰ গগৈ
স্নাতক তৃতীয় বৰ্ষ
উদ্ভিদ বিজ্ঞান বিভাগ।

মানৱ সভ্যতাৰ বিকাশ আৰু উত্তৰণৰ দিশত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভূত অৱিহণা থাকিলেও মানুহৰ অপৰিসীম চিন্তা সাধনাইহে ইয়াক চিৰন্তন ৰূপ দিয়ে। কিছুমান নগণ্য যেন লগা বা বাস্তৱিক ঘটনাৰ আলমতে চিন্তাশীল উদ্ভাৱকসকলে উদ্ভাৱন কৰিছে যুগজয়ী আৱিস্কাৰ বা সূত্ৰ সমূহ। এই আৱিস্কাৰ সমূহে মানৱ সভ্যতা বিকাশত উল্লেখনীয় আৰু তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই আলোচনাত তুলনাবিহীন তেনে কেইটামান আৱিস্কাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

**সামুদ্ৰিক যাত্ৰাৰেই প্ৰমাণ হ'ল পৃথিৱীখন ঘূৰণীয়াঃ**

১৪৯২ চনত কলম্বাচ আৰু তেওঁ সহযাত্ৰী সকলে সাগৰেদি যাত্ৰা কৰিছিল। শক্তিশালী বতাহে তেওঁলোকৰ দিশৰ বিচ্যুতি ঘটালে আৰু তেওঁলোক গৈ ক'ত উপস্থিত হৈছিল কোনেও জনা নাছিল। তেতিয়া নাবিক সকলে ভয় খাইছিল যে তেওঁলোকে এনেকৈ আগ বাঢ়ি গৈ থাকিলে পৃথিৱীৰ শেষ সীমান্তত উপনীত হ'ব আৰু তললৈ সৰি পৰি মৰি থাকিব। কেৱল কলম্বাছৰ মনতহে এই ভাৱ নাছিল। তেওঁ তেতিয়া এজাক চৰাই দেখিলে আৰু চৰাই উৰণৰ দিশত জাহাজ নিবলৈ ক'লে। তেনেকৈয়ে তেওঁলোক সাগৰৰ পাৰ পালেগৈ। কিন্তু দেখা গ'ল যে তেওঁলোকে সাগৰৰ পাৰ পালেগৈ। কিন্তু দেখা গ'ল যে তেওঁলোকে যিটো অঞ্চলৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল পুনৰ আহি সেই একে অঞ্চলতে উপস্থিত হ'ল। এই ঘটনাৰ আলমতেই কলম্বাছে প্ৰমাণ কৰিলে যে পৃথিৱীখন প্ৰকৃততে ঘূৰণীয়া।

**অনুবীক্ষণ যন্ত্ৰ আৱিস্কাৰ কৰিলে চছমা দোকানীয়েঃ**

এন্টনি ভেন লিউৱেনহুকে ১৬৭৫ চনত আৱিস্কাৰ কৰি উলিয়াই অনুবীক্ষণ যন্ত্ৰ। নিচেই কম পঢ়া-শুনা কৰি এজন কাপোৰ দোকানীৰ আলধৰা ৰূপে কৰ্ম জীৱন আৰম্ভ কৰে। পাছলৈ নিজাকৈ এখন চছমা দোকান খোলে। তেওঁ চছমাৰ কাঁচ বোৰ ঘঁহি পিহি নতুনকৈ বিভিন্ন লেন্স তৈয়াৰ কৰিহে বেছি ভাল পাইছিল। এনেকৈয়ে তেওঁ এদিন দীঘল চুঙা এটাৰ ভিতৰত প্ৰথমে এখন আৰু তাৰ পিছত দুফালে দুখন লেন্স লগাই চালে। তেতিয়া তেওঁ খালী চকুৰে নেদেখা কিছুমান বস্তু দেখিবলৈ পালে। এইটোৱেই আছিল অনুবীক্ষণ যন্ত্ৰৰ প্ৰথম ঢাপ। এনেকৈয়ে চছমা দোকানীয়ে সাজি উলিয়ালে অনুবীক্ষণ যন্ত্ৰ।



**আপেল মাটিত সৰি পৰাৰ চিন্তাতেই মহাকৰ্ষণ তত্ব ব্যাখ্যাঃ**

বিজ্ঞানী ছাৰ আইজাক নিউটনে ১৬৮৭ চনত মহাকৰ্ষণ তত্ব ব্যাখ্যা কৰে। গাওঁৰ ঘৰৰ বাগিচাত বহি থাকোতে এদিন নিউটনৰ সন্মুখত এটা আপেল সৰি পৰিলে। তাকে দেখি তেওঁ বৰ চিন্তিত হ'ল যে আপেলটো তললৈ সৰি পৰিল, সিনো ওপৰলৈ গুচি নগ'ল কিয়? নিউটনে এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ ধৰিলে আৰু ইয়াৰ পৰাই তেওঁ আৱিস্কাৰ কৰিলে যে আপেলটো পৃথিৱীখনে নিজৰ গাৰ ফালে টানি আনিছে। অকল আপেলটোৱেই নহয় "বিশ্বৰ প্ৰতিটো পদাৰ্থকণাই এটাই আনটোক আকৰ্ষণ কৰে আৰু এই আকৰ্ষণ বল কণা দুটাৰ ভৰৰ পূৰণফলৰ সমানুপাতিক আৰু দূৰত্ব ব্যস্তানুপাতিক।" এয়াই হ'ল নিউটনৰ বিখ্যাত মহাকৰ্ষণ তত্ব।

**বেলুনত গৰম বতাহ ভৰাই আকাশ জয়ৰ পথ প্ৰশস্ত ঃ**

ফ্ৰান্সৰ জেকুইছ ইটিয়েনি মন্ট'গলফিয়েৰ (Jacques Etiene Montgolfier) আৰু যোছেফ মাইকেল মন্টগ'লফিয়েৰ (Joseph Michale Montgolfier ) নামৰ দুজন ভাই-ককায়ে দেখিলে যে জুই ধোঁৱা উৰি গৈ আকাশত মেঘৰ সৃষ্টি কৰে। এই ঘটনাৰ পৰাই তেওঁলোকৰ মনত বেলুন উৰুৱাৰ কথা আহে। ইয়াৰ বাবে তেওঁলোকে ডাঙৰ কাগজৰ মোনা এটাত গৰম বতাহ ভৰাই উৰোৱাবলৈ চেষ্টা কৰে। ১৭৮৩ চনৰ ৫ জুনত তেওঁলোকে ১০০ ফুট উচ্চতালৈ বেলুন উৰোৱাবলৈ সক্ষম হয়। এনেকৈয়ে আকাশ জয়ৰ প্ৰথম প্ৰচেষ্টাৰ শুভাৰম্ভ ঘটে।

**বাৰী কৰা চখৰ পৰাই জীৱৰ বংশানুক্ৰম সম্পৰ্কে সূত্ৰ উদ্ভাৱনঃ**

গ্ৰেগৰ ঘোহান মেণ্ডেলে ১৮৬৬ চনত জীৱৰ বংশানুক্ৰম সম্পৰ্কে এক সূত্ৰ উদ্ভাৱন কৰে। তেওঁ গীৰ্জাৰ চৌপাশে এখন বাৰী পাতিছিল আৰু তাত মটৰ মাহৰ গছ ৰুইছিল। গছ-গছনিৰ লগত তেওঁ জীৱিকা বা শিক্ষাৰ কোনো সম্পৰ্ক নাছিল। মটৰ মাহৰ গছবোৰ আপডাল কৰি আৰু বাৰীখন পাতি খুব আনন্দ পাইছিল। কিন্তু তেওঁ দেখিলে যে এচাম মটৰ মাহৰ গছৰ পৰা পিচৰ চাম গছলৈ আগবচাম গছৰ দোষ-গুণ বৈশিষ্ট্যবোৰ এক বিশেষ নিয়মেৰেহে যায়। মেণ্ডেলে এচাম মটৰ মাহৰ গছৰ পৰা পিচৰ চাম গছলৈ কেনেকৈ দোষ-গুণ বৈশিষ্ট্যবোৰ যায় তাকে পৰীক্ষা কৰিবলৈ ধৰিলে। মটৰ গছক লৈ কৰা মেণ্ডেলৰ সেই পৰীক্ষা পিছত মেণ্ডেলৰ সূত্ৰ হিচাপে বিখ্যাত হয়।



**এজন বীমা এজেন্টে সাজি উলিয়ালে আধুনিক কলমঃ**

লুই এড্ছন ৱাটাৰমেন আছিল এজন বীমা এজেন্ট। এবাৰ তেওঁ সেই সময়ত ব্যৱহাৰ কৰা কলম দোৱাতৰ পৰা সবহকৈ চিয়াঁহী পৰি জীৱন বীমা কাগজ এখন নষ্ট হয়। ফলত তেওঁ এজন ধনী গ্ৰাহকক হেৰুৱায়। তেওঁ তেতিয়া মনত বৰ আঘাত পালে আৰু চিয়াঁহী নিগৰি ওলাব পৰা কলম এটা সাজি উলিয়াবলৈ চিন্তা কৰিবলৈ ধৰিলে। ৱাটাৰমেনে বহুবাৰ চেষ্টা কৰি শেষত এজন ধপাঁত খেতিয়কৰ ঘৰৰ বাৰাণ্ডাত বহি বহি ১৮৮৪ চনত প্ৰথম জিভা থকা কলম সাজি উলিয়ায়। এনেকৈয়ে এজন বীমা এজেন্টে আধুনিক কলম সাজি উলিয়ায় এক নতুন দিগন্তৰ সূচনা কৰিলে।

**গীৰ্জাৰ ঘৰত আৱিস্কাৰ হ'ল পেণ্ডুলামৰ সূত্ৰঃ**

বিজ্ঞানী গেলিলিঅ'ই ১৬৮১ চনত কোনোবা এটা দিনত গীজা ঘৰত প্ৰাৰ্থনা সভাত যোগদান কৰিছিল। প্ৰাৰ্থনা কৰি থাকোঁতে হঠাৎ গীৰ্জৰ চিলিঙলৈ চকু গ'ল। তেওঁ দেখিলে বতাহত গীৰ্জাৰ ওলমা লেম এটা ইফালৰ পৰা সিফাললৈ দুলি আছে। ই এটা সাধাৰণ ঘটনা কিন্তু গেলিলিঅ'ৰ চিন্তাশীল মনটোৱে যেন কিবা এটা কৈ উঠিল। লগে লগে তেওঁ নিজৰ হাতৰ নাড়ীৰ গতিৰ লগত ওলমা লেমটোৰ দোলন কাল জুখি চালে। তেওঁ দেখিলে যে লেমটোৱে ইফালৰ পৰা সিফাললৈ যাওঁতে প্ৰত্যেক বাৰতে সমান সময় লৈছে। ইয়াৰ পৰাই গেলিলিঅ'ই আৱিস্কাৰ কৰিলে যে যিমানেই খৰকৈ লেমটো দুলি নাথাকক কিয় ইমূৰৰ পৰা সিমূৰলৈ যাওঁতে লেমটোৱে সমান সময়েই ল'ব। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই গেলিলিঅ'ই আৱিস্কাৰ কৰিলে পেণ্ডুলামৰ সূত্ৰ।

এনেদৰে মন কৰিলেই দেখা যাব যে মানুহৰ বিকাশশীল সভ্যতালৈ অৱিহণা আগবঢ়োৱা এনে কিছুমান আৱিস্কাৰে মানুহৰ জীৱন আৰু জগত সম্পৰ্কে ন ন চিন্তাৰ অৱকাশ আনি দিছিল। যাৰ ফলস্বৰূপে বিজ্ঞানে আজি ঢাপে ঢাপে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। এক কথাত সূক্ষ্ম চিন্তা আৰু অনুধাৱন শক্তিৰ বিচক্ষণতাই আনি দিছিল নানানটা সম্পদ আৰু সূত্ৰ আৱিস্কাৰৰ প্ৰশস্ত পথ। ❖

## নিৰন্ধৰ শিৰোণামা

# অশান্তিৰ আঁৰে আঁৰে

**জীৱনে দি যোৱা নিয়মেৰে আমি অবিৰত ভাৱে যাত্ৰা কৰি আছো বহু ভুল শুদ্ধ মাজেৰে। তথাপিও জীৱনৰ জ্যোতিৰে পোহৰাই গ'লে এদিন হয়তো হাঁহি হাঁহি জীৱনৰ শেষ মহুত্বকনো আনন্দৰে পাৰ হ'ব।**

অনুপম দেউৰী
স্নাতক বাণিজ্য শাখা
দ্বিতীয় বৰ্ষ

একবিংশতম শতিকাৰ দুৱাৰ দলিত খোজ দিবলৈ যাওঁতে সমাজখনৰ কিমান পৰিবৰ্ত্তন হৈছে মন কৰিবলগীয়া। সমাজ এখন পৰিবৰ্ত্তনৰ লগে লগে বাঢ়ি আহিছে ধ্বংসৰ জোঁৱাৰ।

লেখ নাই হিচাপ কৰি উলিওৱাৰ কেউফালে কেৱল অপৰাধ হত্যা, হিংসা, ধৰ্ষণ, মাৰপিট আদি বে-আইনী কাৰ্য্যকলাপবোৰ দেশৰ চুকে-কোণে সংঘটিত হৈয়ে আছে। এনেভাবে আগবাঢ়ি যাব ধৰিছে যে কব নোৱাৰকৈ সমাজখনত অশান্তিময় ধ্বংস যজ্ঞ চলিব ধৰিছে। অতি ঘৃণনীয় অপৰাধ বোধৰ মাজত আমাৰ পৰিচয় ঘটিছে। সমাজখনে কলুষিত ৰূপ লোৱাত মূলতে যুৱ সমাজেই দায়ী এনে নহয, সমাজৰ সকলো পক্ষই ইয়াৰ মূল দায়ী। অপৰাধ সকলোৰে মাজতে সীমাবদ্ধ হৈ আছে।

বিজ্ঞান আৰু প্ৰযুক্তিৰ যিমানে জটিল যন্ত্ৰৰ প্ৰচলন নাইবা উদ্ভাৱন নহওঁক কিয় সিমানেই মানৱীয় সভ্যতাই অত্যাচাৰ, লুণ্ঠন, চুৰ, ডকাইত, মাৰপিত, হত্যা, ধৰ্ষণ আদি অতি ঘৃণনীয় ধংসাত্মক ঘটনাবোৰ সংঘটিত কৰিবলৈ অলপো কুণ্ঠাবোধ কৰা নাই। বিজ্ঞান দায়ী নহয়, দায়ী সমাজে যান্ত্ৰিকতাক অপব্যৱহাৰ অৰ্থাৎ ভুল পথেৰে পৰিচালনা কৰাৰ বাবেহে।

আইনৰ সীমাবদ্ধতাক আওকান কৰি বিনা দ্বিধাৰে ঘূৰি ফুৰা বহু অপৰাধী অপৰাধীৰ তালিকাখনৰ পৰা আঁতৰি আছে। ক্ৰমান্বয়ে সেই বাবে বাঢ়ি গৈ আছে অপৰাধ। তথাপিও আইন নিমাত কিয়? য'ত দেখিবলৈ পাওঁ ৰক্ষকেই ভক্ষকৰ ৰূপ লয় তেনে চৰকাৰ বা আইনে সমাজৰ একো উন্নতি নতুবা শান্তি আনিব নোৱাৰে।

সুখৰ সৈতে আজিৰ মানুহৰ ঘনিষ্ঠতা নাই। এটা পাবলৈ খোজে প্ৰতি দুখৰ হতে মিতিৰালি হয়। জীৱন সচাঁয়ে যি নিজেই

**বিজ্ঞান আৰু প্ৰযুক্তিৰ যিমানে জটিল যন্ত্ৰৰ প্ৰচলন নাই বা উদ্ভাৱন নহওঁক কিয় সিমানেই মানৱীয় সভ্যতাই অত্যাচাৰ, লুণ্ঠন, চুৰ, ডকাইত, মাৰপিত, হত্যা, ধৰ্ষণ আদি অতি ঘৃণনীয় ধংসাত্মক ঘটনাবোৰ সংঘটিত কৰিবলৈ অলপো কুণ্ঠাবোধ কৰা নাই। বিজ্ঞান দায়ী নহয়, দায়ী সমাজে যান্ত্ৰিকতাক অপব্যৱহাৰ অৰ্থাৎ ভুল পথেৰে পৰিচালনা কৰাৰ বাবেহে।**







বিশাল একো একোটা নুবুজা সংজ্ঞা। জীৱনক সুখৰ সন্ধান দিব খোজোতে যাত্ৰা কৰিব লগা হয় দুখৰ পথেৰে। কোনোবাই জীৱনক দিব খুজি আৰু কোনোবাই জীৱনৰ পৰা পাব খুজি হাহাকাৰ কৰিব লগা হৈছে। তথাপিও ক'তো শান্তি নাই।

মানুহ যিমানেই শিক্ষিত হৈছে বুলি ধাৰণা কৰা হৈছে সিমানেই অশান্তিময় পৰিঘটনাই সমাজখনক কলুযিত ৰূপ লোৱাত অৰিহণা যোগাইছে। আদিম যুগতো হয়তো এনে এটা পৰিস্থিতি হোৱা নাছিল যিটো পৰিস্থিতি আজি দেখিবলৈ পোৱা গৈছে চৌদিশ কেৱল অশান্তি। আজি আমি যিটো যুগত থিয় দিছো স-গৌৰবেৰে ক'ব ধৰিছো আমি আধুনিকতা। আধুনিকতাৰ নামত যে আমি সমাজখনক কলংকৃত ৰূপ লোৱাত অৰিহনা যোগাই আহিছো কথাটো লাহে লাহে প্ৰমাণ দি আহি আছো। শুদ্ধ প্ৰমাণ হিচাপে দৈনিক বাতৰি কাকত নতুবা আমাৰ ওচৰে পাজৰে দেখি অহা অপৰাধৰ ঘটনাবোৰে আমাক উপলব্ধি কৰিবলৈ শিকাইছে আমি কোন দিশে গৈ আছো। কোনখিনিত এৰিলে আৰু কোনখিনি সামৰি ললে এখন শান্তিময় শুদ্ধ সমাজ গঢ়িব পাৰো তাক বিচাৰ কৰি চাবলৈ আমাৰ আহৰিয়েই নাই। যিখিনি কথা বহল ভাৱে এতিয়াও কোনো বিচাৰ কৰি চোৱা নাই তেওঁলোকে সমাজখনক বহল দৃষ্টিৰে চাবলৈ এতিয়াও বহু বাকী আছে। নৈতিক আচৰণ, মানৱীয় গুণ আদিৰ হঁতে আমি ক্ৰমাৎ আতঁৰি ফুৰিব ধৰিছো কিয়? দিনে দিনে আমি সমাজৰ দ্বায়বদ্ধতাক আওঁকান কৰি ফুৰিছো কিয়? মানুহে মানুহক বুজিব পৰা শক্তিকণ কিয় হেৰুৱাই পেলাব ধৰিছো। ইয়াৰ বাবে দায়ী কোন? এইয়া কাৰ দোষ? আমি নিজেই বুজিব লাগিব। শিক্ষা-গুৰু, মা--দেউতা, বাই-ভনীৰ প্ৰতি অনুগত্য, দয়া, ভক্তি, মৰমৰ অবিহনে এই সমাজ কেতিয়াও স্বচ্ছ, নিকা আৰু শুদ্ধ পথেৰে আগবাঢ়ি যাব নোৱাৰে।

জীৱনে দি যোৱা নিয়মেৰে আমি অবিৰত ভাৱে যাত্ৰা কৰি আছো বহু ভুল শুদ্ধ মাজেৰে। তথাপিও জীৱনৰ জ্যোতিৰে পোহৰাই গ'লে এদিন হয়তো হাঁহি হাঁহি জীৱনৰ শেষ মহুত্বকনো আনন্দৰে পাৰ হ'ব।

আহক, আমি এনে এখন সমাজ গঢ়ো যিখন সমাজত সুখ, শান্তি, সমৃদ্ধি আৰু আনন্দৰ জেউতিৰে আলোকময় কৰি তোলোহ'ক জীৱনৰ পোহৰে। ❖

*'আমি আধুনিক বিশ্বৰ লগত সমানে খোজ পেলাব নোৱাৰিম যদিহে আমি ডাঙৰ কাৰখানাৰ ক্ষেত্ৰত হওক নাইবা ক্ষুদ্ৰ উদ্যোগৰ বাবেই হওক শেহতীয়া নিৰ্মাণ শৈলী গ্ৰহণ নকৰো আৰু যদি আজিৰ পৃথিৱীত পাব পৰা নতুন নতুন শক্তিৰ উৎসসমূহৰ উপযুক্ত প্ৰয়োগ নকৰোঁ"*

*--- জৱাহৰলাল নেহেৰু।*

# কলেজীয়া জীৱনৰ অভিজ্ঞতা



দিপিকা বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

"অনন্ত অপাৰ মহা শব্দ শাস্ত্ৰৰ মহাসিন্ধু মনি
আমি আহৰণ কৰোঁ জ্ঞানৰ অমৃত।
মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰচোঁ
ৰামধেনুৰ ৰহনেৰে জীৱন বোলাই"।

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা ৰঙে ৰসে উপচি পৰা মধুৰ স্ব-প্ৰণালীৰ আৱেশেৰ ভৰপূৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্য্যপূৰ্ণ আশা- আকাঙ্খাৰ সোণালী ৰঙেৰে ৰঙীন, ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালীময় এইছোৱা কালত ছাত্ৰ-ছাত্ৰীৰ মন হয় দিগন্ত প্ৰসাৰী, ভাব হয় পৰ্বতীয়া জুৰিৰ দৰে লয়লাস গতিময়, ছন্দোময়, অনুভুতিময় আৰু সুন্দৰ ভৱিষ্যত জীৱনৰ মহান আদৰ্শৰ আৰম্ভণি, উদ্দীপনা আৰু অনুপ্ৰেৰণাৰে সমুজ্বল। এই বিচিত্ৰ সময়ছোৱা নতুন নতুন সপোন ৰচনা কৰাৰ, নতুন মধুময় কল্পনা কৰাৰ সময়। এনে এচোৱা সময়ৰ মধুৰ অবিস্মৰণীয় স্মৃতি, মানৱ জীৱনৰ সমগ্ৰ কালছোৱাত হৈ ৰয় চিৰ সেউজীয়া বৰ্ণালীৰ সাতোৰঙৰ দৰেই সৌন্দৰ্য্যময় জীৱনৰ আকাশত গঢ়িব খোজা ইন্দ্ৰধনুৰ বাৰে-ৰহনীয়া ৰঙৰ মেলাত মন-ময়ুৰীয়ে পেখম ধৰি ধৰি নাচোনৰ মূৰ্ছনা তোলা এই সময়ছোৱা অফুৰন্ত, আবেগৰ সীমাহীন পাৰাপাৰ।


ৰ্থী সকলৰ ...নাৰ একোখন মহা আশ্ৰম
...ৰিত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভাৱনাময় একোটা
...তিয়াবা বহুতো বিদ্যাৰ্থীয়ে বিপৰ্যয়ৰ সন্মুখীন হয়
...ৰীটোৰ কবলত পৰি। বহুতৰ বাবে ৰেগিং এক বি...
...কাৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই দু...
...জীৱন ইমানতে সমাপ্তি ঘটোৱাৰ উদা...
...ৰেগিং এক নিৰ্দোষ ধেমালীহে...
আদৰণীয় আৰু অতিশয়...
...ৱাগত সকলৰ দ্বাৰা...

ভৱিষ্যতৰ কৃতকাৰ্য্যতা পূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহ, বিদ্যাৰ্থী সকলৰ সাধনাৰ একোখন মহা আশ্ৰম। এই মহা আশ্ৰমৰ নিয়াৰিত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভাৱনাময় একোটা মহান জীৱন। কেতিয়াবা বহুতো





বিদ্যাৰ্থীয়ে বিপৰ্যয়ৰ সন্মুখীন হয় , ৰেগিং নামৰ মহামাৰীটোৰ কবলত পৰি। বহুতৰ বাবে ৰেগিং এক বিভীষিকা। এই বিভীষিকাৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই দুই এক বিদ্যাৰ্থীয়ে শিক্ষা জীৱন ইমানতে সমাপ্তি ঘটোৱাৰ উদাহৰণো বিৰল নহয়। প্ৰকৃত পক্ষে ৰেগিং এক নিৰ্দোষ ধেমালীহে হোৱা উচিত। ইয়াৰ পাছৰ পৰ্য্যায়টো কিন্তু আদৰণীয় আৰু অতিশয় সৌহাৰ্দ্দ্যপূৰ্ণ। কলেজত পুৰণি বিদ্যাৰ্থী সকলে নৱাগত সকলৰ দ্বাৰা আদৰণি আবেগ আৰু অনুভূতিৰে আগবঢ়াই নি আদৰণি জনোৱা অনুষ্ঠানটি মহামানৱৰ মহাসাগৰত মহা মিলনৰ মনোৰম নিদৰ্শন।

কলেজসমূহ উচ্চ জ্ঞানৰ মন্দিৰ। উচ্চ শিক্ষাৰে শিক্ষিত উচ্চ অৰ্হতাসম্পন্ন অধ্যাপক সকলৰ উচ্চ মানৰ শিক্ষাদান কাৰ্য্যই এই জ্ঞান মন্দিৰ জ্যোতিময় কৰি তোলে। সেই জ্যোতিৰ আলোকে বিদ্যাৰ্থীসকলক বিমোহিত কৰে। তেখেতসকলৰ উচ্চ জ্ঞানজ্যোতি বিকশিত হয় বিদ্যাৰ্থীসকলৰ জীৱনত। বিদ্যাৰ্থীৰ হৃদয় ফুলনিৰ ফুলৰ কলিটো সেই জ্যোতিৰ পৰশত মুকলি হয়। এদিন ৰূপে-ৰসে, গন্ধে-স্পৰ্শে জাতিস্কাৰ হৈ সৌন্দৰ্য্য মাধুৰীৰে সু-শোভিত হয়। তাৰ সৌৰভ বিয়পি পৰে মানৱসাগৰত। সেই মানৱ সাগৰ জকমকীয়া হৈ হাজাৰ হাজাৰ গোলাপ, তগৰ, কমলৰ মহা সমাবেশত।

সোণত সুৱগা চৰায় কলেজ সপ্তাহ, বাণীবন্দনা, সাংস্কৃতিক সমাৰোহ আদি বাৰে ৰহনীয়া অনুষ্ঠানেহে। সেইবাবে অধ্যয়নৰ সেই সময়ছোৱা কেৱল জ্ঞান আহৰণৰ বিস্তীৰ্ণ কলা ক্ষেত্ৰই নহয়, ই হৈ পৰে নিজকে স্বকীয় প্ৰতিভা আৰু গুণৰাজিৰে জকমকীয়া কৈ সজোৱাৰ। আমি কৈ উঠিবলৈ বাধ্য হওঁ —

"মুকলি হওঁক মুকলি হওঁক বিশ্বত
অকণ অকণ আমাৰ মন"

সেইবাবে কলেজত অধ্যয়নৰ কালছোৱা প্ৰতিজন বিদ্যাৰ্থীৰ বাবে হৈ পৰে বৰ মোহনীয়, অতি আপুৰুগীয়া আবেগ বিজড়িত। কলেজসমূহ বিদ্যাৰ্থীৰ তীৰ্থক্ষেত্ৰ হোষ্টেলৰ আকৰ্ষণ আৰু অধিক মোহনীয়। বিভিন্ন অঞ্চলৰ, বিভিন্ন জাতি, সম্প্ৰদায়ৰ বিদ্যাৰ্থীৰ মিলনৰ ই এক মনোৰম ক্ষেত্ৰ। ইয়াত ধনী-দুখীয়া, উচ্চ-নীচ ধৰ্ম সম্প্ৰদায়ৰ সংকীৰ্ণ বিচাৰ বিবেচনাৰ ঠাই নাই ইয়াত ঠাই পাই উচ্চ ভাৱ চিন্তা উচ্চ আৰ্দশ আৰু মহান মানৱতাই। হোষ্টেলৰ প্ৰতিটো কোঠা, প্ৰতিটো চুক-কোণৰ লগত নিবিড় ভাৱে জড়িত হৈ পৰে ছাত্ৰ-ছাত্ৰীসকল। হোষ্টেল মিলনৰ স্বৰ্গ ইয়াত গঢ়ি উঠে উদাৰতা, কৰুণা, সহানুভূতি সংমিশ্ৰিত এক বিশাল হৃদয় সাগৰ।

শিক্ষা জীৱনৰ আটাইতকৈ মনোৰম আৰু কল্পনাৰ দিগন্ত প্ৰসাৰী ভাৱ ধাৰাৰে সমৃদ্ধ এই সময়ছোৱাৰ সদ্ব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু সত্য সুন্দৰ পথত পৰিচালনাৰ ওপৰতে আমাৰ সুন্দৰ মহীয়ান জীৱন নিৰ্ভৰশীল। কল্পনাৰ সোণৰ প্ৰতিমা গঢ়ি তাৰ সৌন্দৰ্য্য মুগ্ধ হৈ আমি জীৱনৰ জয়গান গাওঁ এই সময়ছোৱাতে।

**সত্যম শিৱম সুন্দৰম**-- এই সনাতন সত্যক উপলব্ধি কৰা যায় এই সময়ছোৱাতে। গতিকে এই সময়ছোৱাই আমাৰ জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দৰ মধুৰ প্ৰশান্তি। ❖






# নতুন বছৰৰ বাবে কাৰ্ড আৰু এছ এম এছ

মনোজ উৰাং
স্নাতক প্ৰথম বৰ্ষ



নতুন বছৰ মানেই হ'ল শুভকামনাৰ আদান-প্ৰদান। প্ৰত্যেকেই প্ৰিয়জনলৈ জনায় নতুন বছৰ সুখময় হোৱাৰ আনন্দময় হোৱাৰ শুভেচ্ছা তথা মৰম চেনেহ আশিস নিৰ্মালী। আপোনজনৰ পৰা পোৱা শুভকামনাই বিগত দিনৰ হতাশ-বিষাদ পাহৰি নতুন আশা, নতুন প্ৰতিশ্ৰুতি, নতুন দিনক আদৰিবলৈ প্ৰেৰণা যোগায়। সেইদৰেই প্ৰাচীন কালৰে পৰা চলি আহিছে মানুহৰ মাজত শুভকামনাৰ আদান-প্ৰদানৰ প্ৰক্ৰিয়া।

গ্ৰীটিংছ কাৰ্ডৰ অসমীয়া প্ৰতিশব্দ হ'ল- 'শুভেচ্ছা পত্ৰ'। সাধাৰণ অৰ্থত গ্ৰীটিংছ কাৰ্ড হৈছে নতুন বছৰৰ আগমনৰ বাৰ্তাবাহক। যিকোনো উৎসৱৰ প্ৰাক মুহূৰ্তত কাৰ্ড বা শুভেচ্ছা পত্ৰ পঠিওৱাৰ পৰম্পৰা বৰ পুৰণি। প্ৰথমে হাতেলিখা গ্ৰীটিংছ কাৰ্ড ফ্ৰান্সত প্ৰচলিত হৈছিল যদিও ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি পায় ইংলেণ্ড আৰু আমেৰিকাত। গ্ৰীটিংছ কাৰ্ড নৱবৰ্ষৰ আগমনৰ লগে-লগে বন্ধু-বান্ধৱ তথা শুভাকাংক্ষীসকলৰ পৰা পোৱা একো একোখন শুভেচ্ছা পত্ৰ বা গ্ৰীটিংছ কাৰ্ড মনলৈ আনে নতুন নতুন ভাৱ। নতুন বছৰৰ শুভেচ্ছা পঠোৱাৰ বাবে সকলো বয়সৰ লোকৰেই প্ৰথম পছন্দ গ্ৰীটিংছ কাৰ্ড।

আগত আছিল গ্ৰীটিংছ কাৰ্ড বা শুভেচ্ছা পত্ৰ। কিন্তু এতিয়া আহিল মোবাইলৰ জৰিয়তে পোৱা এছ এম এছ সেয়াই কাৰ্ডৰ আসনখনত অধিপত্য বিস্তাৰ কৰিলে। আগতে ১০ দিন বা ১৫ দিনৰ আগতে পঠিয়াব লগা শুভেচ্ছাবাণী। কিন্তু এতিয়া মাত্ৰ আঙুলি এটা টিপাত মিনিটতে পায়গৈ প্ৰিয়জনৰ কাষলৈ। এই ক্ষেত্ৰত কাগজৰ গ্ৰীটিংছ কাৰ্ডলৈ এছ এম এছ সেৱাত খৰচৰ মাত্ৰাও কম হোৱাৰ বাবে আধুনিক মানুহে ইয়াক আদৰিও লৈছে। আনহাতে, ইণ্টাৰনেট সেৱাও এতিয়াৰ সদাব্যস্ত মানুহৰ সময় তথা খৰচৰ পৰিমাণ ৰাহি কৰিব পাৰিছে। কাৰণ, কাগজৰ কাৰ্ড এখন কিনা টকা আৰু তাত খৰচ কৰা সময়বোৰ আমি ইণ্টাৰনেট যোগে লাভ কৰা ইলেকট্ৰনিক কাৰ্ডৰ সহায়েৰে একেলগে বিভিন্নজনক শুভেচ্ছা জনাব পাৰি। ইয়াৰ বাবে গ্ৰীটিংছ কাৰ্ডৰ বিভিন্ন কোম্পানীবোৰে তেওঁলোকৰ ৱেবছাইটবোৰত অসংখ্য ৰং আৰু ডিজাইনৰ নিউ ইয়েৰ্ছ কাৰ্ড সঞ্চিত কৰি ৰাখে। ইয়াৰ পৰা নিজৰ ইচ্ছামতে কাৰ্ড পছন্দ কৰি ইমেইল যোগে পৃথিৱীৰ যিকোনো প্ৰান্তলৈ পঠিয়াব পাৰি। গতিকে এই যোগত ইমানবোৰ সুবিধা যিহেতু মানুহে মোবাইল, ইন্টাৰনেটৰযোগে লাভ কৰিছে। তেনে ক্ষেত্ৰত গ্ৰীটিংছ কাৰ্ডৰ চাহিদা কম হোৱাটো তেনেই স্বাভাৱিক। গ্ৰীটিংছ কাৰ্ডবোৰত পৰিস্ফুট হৈ কোনোজনৰ সৃষ্টিশীল মনৰ কথা। কিন্তু, এতিয়াৰ মেছেজবোৰ এই সুবিধা থাকিলেও সেয়া সীমিত। এই মেছেজ বোৰত নাথাকে কোনো আৱেগ-অনুভূতি। কিন্তু গ্ৰীটিংছ কাৰ্ডত লিখা এই অন্তৰৰ কথা একান্তই ব্যক্তিগত সেয়া থাকে মাথো প্ৰিয়জনৰ ওচৰত।

কিয়নো আপোনাৰ জানো মন নাযায় নে আপোনাৰ প্ৰিয়জনৰ এটা শাৰী আচুতীয়াকৈ লিখিবলৈ অথবা প্ৰিয়জনৰ পৰা পোৱা এযাৰী মৰম বাণী অন্তৰৰ নিভৃত কোণত সংগোপনে সাঁচি ৰাখিবলৈ। সেই কাৰণে আহক এইবাৰ মই আৰু আপুনিও নতুন বছৰত এটা ৰেডিমেড এছ এম এছৰ পৰিৱৰ্তে নিজৰ আত্মাৰে লিখা অন্তৰৰ শুভকামনাৰে এখনি গ্ৰীটিংছ কাৰ্ড প্ৰদান কৰো প্ৰিয়জনৰ সৈতে। ❖





# সামুদ্ৰিক দুৰ্ঘটনা টাইটানিক

লিপিকা গগৈ
উচ্চতৰ মাধ্যমিক
দ্বিতীয় বৰ্ষ (কলা শাখা)

জীৱশ্ৰেষ্ঠ মানুহেই যে বিশ্বত চিৰদিন বিজয়ী হৈ থাকিব, সেয়া সত্য নহয়। মানুহে কেতিয়াবা প্ৰকৃতিৰ লগত ভয়ঙ্কৰভাৱে পৰাজিত হ'ব লগা হয়। পৃথিৱীৰ ভিতৰতে সবাতোকৈ ডাঙৰ কথা আৰামপূৰ্ণ 'টাইটানিক' নামৰ জাহাজখনৰ দুৰ্ঘটনা তেনে এক পৰাজয়ৰ ভিতৰত অন্যতম।

তেতিয়া সময় পুৱা দহ বাজি চল্লিশ মিনিট গৈছে। টাইটানিকে প্ৰথমবাৰ যাত্ৰা কৰিব নিউয়ৰ্কলৈ। এঘাৰ মহলা ওখ আৰু তিনিখন ফুটবল খেলপথাৰৰ সমান দীঘল এই প্ৰকাণ্ড আৰু অত্যাধুনিক জাহাজখনে সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ üÂ ÆyÃåÃ¼ ÿÂyÃÂòßÁ1 ›¶þ২২০৯ জন যাত্ৰীয়ে জাহাজখনৰ প্ৰথম যাত্ৰী হ'বলৈ পাই চালি ধৰা ময়ুৰৰ দৰে গৌৰৱান্বিত হৈ আছিল। কিন্তু হায়! তেওঁলোকে যে অনুভৱ কৰিব পৰা নাছিল সেয়া আছিল তেওঁলোকৰ নৰক যাত্ৰা।

ঘণ্টাত চাৰে বাইছ নট বেগত জাহাজখন কৃষ্ণ



সাগৰৰ ওপৰেদি আগবাঢ়িল। আকাশ পৰিষ্কাৰ হৈ আছিল। ছয়জন নিৰীক্ষণকাৰীৰ অন্যতম ফ্ৰেডেৰিক ফ্লিটে জাহাজৰ মূধত বহি সাগৰৰ ওপৰিভাগ নিৰীক্ষণ কৰাত ব্যস্ত। হঠাৎ জাহাজখনৰ সন্মুখত কিবা এটা চকুত পৰাত ফ্লিট সচকিত হৈ উঠিল। কেইমিনিট মানৰ পাছত ভালদৰে লক্ষ্য কৰি বুজিলে যে সেয়া এটা প্ৰকাণ্ড বৰফৰ খণ্ড, প্ৰচণ্ড গতিৰে তেওঁলোকৰ জাহাজখনক লক্ষ্য কৰি আহি আছে। এইখিনিতেই দুৰ্ঘটনাটোৰ সূত্ৰপাত হয়। লগে লগে তেওঁ কথাটো অফিচাৰক জনাই দি বিপদৰ সংকেত (ঘণ্টা) বজাই দিলে। কিন্তু, ইয়াৰ বিনিময়ত অফিচাৰে কেৱল 'ধন্যবাদ' বুলিহে ক'লে। ফ্লিট অতিশয় আচৰিত হৈ পৰিছিল।

ইয়াৰ পিছত ফ্লিটে লক্ষ্য কৰিলে জাহাজখন পোনে পোনে বৰফ টুকুৰাৰ ফালে আগবাঢ়িছে। যেন নিশ্চিত মৃত্যু গহ্বৰলৈ যাত্ৰা। তেওঁৰ চকুৰ আগতে ঘটনাটো ঘটি গ'ল। এটা সময়ত জাহাজখন আৰু বৰফৰ টুকুৰাৰ মাজত ব্যৱধান কমি আহিল আৰু জাহাজখনে জোৰেৰে বৰফ টুকুৰাত খুন্দা মাৰিলে। চিটিকি গ'ল বৰফৰ সৰু সৰু টুকুৰা। ফ্লিটে এটা কথা ভাবি আচৰিত হ'ল আগন্তুক বিপদ দেখিও মেনেজাৰে জাহাজখনৰ দিশ পৰিৱৰ্তন নকৰিলে। তেওঁ যদি দিশ

পৰিৱৰ্তন কৰিলেহেঁতেন, তেতিয়া এই দূৰ্ঘটনাটো নহলহেঁতেন। সম্ভৱতঃ তেওঁ ভাৱিছিল যে শক্তিশালী টাইটানিকে বৃহৎ বৰফখণ্ডটো নিঃচিহ্ন কৰি পেলাব। সংঘৰ্ষৰ ফলত জাহাজখনৰ তলিত এটা ডাঙৰ ফাঁট মেলিলে আৰু যিটো জোকাৰণি হ'ল সেই জোকাৰণিত যাত্ৰীসকলে কথাটো গম পাই জাহাজৰ ডেকৰ ওপৰত দৌৰা-দৌৰি কৰিবলৈ ধৰিলে।

জৰ্জ থমাচ'ৰ নামৰ লোক এজনে এটা হুৰ-হুৰণি শুনিবলৈ পালে। হুৰ-হুৰণিটো হৈছিল জাহাজত পানী সোমোৱাৰ কাৰণে। কিন্তু জাহাজখনৰ প্ৰথম বিষয়া উইলিয়াম মাৰউচে পৰিস্থিতিৰ গুৰুত্ব বুজি জাহাজৰ দিশ বিপৰীত মুখীকৈ ঘূৰালে। কিন্তু তেতিয়া যথেষ্ট পলম হৈ গ'ল। তেওঁ লগে লগে জৰুৰীকালীন দুৱাৰ কেইখন বন্ধ কৰি দিয়াত সাগৰৰ পানী সোমোৱাত কিছু পৰিমাণে ৰোধ কৰিলে। কিন্তু, কেইমুহূৰ্তমানৰ পিছতে সাগৰৰ পানী তীব্ৰ বেগেৰে জাহাজৰ ভিতৰলৈ সোমাই আহিল। জ্বলা কয়লা উফৰি পৰিল। যাত্ৰীসকলৰ আৰ্তনাদ বেছিকৈ বাঢ়ি আহিল।

কেপ্তেইন স্মিথে জাহাজখন পৰীক্ষা কৰি অৱশেষত উদ্ধাৰকাৰী নাওঁকেইখন ব্যৱহাৰ কৰিবলৈ আদেশ দিলে। প্ৰথমে মহিলা আৰু শিশুসকলক নাৱত পঠিওৱা হ'ল। পুৱা প্ৰায় ১-৩০ মান বাজিল। 'টাইটানিক' আধা মান ডুবিল। বাকী থকা যাত্ৰীসকলে ধৈৰ্য্যৰে বাট চালে। কিন্তু, যেতিয়া ঘূৰি অহাৰ আশা নেদেখিলে তেতিয়া কেপ্তেইনে ঘোষণা কৰিলে- 'মৰমৰ যাত্ৰীসকল, আমাৰ উদ্ধাৰকাৰী নাওঁ কেইখন ঘূৰি অহাৰ আশা কম। সেইবাবে তোমালোকে নিজৰ প্ৰাণ ৰক্ষাৰ বাবে চেষ্টা কৰা।' কেপ্তেইনৰ ঘোষণাটি শুনাৰ পিছত বহু যাত্ৰী সাগৰত জপিয়াই দিলে। প্ৰায় ২-৩০ মান বজাত জাহাজৰ আগটো বেঁকা হৈ পানীত ডুবি গ'ল আৰু পিছফালটো লাহে লাহে উঠি আহিল।

এসময়ত শান্তভাৱে গোটেই জাহাজখন আটলাণ্টিক মহাসাগৰৰ অটল গহ্বৰত জাহ গ'ল আৰু লগত জাহ গ'ল প্ৰায় পোন্ধৰ শ যাত্ৰী। দুৰ্ঘটনাটোৰ পৰা বাছি অহা এমুঠিমান মানুহৰ স্মৃতিত ঘটনাটো এক ভয়ঙ্কৰ দুঃস্বপ্নৰ দৰে আজিও ৰৈ গ'ল, হয়তো জীৱনৰ শেষ মুহূৰ্তলৈকে ৰৈ যাব। ❖

*সেইটোৱেই হ'ল সুন্দৰ কলা সৃষ্টি য'ত হাত, হৃদয় আৰু মগজুৰ সম্পূৰ্ণ সহযোগ দেখিবলৈ পোৱা যায়।*

*— জন ৰাস্কিন।*

*জীৱনে সকলো মানুহক সমান কৰি মহটিয়াই পেলায়, আনহাতে মৃত্যুৱে চিহ্নিত কৰি দেখুৱায় মহৎ লোকসকলক*

*— জৰ্জ বাৰ্নাৰ্ড শ্ব।*





# কাঠফুলা (Mushroom)

দুলু ফুকন
স্নাতক তৃতীয় বৰ্ষ
উদ্ভিদ বিভাগ

মাশ্বৰূম হৈছে সমাংগদেহী বৰ্গৰ অন্তৰ্গত এবিধ ভেঁকুৰজাতীয় উদ্ভিদ। থলুৱা ভাষাত কাঠফুলা বা বেংছতা। বিভিন্ন ঠাইত নিগুম, য়ুয়ান, চেংগুম, কুম্ভ, দামবং, ধিংৰি, লামফে আদি বিভিন্ন নামেৰে জনা যায়। ব্যৱসায়িক ভিত্তিত কৰি অহা চাৰিবিধ প্ৰজাতি হৈছে, (Auricularia auricula); (Flammulina velutips); (Lentinus edodes); (volvariella volvacea); কিন্তু বৈজ্ঞানিক ভাৱে পোন প্ৰথম বাৰৰ বাবে, ১৯১৭ চনত জামনীৰ Falek নামৰ বৈজ্ঞানিকজনে উৎপাদন কৰিছিল Pleurotus Osteratus নামৰ প্ৰজাতিৰ মাশ্বৰুম। বৰ্তমানলৈকে ১০,০০০ প্ৰজাতিৰ ভিতৰত প্ৰায় ২০০ প্ৰজাতি খাদ্যোপযোগী হৈছে। অসমৰ জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি মাত্ৰ তিনিবিধ প্ৰজাতিৰ মাশ্বৰূম বছৰজুৰি কৰিব পৰা যায়।

১। মে' মাহৰ পৰা চেপ্তেম্বৰ মাহলৈ কৰিব পৰা মাশ্বৰূমবিধ হ'ল পেডিষ্ট্ৰ' মাশ্বৰূম (Volvariella species) ইয়াক ধানখেৰ মাশ্বৰূম বুলিও কোৱা হয়।

২। চেপ্তেম্বৰ মাহৰ পৰা এপ্ৰিল মাহলৈকে কৰিব পৰা মাশ্বৰূমবিধ হ'ল অয়ষ্টাৰ মাশ্বৰূম (Pleurotus sp.) হিন্দীত ইয়াক ধিংৰি বুলি কোৱা হয়।

৩। নৱেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহলৈ কৰিব পৰা মাশ্বৰূম বিধ হ'ল বাটন মাশ্বৰূম (Aqaricus blsporus) হিন্দীত ইয়াক কুম্ভ বুলি কোৱা হয়।

মাশ্বৰূমত থকা উপাদানসমূহ হ'ল 45-47 প্ৰটিন, চৰ্বি, শৰ্কৰা, Vit B। থিয়ামিন, ৰিবোফ্লেভিন Vit $B_2$, নিকট'নিক এচিড, পেন্টাথেনিক এচিড, ফলিক এচিড, এমিন'এছিড, লাইচিন, ট্ৰিপ্ট'ফেন আদি প্ৰচুৰ পৰিমাণে পোৱা যায়।

ঔষধি গুণৰ ফালৰ পৰাও মাশ্বৰূমৰ গুৰুত্ব অপৰিসীম। Polyporus officinalis মাশ্বৰূমবিধ, ক্ষয়ৰোগ, বাতবিষ, গাঁঠিৰ বিষ, জণ্ডিচ ৰোগ ইত্যাদি ইত্যাদি প্ৰতিকাৰক হিচাপে ব্যৱহাৰ কৰা হয়। Auricularia auricula প্ৰজাতিৰ চকুৰ জ্বলা-পোৰা অসুখত মলম হিচাপে ব্যৱহাৰ কৰা হয়। ডিঙিৰ কুলকুলি হিচাপে ব্যৱহাৰ কৰা হয়। Elaventia qiqantia প্ৰজাতি এনাস্থেথিয়া হিচাপে ব্যৱহাৰ কৰা হয়। Flamulina valutipes উচ্চ ৰক্তচাপ হ্ৰাস কৰে, শৰীৰত টিউমাৰ বৃদ্ধিত প্ৰতিকাৰক হিচাপে ব্যৱহাৰ কৰে। মাশ্বৰূমে মগজুৰ তীক্ষ্নতা বৃদ্ধিত, কোষ্ঠকাঠিন্য দূৰীকৰণ, মসৃণতা আদিতো সহায় কৰে। ❖



বিয়ানামত

# নাৰীমনৰ প্ৰকাশ



তিলোত্তমা সোনোৱাল
স্নাতক তৃতীয় বৰ্ষ
(অসমীয়া বিভাগ)

বিয়ানাম অসমীয়া লোকসংস্কৃতিৰ এক অপৰিহাৰ্য অঙ্গ। অসমীয়া লোকগীতবোৰৰ ভিতৰত বিয়ানাম হৈছে বিবাহ সূত্ৰে পুৰুষ-নাৰীৰ পবিত্ৰ মিলনৰ মধুৰ সঙ্গীত। বিয়ানাম নাৰীমনৰ স্বকীয় সৃষ্টি। বিয়ানামে অসমীয়া সামাজিক অনুষ্ঠানৰ লগতে অসমীয়া সমাজখনৰো পৰিচয় বহন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিয়ানাম অসমীয়া মহিলাসকলৰ নিজস্ব সম্পত্তি বুলি ক'লেও উলাই কৰা নহব। অতীজৰে পৰা অসমীয়া বিবাহ উৎসৱৰ বিভিন্ন উপলক্ষ্যৰ মাজত ৰজিতা খুৱাই মহিলাসকলে বিয়া নামসমূহ ৰচনা আৰু পৰিবেশন কৰি বিবাহ উৎসৱ আনন্দমুখৰ কৰি তোলাই আছিল গীত সমূহ ৰচনা কৰাৰ উদ্দেশ্য। সমাজত প্ৰচলিত লৌকিক আচাৰ অনুষ্ঠান সুচাৰুৰূপে পালন কৰিবলৈ বিবাহ অনুষ্ঠানৰ বিভিন্ন স্তৰত বিভিন্ন সুৰ আৰু জাত লগাই গীতসমূহ গাই যাওঁতে পৰিবেশ অতি মধুৰ আৰু প্ৰাণৱন্ত হৈ উঠে। নাৰী মনৰ মোহনীয় ভাৱ অনুভূতি; চিন্তা-চেতনা, জীৱনৰ অভিজ্ঞতা সমাজ জীৱনৰ চিত্ৰ, সাংসাৰিক জীৱনত নাৰীৰ দায়িত্ব আৰু কৰ্তব্য সৰ্বোপৰি ত্যাগৰ মনোভাৱ। বিয়ানামৰ মাজেদিয়েই নাৰীমন আৰু নাৰী জীৱনৰ বিচিত্ৰ প্ৰতিফলন ঘটিছে।

বিয়ানামবোৰ যে কেৱল বৰ বিয়াতহে পৰিবেশন কৰা হয় এনে নহয়। নোৱাই তোলনি বিয়াতো বিয়ানামবোৰত কইনা কালত ভৰি দিয়া ন-গাভৰুহতঁক নাৰীৰ জীৱনৰ সম্পৰ্কে উপদেশমূলকভাৱে সোঁৱৰাই দিয়া হয় অনেক কথা। আয়তীসকলে গায়।

আজিৰ পৰা ভন্টি গাভৰু হলা
পুৰুষৰ কাষলৈ চাপি নাযাবা।
পুৰুষে নাজানে নাৰীৰে মোল,
নাৰী যে এপাহি ধুনীয়া ফুল।

নোৱাই- তোলনি বিয়াত এইদৰে দিহা উপদেশ দিয়া গাভৰু জনী দিনে দিনে ডাঙৰ হৈ এদিন ঘৰ ধৰিব পৰা হয়। নিজৰ পিতৃৰ ঘৰ এৰি আন এখন ঘৰলৈ যাবলৈ ওলোৱা কইনাজনী লৈ জোৱোণ আহি পদুলি মুখ পায়হি। লগে লগে আয়তী সকলে সাৰ পাই উঠে।

ৰামকৃষ্ণ পানত পত্ৰ লিখি
ৰামকৃষ্ণ দিলাহে আইদেউ
হৰি মোৰ ঐ পানত পত্ৰ লিখি দিলা
ৰামকৃষ্ণ সেই পত্ৰ খনি
ৰামকৃষ্ণ পাই ৰামচন্দ্ৰই
হৰি মোৰ ঐ অলংকাৰ পঠিয়াই দিলা
ৰামকৃষ্ণ ৰামচন্দ্ৰৰ অলংকাৰ
ৰামকৃষ্ণ দেখোতে চমৎকাৰ
হৰি মোৰ ঐ কোন সোণাৰীয়ে গঢ়া।

অৱশেষত দৰা আহি পোৱাৰ পিছত কইনা দায়গ্ৰস্ত পিতৃ-মাতৃৰ কন্যাক বিদায় দিয়াৰ মৰ্মবেদনা আৰু তাৰ লগতে





চিৰ দিনলৈ ঘৰখন, পিতৃ-মাতৃ, ভাতৃ-ভগ্নী,আত্মীয়-স্বজনক এৰি যোৱাৰ করুণ ছবি বিয়া নামত পোৱা যায় এইদৰে-

বৰঘৰত কান্দিলে মাকে বাপেকে
মাবলত কান্দিলে ভনী হে
বাৰীৰ পিছফালে কান্দে তাতঁৰ শালে
আইদেউক বিয়া দিবৰ শুনিহে।

পুৰোহিতৰ বেদ-মন্ত্ৰৰ উচ্চাৰণেৰে হৰ-গৌৰীৰ বসতি হবলৈ ওৰেটো জীৱন দুয়ো দুয়োৰে অৰ্ধাংগ হবলৈ প্ৰতিশ্ৰুত হোৱা কইনাজনীয়ে অৱশেষত ঘৰ ঘৰুৱাহৰ লগত সম্পৰ্ক ছিঙি যাবলৈ ওলায়।

আখৈ দিয়া আখৈ দিয়া
মৰমৰে ভাই
মৰমৰে ভাই
আজিৰ পৰা তোমাৰ বাইদেউ
গোত্ৰ ছিঙি যায়।

বিয়ানাম অসমীয়া মহিলাসকলৰ নিজস্ব সম্পত্তি বুলি ক'লেও উলাই কৰা নহব। অতীজৰে পৰা অসমীয়া বিবাহ উৎসৱৰ বিভিন্ন উপলক্ষ্যৰ মাজত ৰজিতা খুৱাই মহিলাসকলে বিয়া নামসমূহ ৰচনা আৰু পৰিবেশন কৰি বিবাহ উৎসৱ আনন্দমুখৰ কৰি তোলাই আছিল গীত সমূহ ৰচনা কৰাৰ উদ্দেশ্য। সমাজত প্ৰচলিত লৌকিক আচাৰ অনুষ্ঠান সুচাৰুৰূপে পালন কৰিবলৈ বিবাহ অনুষ্ঠানৰ বিভিন্ন স্তৰত বিভিন্ন সুৰ আৰু জাত লগাই গীতসমূহ গাই যাওঁতে পৰিবেশ অতি মধুৰ আৰু প্ৰাণৱন্ত হৈ উঠে।



বিয়ানাম কেৱল নাৰীমনৰ মৰ্মবেদনাৰ প্ৰকাশেই নহয় বিয়ানামৰ মাজেৰে দৰা আৰু কইনাঘৰীয়া দুয়ো পক্ষৰ মাজত যোগসূত্ৰও সৃষ্টি হয়। দেখা যায় যে দৰা আহি পোৱাৰ লগে লগে কইনাঘৰৰ আয়তীসকলে গীতৰ মাজেৰে দৰাঘৰৰ বিভিন্নজনক সাঙুৰি হাস্যৰসাত্মক গীত পৰিবেশন কৰে। কইনা ঘৰৰ এনে আক্ৰমনত পিছ হুহকি নগৈ দৰাঘৰেও আৰম্ভ কৰে গীতৰ যুদ্ধ। এই গীতবোৰক উজনি অসমত যোৰানাম আৰু নামনি অসমত খিছাগীত বুলি জনা যায়। অসমীয়া বিশ্বাসমতেই এখন বিয়াতেই আন এখন বিয়াইও তৰা পাতে। এই বাট কাটি দিয়াত যোৰানামৰ ৰভাতলীত যোৰানামৰ ৰগৰে ৰংমন মুখৰ কৰি তোলে।

এইদৰে চালে দেখা যায় যে বিয়া নাম অসমীয়া লোকসঙ্গীতৰ নাৰীমন, নাৰী জীৱনৰ এক চাক্ষুখ দলীল। গতিকে ক্ৰমে ক্ৰমে হেৰাই যাব ধৰা এই বিয়ানামবোৰ পৰিবেশন আৰু সংৰক্ষণ নকৰিলে অসমীয়া নাৰীমনৰ সুকোমল অলেখ অনুভূতি হেৰাই যোৱাৰ ভয়ো নুই কৰিব নোৱাৰি। ❖



# বিদ্যাৰ্থীৰ শিক্ষা তত্ত্ব

বিতোপন সোণোৱাল

পৃথিৱীত যদি আটাইতকৈ শ্ৰেষ্ঠ সম্পদ আছে, সেয়া জ্ঞান আৰু শ্ৰেষ্ঠ দান আছে জ্ঞান দান। মনুষ্য জনম লৈ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ জ্ঞান আহৰণ কৰিবলৈ অহা কাৰ্য অতি মহত্বপূৰ্ণ কাৰ্য। জ্ঞান আহৰণ কৰিবলৈ অহাটোত যিদৰে মহত্ত্বতা আছে সেইদৰে দায়বদ্ধতাও আছে। উদাহৰণস্বৰূপে শিক্ষক আৰু ছাত্ৰ। শিক্ষা আহৰণ জীৱনৰ মূল তপস্যা বুলি যিজনে ভাবিব সেইজন হ'ল ছাত্ৰ। ঘৰৰ চালিৰ তলত থাকিলে যিদৰে ৰ'দ বৰষুণ বতাহৰ পৰা ৰক্ষা পাব পাৰি, ঠিক সেইদৰে শিক্ষক গৰাকীৰ উপদেশমূলক কথাসমূহে ঘৰৰ চালিখনে ৰক্ষা কৰাৰ দৰে ছাত্ৰ জনক সদায় ৰক্ষা কৰিব। ছাত্ৰজনক জ্ঞান প্ৰদান কৰা শিক্ষকগৰাকীয়ে মাথো গুণৰ প্ৰভাৱ বিস্তাৰ কৰে। ছাত্ৰজন শিক্ষকৰ একান্ত বাধ্য হ'ব লাগিব। ছাত্ৰ জন একান্ত বাধ্য হোৱা বাবে শিক্ষকজনৰ ছাত্ৰ হিচাপে পৰিচিত হয়।

যি শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে, সেই শিক্ষানুষ্ঠানখন মূলত জ্ঞান মন্দিৰ হিচাপে পৰিচিত হয়। পবিত্ৰ সহকাৰে চিন্তা আৰু প্ৰাৰ্থনাৰে জ্ঞান মন্দিৰত প্ৰৱেশ কৰিলে শিক্ষাৰ সুফল অৱশ্যম্ভাৱী। এই জ্ঞান মন্দিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অনেক উদ্যোগী, জ্ঞানী মহান পুৰুষৰ ত্যাগ আছে। এই ত্যাগক মূল্য দিব লাগিব। কাৰণ তেওঁলোকৰ চিন্তাধাৰা, উদ্যোগী হোৱাৰ ফলত আমি আজি জ্ঞান মন্দিৰত জ্ঞান লাভ কৰিব পাৰিছো। গতিকে আমি যিকোনো অনৈতিক কাৰ্যৰ পৰা নিজকে বিৰত ৰাখি ইয়াৰ পৱিত্ৰতা ৰক্ষাৰ চেষ্টা কৰিব লাগিব, তেতিয়াহে গুণত মূল্য দিয়া হ'ব। শিক্ষানুষ্ঠানৰ পৱিত্ৰতা ৰক্ষা কৰিলে শিক্ষাৰ সুফল লাভ কৰাত ইন্ধন যোগাব। শিক্ষক সমাজ তথা মুৰব্বী অধ্যাপক জনেও এই ক্ষেত্ৰত গুৰুত্ব দিব লাগিব।

মানুহৰ ভিতৰত সুপ্ত হৈ থকা প্ৰতিভাৰ বিকাশেই শিক্ষা। স্বামী বিবেকান্দই কৈছিল– Education is the panacca to all evils। সকলো বেয়া উপাদান নাইকিয়া কৰাৰ দৰৱেই হ'ল শিক্ষা। ইয়াৰ উদ্দেশ্য মানুহ গঢ়া। Education is the combination of five actions.

(1) Observation (নিৰীক্ষণ)
(2) Discrimination (সুবিবেচনা)
(3) Utilization (প্ৰয়োগিক ব্যৱহাৰ)
(4) Preservation (সংৰক্ষণ)
(5) Transmission (প্ৰেৰণ, বিতৰণ)

শিক্ষাই আমাক এই খিনিৰ বিচাৰ বাস্তৱিক জীৱনত আনি দিব পাৰে আৰু যাৰ বাবে আমি শুদ্ধাশুদ্ধ বিচাৰ কৰি ল'ব পাৰো আৰু উন্নতিৰ জখলালৈ আগবাঢ়ি যাব পাৰো।

মানুহ ফুলিব লাগিব বিকশি
কৰিব লাগিব গোটেই জগতখনকে
সৰগীয় সুৰভিময়

—জ্যোতিপ্ৰসাদ

মদাৰ ফুলৰ দৰে জকমককৈ ফুলিলেই ইয়াৰ বিকাশ যথাযথ হ'ব নোৱাৰে। সৰগীয় সুৰভি, সুগন্ধি বিলাব পৰাৰ যোগ্যতা থাকিব লাগিব তেতিয়াহে শিক্ষাৰ পূৰ্ণ বিকাশ হ'ব। মানুহৰ এনে বিকাশত থাকিব লাগিব নৈতিক, আধ্যাত্মিক বীজ অংকুৰিত বহুজন হিতায় বহুজন সুখায় কৰ্মৰাজি।

নিজৰচেষ্টা,একাগ্ৰতা,অনুসন্ধিৎসাথাকিলে অসম্ভৱকো সম্ভৱ কৰিব পাৰি। সেয়ে আজিৰ ছাত্ৰ-ছাত্ৰীয়ে এনে মনোভাৱ পোষণ কৰিলে পাঠ্যপুথিত নাথাকিলেও শিক্ষানুষ্ঠানৰ পৰিৱেশে নকলেও নিজক মানুহ কৰাৰ তত্ব অনুধাৱনত অকণো অসুবিধা নাথাকিবা।





# মে-ডাম-মেফি

সুষমা পাচোৱান
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
(কলা শাখা)



'মে-ডাম-মেফি' বৃহৎ তাই আহোম জনগোষ্ঠীৰ এক ধৰ্মীয় উৎসৱ। অসমত বসবাস কৰা তাই আহোম জনগোষ্ঠীৰ লোক সকলে ৩১ জানুৱাৰীৰ দিনটো বছৰি এই পৱিত্ৰ উৎসৱ স্বকীয় ধৰ্মীয় পৰম্পৰাৰে উদ্‌যাপন কৰে। 'মে-ডাম-মেফি' হ'ল তাই আহোম সকলৰ মৃতক তথা উপৰি পুৰুষৰ প্ৰতি শ্ৰদ্ধা তৰ্পণৰ এক ধৰ্মীয় মাঙ্গলিক অনুষ্ঠান। 'মে-ডাম-মেফি' তাই ভাষাৰ শব্দ। 'মে' মানে সেৱা, তৰ্পণ, 'ডাম' মানে মৃতক, 'ফি' মানে দেৱতা। অৰ্থাৎ মৃতক দেৱতা সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ অনুষ্ঠান। এই পূজা বা অনুষ্ঠান উদ্‌যাপন কৰি তাই আহোমসকলে উপৰিপুৰুষ সকলৰ পৰা আশীৰ্বাদ বিচাৰে যাতে ৰাইজ, স্বদেশৰ শক্তি বৃদ্ধিৰ লগতে শস্যৰ উৰ্বৰতা বাঢ়ে আৰু শান্তি সম্প্ৰীতিৰে দিন অতিবাহিত হয়। তাই আহোম জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰে যে, মৃতক দেৱতা সকলোৱেই তেওঁলোকৰ জীৱিত বংশধৰসকলৰ মংগল সাধন কৰি থাকে।

১২২৮ খ্ৰীষ্টাব্দত উত্তৰ ম্যানমাৰ আৰু দক্ষিণ য়ুনান (চীন প্ৰজাতন্ত্ৰৰ) প্ৰদেশৰ ম্যু-মাও ৰাজ্যৰ পৰা পাটকাই পৰ্বত পাৰ হৈ তাই জনগোষ্ঠীৰ এটা ঠাল আহোমসকলে চুকাফাৰ নেতৃত্বত সৌমাৰ তথা ব্ৰহ্মপুত্ৰ উপত্যকাত থিতাপি লয়হি। চুকাফাৰ নেতৃত্বত তাই মাও তাই সকল ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম হিচাপে জনাজাত হ'ল। তেনেদৰে বিশ্বৰ বিভিন্ন স্থানত থকা তাই জনগোষ্ঠীৰ লোকসকলক স্থানীয় নামেৰে নামকৰণ কৰা হ'ল। দক্ষিণ চীনৰ গোৱাংজি, গোৱাংদং, য়ুনান, চিজুৱান প্ৰদেশত তাই লোকসকলৰ বসতি আছে। তাই লোকসকলে বসবাস কৰা ঠাইবোৰৰ স্থান সমূহত ৰাজনৈতিক আৰু সাংস্কৃতিক কাৰণত সেই ঠাইবোৰৰ ভাষা সংস্কৃতি গ্ৰহণ কৰি স্থানীয় লোকসকলৰ সৈতে মিলি গ'ল। চীন দেশত বসবাস কৰা হান সকলৰ মাজতো আহোমসকলে বিশ্বাস কৰা উপৰি পুৰুষৰ পূজা আৰু শ্ৰদ্ধা তৰ্পণৰ প্ৰথা প্ৰচলিত আছে। চুকাফাৰ নেতৃত্বত ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিবলৈ অহা তাই আহোমসকলে ছশ বছৰীয়া শাসনকালত নিজৰ পূৰ্বৰ ভাষা কৃষ্টি ত্যাগ কৰি স্থানীয় জনগোষ্ঠীৰ লোকসকলৰ লগত মিলি গ'ল। স্থানীয় ভাষা সংস্কৃতি গ্ৰহণ কৰি এখন নতুন বৰ অসমৰ সৃষ্টি কৰি বিশ্বৰ ইতিহাসত বিৰল এক মহা-মিলনৰ আৰু সমন্বয়ৰ এক উদাহৰণ দেখুৱাই থৈ গ'ল।

অতীত কালত আহোম সকলে উপৰি

পুৰুষৰ আশীৰ্বাদ পাবলৈ বিভিন্ন জীৱ-জন্তু যেনে- হাতী, গৰু, ম'হ, ছাগলী, গাহৰি, কুকুৰা-হাঁহ আদি বলি দিছিল। এই নিয়ম চীন দেশৰ তাই জনগোষ্ঠীৰ মাজত এতিয়াও প্ৰচলিত হৈ থকা বুলি জনা যায়। আহোমসকলৰ মাজতো শিৱসাগৰৰ লাকুৱাৰ



ৰঙাগড়া দেওশালত এক নিৰ্দিষ্ট সময়ৰ ব্যৱধানত উপৰিপুৰুষৰ আশীৰ্বাদ লাভৰ বাবে 'ওমফা' পূজা পাতি গৰু, ম'হ, হাঁহ-পাৰ, ছাগলী আদি বলি দিয়াৰ প্ৰথাৰ প্ৰচলন আছে বুলি জনা যায়। অৱশ্যে সাম্প্ৰতিক কালত বহু তাই জনগোষ্ঠীৰ লোকে বৌদ্ধ ধৰ্মাৱলম্বী হোৱাৰ বাবে বলি বিধানৰ প্ৰথা লোপ পাইছে। তেনেদৰে আহোম সকলৰো এক বৃহৎ সংখ্যক লোকে মহাপুৰুষ শংকৰদেৱে প্ৰচলন কৰা বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰাত পূৰ্বৰ পূজা সেৱাৰ প্ৰচলন কমি আহিছে।

তাই আহোম সকল ধৰ্মীয় দৃষ্টিত অতি উদাৰ। নিজৰ সাহিত্য, ভাষা, সংস্কৃতি ত্যাগ কৰি উদাৰতাৰ পৰিচয় দিব পৰাৰ বাবেই তেওঁলোকে অসমত ছশ বছৰ কাল ৰাজত্ব কৰি পৃথিৱীৰ বুৰঞ্জীত এক বিৰল উদাহৰণ দেখুৱাই থৈ গৈছে। চাওলুং চুকাফাই নিজ বাহু বলেৰে সৌমাৰৰ ক্ষুদ্ৰ শাসন কৰ্তাসকলক বশ কৰিয়েই ক্ষান্ত নাথাকি স্থানীয় জনগোষ্ঠীৰ লোকসকৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰি এক মহা মিলনৰ আদৰ্শ এৰি থৈ গৈছে। যাৰ ফলত আজি আমি এক বৃহৎ অসমীয়া সমাজৰ অংশীদাৰ হ'বলৈ সমৰ্থ হৈছোহঁক। বিজেতা হৈও বিজিতৰ সংস্কৃতি গ্ৰহণ কৰি 'সাতৰাজ মাৰি এক ৰাজ' কৰা নীতিৰ দ্বাৰাই মহান অসমীয়া জাতিৰ বুনিয়াদ গঢ়ি থৈ গৈছে।

'মে-ডাম-মেফি'ৰ এই পৱিত্ৰ উপলক্ষত সেয়েহে অসমত বসবাস কৰি কৰা সকলো জনগোষ্ঠীৰ ৰাইজ মহান বীৰ চুকাফাৰ সমন্বয়ৰ আদৰ্শ শিৰোধাৰ্য্য কৰি বৰ অসমক অধিক শক্তিশালী, সমৃদ্ধিশালী কৰি তুলিবলৈ অঙ্গীকাৰবদ্ধ হোৱা উচিত। তেহে 'মে-ডাম-মেফি' উদ্‌যাপন কৰাৰ প্ৰকৃত সাৰ্থকতা লাভ কৰিব পৰা হ'ব। বৰ্তমান অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য সম্প্ৰীতি আৰু ভ্ৰাতৃত্ব বোধৰ এনাজৰীডাল অধিক কটকটীয়া কৰিবলৈ হ'লে আমি মহান চুকাফাৰ আদৰ্শ আৰু নীতি অনুসৰণ কৰিব লাগিব। তেতিয়াহে চুকাফা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, আজান পীৰৰ বৰ অসমে বিশ্বৰ দৰবাৰত অধিক প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হ'ব। ❖





কথা শিল্প

শিৰোনামাঃ 'স্বপ্ন সমুদ্ৰ'

## সঁচাকৈয়ে তোমাৰ বাবে ৰৈ আছো মই

ভৃগুৰাজ
স্নাতক ১ম বৰ্ষ (বাণিজ্য)

তাই যদি হঠাতে এদিন আহিলহেঁতেন আৰু আৰম্ভ
কৰিলেহেঁতেন মই বিচৰামতে কিছুমান শব্দ। কিছুমান বাক্য,
কিছুমান কাব্য, কলিজা কপি যোৱাকৈ.......
প্ৰতিদিন যাক মই শয়নে সপোনে বিচাৰি ফুৰো
সেইজন তুমি,
প্ৰতিদিন যাক মই সপোনে দিঠকে প্ৰতিপল ভাৱো
সেইজন তুমি,
প্ৰতিদিন যাক মই মনে প্ৰাণে মোৰ আপোন হোৱাটো বিচাৰো
সেইজন তুমি,
কেতিয়াবা তোমাৰো যে এনে লাগে
প্ৰতিপল মোৰ কাষত থাকিবলে, মই জানো,
মোৰ কথা বাদ, তুমি জানো পাৰিবা মোক পাহৰিব
যেতিয়া তুমি জানিবা যে
মোৰ জীৱন তোমাৰ হৃদস্পন্দন।
তোমাৰ এই কথাবোৰ মোৰ টোপাল টোপাল
ৰক্তকণাত পৰিণত হ'লহেঁতেন আৰু মোৰ....
বগা বগা বগলীৰ সতে উৰিবৰ মন গ'লহেতেঁন
নীলা নীলা আকাশত, ডাৱৰৰ মাজে মাজে
গোলাপ হৈ জিলিকিবৰ মন গ'লহেতেন
সাতোৰঙী ফুলনিৰ মাজত, পাতৰ আঁৰে আঁৰে
জুৰি হৈ বাগৰিবৰ মন গ'লহেঁতেন
পাহাৰৰ মাজত, শিলাখণ্ডৰ হৃদয়ে হৃদয়ে
লুইত হৈ বৰৰ মন গ'লহেঁতেন
লাহে লাহে, ধীৰে ধীৰে, চৌপাশ জিলিকাই,
আকাশৰ নীলা.... আৰু মন গ'লহেঁতেন
দুটি উষ্ম ওঁঠৰ আলিংগন যাঁচিবলে তোমাৰ ওঁঠত।
তাৰ পাছত বুকুৰ মাজত সোমাই থকা কিছুমান
ভাল লগা কবিতাৰ শাৰী স্বচ্ছন্দে নিগৰিলেহেঁতেন....
মোৰ কবিতাৰ ছন্দে ছন্দে মোৰ প্ৰাণৰ ভাষা,
মোৰ কবিতাৰ শব্দে শব্দে মোৰ প্ৰেমৰ ভাষা,
বহু আশাৰে বাট চাই ৰৈ আছো
মাথো তোমাৰ বাবে,
তুমি আহিবা বুলি
তোমাৰ হিয়াৰ বতৰা লৈ,
আজি সেই আশাও পূৰণ হ'ল
এধানি মৰম যাচিছা, তোমাৰ দুচকুৰে মোৰ দুচকুলৈ।
অশ্ৰুকণা মোৰ দুচকুত জিলিকি থাকে
চকুহাল মুদিলেই দুগালেদি বাগৰি আহে
তোমাৰ স্মৃতিয়ে মোক আমনি কৰে,
চকুহাল মুদি চকুলো নিগৰাই মই আৰু ৰোমন্থন নকৰো
তাৰ প্ৰয়োজনীয়তা নাই
নিৰৱতাক সাৱটি চকুলো নিগৰাই মই আৰু নাথাকো
তাৰো প্ৰয়োজনীয়তা নাই
এতিয়া পৃথিৱীৰ অজস্ৰ প্ৰেম যুগলৰ
এহাল তুমি আৰু মই।
তেতিয়া তুমি চাগে আকৌ.......
জান জুৰি নৈ সাগৰো আছে
তাৰ সিপাৰে তুমি আছা
কাৰ বাবে বাৰু তোমাৰ অপেক্ষা?
আচলতে মোৰ বাবেইনে? তুমি সুধিলাহেঁতেন......
অৱশেষত, এমোকোৰা মিঠা হাঁহি লৈ, শত সহস্ৰ
যুগৰ মৰম লৈ, ক্ষন্তেকৰ বাবে তোমাৰ পৰা বিদায়
মাগিলেহেঁতেন আৰু কলোহেঁতেন,
" তোমাক এদিন আকৌ লগ পাম।" ❖



আমি আমাৰ নিজৰ মাটিত
গজিছোঁ, নিজৰ মাটিৰ ৰসতে
জীম; বাঢ়িম, থিয় হ'ম।
আমাৰ অসমত যি ফুল ফুলে
সেইবোৰো অসমীয়া, যি ফল
ধৰে সেইবোৰো অসমীয়া।
আমি আমাৰ ৰূপেৰেই
জিলিকিম ধাৰ কৰা শাখিৰে
নিজিলিকোঁ।

লক্ষ্মীনাথ বেজবৰুৱা

# কবিতা সম্ভাৰ





“ই নতুন বস্তু।
কোনোটোহঁত
টুকুৰা সঞ্চাৰী।
কোনোটোহঁত
কবিতাৰ ওচৰা
উচৰি।
কোনোটোহঁত
নিভাঁজ কবিতাই।
কিছুমান টুকুৰা
জিলমিলাই থকা
বাখৰৰ দৰে।...’

নীলমণি ফুকন



# অসমত বাংলাদেশৰ পতাকা আৰু কিছু চিন্তা

কৃষ্ণকান্ত শিলপনীয়া
স্নাতক দ্বিতীয় বৰ্ষ (ৰসায়ন বিজ্ঞান বিভাগ)

‘ অসমৰ মাটিত উৰিল বাংলাদেশৰ পতাকা।’--
চাৰিওফালে হুলস্থুল।
প্ৰচাৰ মাধ্যমৰ ‘hot news’ হ’ল ই।
সংবাদ মাধ্যমৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিলে ই।
শাসকীয় দলে দিলে গা সৰা মন্তব্য,
বিৰোধীৰ বাবে হ’ল ই এক ‘political issue’

২

কথাবাৰ সচাঁনে?
হয়তো সঁচা,
অথবা মিছা।
হয়তো ই এটা উৰা-বাতৰি।
পিছে কথাটো কিন্তু ভাবি চাবলগীয়া।
কেৱল ভাবি চাবলগীয়াই নহয়,
ই এটা মাৰাত্মক ঘটনা।
লাগিব আমাক ইয়াৰ উচিত তদন্ত তথা প্ৰতিকাৰ,
ই হ’ল আমাৰ গণতান্ত্ৰিক অধিকাৰ।
কাৰণ, ইয়াৰ লগত জড়িত হৈ আছে,
এখন দেশ, এটা জাতিৰ ভৱিষ্যত
আৰু বহুতো আশা..........।

৩

ভূপেন হাজৰিকাই গাইছিল,
‘আমি অসমীয়া নহওঁ দুখীয়া,
কিহৰ দুখীয়া হ’ম?
সকলো আছিল, সকলো আছে



নুগুণো নলওঁ গম।’
তেওঁ আকৌ গালে,
‘আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ’ব।
আজিৰ অসমীয়াই নিজৰে মাটিতে
লাঞ্ছিত হৈ মৰিব।’
হে মহান শিল্পী,
আমাক বাৰু কি বুজাব খুজিছা
এই গীতৰ যোগেদি?

৪

এই দেশতেই জন্ম হৈছিল এটা জাতীয় সংগঠন (!)
কলিজাৰ তেজ দি হ’লেও স্বাধীনতা উদ্ধাৰৰ পণ।
ৰংঘৰৰ বাকৰিত যাৰ জন্ম হ’ল,
সি হ’ল সংযুক্ত মুক্তি বাহিনী, অসম।
চমুকৈ ULFA



মুক্তি বাহিনী নে গণতন্ত্ৰ বিৰোধী?
বৰ্বৰ মানুহৰ সংগঠন নে
অসমৰ ভৱিষ্যত সুন্দৰ কৰিব বিচৰা
এমুঠি যুৱকৰ সংগঠন?
অসমীয়া যুৱকৰ সংগঠন।
যাৰ হাতত আছে ভৱিষ্যতৰ অসম
সোণালী অসম নে
নে তেজেৰে ৰাঙলী অসম?
অসমীয়াই ভাবি চাবৰ হ’ল।
সেই সকলেও ভাবি চাবৰ হ’ল,
যিসকলে নিজৰ দেশতে
নিজৰ জীৱন ৰক্ষাৰ বাবে
পলাই ফুৰিবলগীয়া হৈছে।

(৫)
বুৰঞ্জীৰ পাত লুটিয়ালে
বহু কথাই মনলৈ আহে।
মান-মোগলৰ আক্ৰমণ, বৃটিছৰ অত্যাচাৰ
আৰু ক'ত যে কথা.........।
তাৰো আগৰ কথা,
স্বৰ্গদেউ চাওলুং চুকাফাই
থাইলেণ্ডৰ পৰা হিমালয় লংঘি আহি
একলগ কৰিলেহি অসম ভূমিক।
শংকৰদেৱে বান্ধিলে একতাৰ জৰীৰে
একশৰণ নামধৰ্ম প্ৰৱৰ্তন কৰি।
সেই অসমীয়াই আজি ভাগ ভাগত বিভক্ত!
একতা কি সকলোৱে বুজে
কিন্তু বাস্তৱ ক্ষেত্ৰত কোনোৱে প্ৰয়োগ নকৰে।
এইয়াই অসমীয়াৰ অহংকাৰ- আত্মসন্মান;
কাৰো ওচৰত আমি হীন নহওঁ!
যি সময়ত দেশ পৰিছে সংকটত,
সেই সময়ত সকলো নিজৰ ভৱিষ্যত,
নিজৰ সম্প্ৰদায়কলৈ ব্যস্ত।
দেশ, জাতিৰ ভৱিষ্যত হৈ পৰিছে গৌণ।

(৬)
মনৰ কথা কিন্তু বাহিৰ কৰাৰ উপায় নাই।
কাৰণ, কাৰোবে এইবিলাক শুনাৰ ধৈৰ্য্য নাই।
জীয়া যন্ত্ৰণা সহি সহি
সকলোৰে জীৱন ভৰি পৰিছে।
আৰু অলপ কাণত সোমালেই যেন
মানুহবোৰ ফাটি পৰিব,
একোটা অত্যধিক চাপত থকা বেলুনৰ দৰে....।
হে অসমৰ ৰাইজ, অসমবাসী সকল,
কিমানদিন আৰু বেলুনৰদৰে ফুলি থাকি
জীৱন যাপন কৰিব?
এনে জীৱনতকৈ মৃত্যুয়েই শ্ৰেয়।
ধিক! তেনে জীৱন।

(৭)




বীৰ লাচিতে কৈছিল, 'দেশতকৈ মোমাই ডাঙৰ নহয়।'
কিন্তু সেই অসমীয়াৰ বাবে আজি
দেশৰ ভৱিষ্যতকৈ নিজৰ লাভ শ্ৰেয়।
হে অসমীয়া ৰাইজ,
কি হ'ল তোমালোকৰ!

(৮)
উপদেশ মিছা আৰ্হি নহলে,
এইকথা জানিও সকলোৱে
কিয় বাৰে বাৰে একে ভুল কৰা
হে বীৰ অসমীয়া?
